REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1990

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## ( THIRD - SESSION )

## VOL. III

### NO. 12

The 21st September, 1983

*Geetali Art Press, G. S. Road, Dispur,*
*Guwahati—781022*

REFERENCE,
( NOT FOR ISSUE )
... ONLY INSIDE LIBRARY

# Assam
# Legislative Assembly
# Debates

सत्यमेव जयते

1990

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## ( THIRD - SESSION )

## VOL. III

### NO. 12

The 21st September, 1983

---

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

REFERENCE,
( NOT FOR ISSUE )

READING ONLY INSIDE LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1983,

( Third Session )

Volume— III

No— 12

Datd the 21st September 1983,

CONTENTS.


| | Page No. |
|---|---|
| 1. Questions — — | —5— 41 |
| 2. Matter Under Rule 301— = | 42— 47 |
| 3. Laying of Rules— — — | — 48 |
| 4. Presntation of Report of the Legislatur Committee— | — 49 |
| 5. Consideration ond Pessing of Government Bill— | 50— 114 |
| 6, Adjournment— — — | — 115 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday, the 21th September, 1983 with the Hon. Speaker in the Chair, 17 (Seventeen) Ministers, 5 (Five) Ministers of State, 5 (Five) Deputy Ministers 1 (One) Parliamentary Secretaries and 53 (Fifty three) Members present.

—

## STARRED

## QUESTIONS AND ANSWERS

(To which oral answers were given)

Date 9th September, 1983

+—+

Mr. Speaker :— Now pending starred question No. 110.

শ্ৰীঅলিত বড়ো :— অধ্যক্ষ মহোদয়, এই কুৰঁাবিলাকত কিমান টকা বেহাই দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰঘুনাথ পামেগাম :—(মন্ত্ৰী) অধ্যক্ষ মহোদয় ১৮ টা কুৱাঁৰ বাবে ১, ২৪৪৯ টকা ৮৩ পইচা ।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, এইবিলাক কাম কোনে কৰিছে ? ঠিকাদাৰে নে বিভাগে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) – ঠিকাদাৰে কৰিছে ।

শ্ৰীঅলিত বড়ো :— অধ্যক্ষ মহোদয়, কুঁৱাবিলাকৰ ঠিকা যদি ঠিকাদাৰে লৈছিল তেন্তে কুঁৱা বনোৱাৰ কাৰণে যিবিলাক পাত সেই-বিলাক এনেয়ে পেলায় থৈছে, ইয়াৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছেনে ?

শ্ৰীৰঘুনাথ পামেগাম—ঃ (মন্ত্ৰী) — অধ্যক্ষ মহোদয়, এইটো অনু-সন্ধান কৰি চাম ।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, কুৱাবিলাক প্ৰকৃততে বহু-ৱাইছে নে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) : – য'ত য'ত দিছে সেই সব ঠাইত বহুৱাবলৈ প্ৰচেষ্টা কৰা হৈছিল বিশেষকৈ ৪ ঠাইত কুৱা বহুৱালে এশ ফুট তললৈকে পানীৰ সোঁয়াৰ নেপোৱাৰ কাৰণে বৰ্ত্তমান এই কাম স্থগিত ৰখা হৈছে ।

শ্ৰীৰকোটউল্লা :— অধ্যক্ষ মহোদয়, ঠিকাদাৰ বিলাকক পেমেণ্ট কৰা হৈছে নে কি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— প্ৰকৃত তথ্য মোৰ হাতত নাই, খবৰটো লব লাগিব ।

শ্ৰীৰকোটউল্লা — অধ্যক্ষ মহোদয় যদি এতিয়াও পেমেণ্ট কৰা

নাই তেন্তে সেই পেমেণ্ট বন্ধ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— নিয়মতে যিখিনি কৰিব লাগে সেইটোৰ ব্যৱস্থা কৰা হব ।

শ্ৰীঅলিত বড়ো :— অধ্যক্ষ মহোদয়, কুৰাঁবিল কৰ মঞ্জুৰী দিওঁতে কিমানফুট তললৈকে বহুৱাব লাগে তাৰ কিবা নিৰিক্ষণ আছে নে কি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— কিবা নিৰিক্ষণ আছিল নে নাই মই সেইটো এতিয়া কব নোৱাৰিম, মাননীয় সদস্য জনে যিটো প্ৰশ্ন উৎথাপন কৰিছে সেইটো চোৱা হব ।

শ্ৰীঅলিত বড়ো :— অধ্যক্ষ মহোদয়, পানী নোহোৱা কুৱা-বিলাকৰ কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা চৰকাৰে লৈছে নে কি ?

শ্ৰীৰঘুনাথ পামেগাম মন্ত্ৰী :— অধ্যক্ষ মহোদয়, বৰ্ত্তমান কুৱা বহুৱা আচঁনিটো পৰিত্যাগ কৰা হৈছে ।

শ্ৰীবিলম গয়াৰী :— অধ্যক্ষ মহোদয়, এই আচঁনিটো যদি বন্ধ কৰা হৈছে তেন্তে সেই কামত কিমান টকা খৰচ কৰিলে আৰু সেই টকা কোন শিতানৰ পৰা যাব ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) — অধ্যক্ষ মহোদয়, ইউজেল শিতানৰ পৰা যাব ।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, আচঁনিখন সম্পূৰ্ণ নকৰাকৈ ঠিকাদাৰক পেমেণ্ট কৰা হৈছে নে কি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই বিষয়ে

মই আগতেই উত্তৰ দিছোঁ ।

শ্ৰীঅলিত বড়ো :— অধ্যক্ষ মহোদয়, যদি কুৰা বহুৱা আচঁনি ত্যাগ কৰা হৈছে তেন্তে খোৱা পানীৰ বাবে কিবা ব্যৱস্থা বা আচঁনি লোৱা হৈছে নে কি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, তিনি ঠাইত যেনে মৈঠাবাৰী, দক্ষিণ কুৰিয়া, সুবৰ্ণঘাট আদিত পানী যোগান আচঁনি লোৱা হৈছে আৰু সেই আচঁনিৰ পৰাই তেওঁলোকে পানী পাই আছে ?

শ্ৰীঅলিত বড়ো :— অধ্যক্ষ মহোদয় কিমান আধাৰুৱা কাম কৰিলে তাৰ কিব হিচাব মন্ত্ৰী মহোদয়ৰ, আছে নে কি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— সেইটো তথ্য মোৰ হাতত নাই ।

বিষয় পৰিবহন নিগমৰ বাচ

শ্ৰীমতী মৃদুলা চহৰীয়াই সুধিছে :

* ১১৪ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) যোৱা জানুৱাৰী-ফেব্ৰুৱাৰী মাহত চৰকাৰী পৰিবহন নিগমৰ বাছ কিমানখন ক্ষতিগ্ৰস্ত হল ?

(খ) পৰিপূৰক হিচাবে চৰকাৰে বাছ নতুনকৈ কিনাৰ কিবা ব্যৱস্থা কৰিছে নেকি ?

(গ) যদি কৰিছে, তেন্তে বাছবোৰ কেনেকৈ কিনা হব ?

(ঘ) চৰকাৰী পৰিবহন নিগমৰ বাছ ১৯৮৩-৮৪ চনত অসমত কিমানটা নতুন ৰাস্তাত দিয়া হব জনাবনে ?

শ্ৰীজগন্নাথ সিংহ (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১১৪। (ক)—যোৱা জানুৱাৰী-ফেব্ৰুৱাৰী মাহত চৰকাৰী পৰিবহন নিগমৰ ৮ খন বাছ অগ্নি সংযোগত সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হল আৰু ৮ খন বাছ বোমা বিস্ফোৰণ আৰু অগ্নি সংযোগত গুৰুতৰ ভাৱে ক্ষতি হল। তাৰোপৰি ১০৩ খন বাছ সাধাৰণ ভাৱে ক্ষতিগ্ৰস্ত হল।

খ) আৰু গ)—১৯৮৩-৮৪ চনত প্ৰায় ৫০ খন নতুন বাছ কিনাৰ ব্যৱস্থা হাতত লোৱা হৈছে। পৰিবহন নিগমত চলি থকা পদ্ধতিৰে এইখিনি বাছ কিনা হব।

(ঘ) বৰ্ত্তমান আৰু নতুন ৰাস্তাৰ ব্যৱসায়িক তথা আন প্ৰয়োজনীয়তাৰ কথা বিবেচনা কৰি চলিত বিত্তীয় বছৰত ১০।১২ টা নতুন ৰাস্তাত নিগমৰ বাছ-চলোৱাৰ আশা কৰা হৈছে।

শ্ৰীমতী মৃণালা চহৰীয়া :— অধ্যক্ষ মহোদয়, পৰিবহন নিগমৰ চলি থাকে সেই পদ্ধতিটো কেনে ধৰণৰ ? মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) —: অধ্যক্ষ মহোদয়, জেনেৰেল। চলাব লাগে চলি আছে।

শ্ৰীবৰকৌটল্লা :— অধ্যক্ষ মহোদয়, ১৯৮২-৮৩ চনত যে ৫০ খন বাছ কিনাৰ প্ৰস্তাৱ লোৱা হৈছে তাৰ বাবে অৰ্দাৰ দিয়া হৈছে নে কি ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) —: অধ্যক্ষ মহোদয়, কমিটীত প্লেচ কৰা হৈছে ।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ৰাস্তা লোৱা হৈছে, তাতো চলাব নে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ৰাস্তাৰ কথাটো ফাইনেলকৰা নাই । ফাইনেল হোৱাৰ পিচতহে কব পৰা হব ।

শ্ৰীমৃন্ময়া চহৰীয়া :— অধ্যক্ষ মহোদয়, নিগমৰ বাছ চলা পদ্ধতিটো কেনে ধৰণৰ মন্ত্ৰী মহোদয়ে বিশ্লেষণ কৰি কবনে ?

Shri Jagannath Sinha (Minister) : The State Transport Corporation has got a Board of Directors and the Board locks after the functioning of the Corporation.

শ্ৰীমতী মৃন্ময়া চহৰীয়া :— অধ্যক্ষ মহোদয়, উত্তৰটো পৰিস্কাৰ হোৱা নাই ।

Shri Jagannath Sinha, (Minister, Transport) : Sir, in the Corporation there are different departments e. g., Divisional officers, Central officers, workshops, Superintends; , then buses are there, conductors are there, roads are there and also passengers are there and the buses ply on the roads.

Shri Barkat Ullah :- Sri, the Minister has said

that there are so many officers but what is the actua system ?

Shri Jagannath Singha, (Minister, Transport) : Actual system of what ?

শ্রীবৰকটউল্লা :— পদ্ধতিটো কেনে ধৰণৰ সদনত জনাৰ লাগে। কেনেকৈ চলা হয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্রীজগন্নাথ সিংহ, (পৰিবহন মন্ত্ৰী) :— টিকট কাটিব লাগে, যাত্ৰী উঠিব লাগে ইত্যাদি ইত্যাদি।

শ্রীমতী মৃদুলা ছহৰীয়া :— পৰিবহন ব্যৱস্থা সঠিক নোহোৱাৰ কাৰণে প্ৰাইভেট চেক্টৰত যিবিলাক বাচ চলি আছে তাত বেচ ভীৰ হয়। যাত্ৰীসকল সহজে অহা যোৱা কৰিব পৰা কিবা ব্যৱস্থা মন্ত্ৰী মহোদয়ে লৈছেনে ?

Shri Jagannath Singha (Minister, Transport) —: Sir, in connection with this question, the present question is not very relevant. I think if a separate question is put I will be able to give the answer.

শ্ৰীজয়নাল আবেদীন :— পৰিবহন বাচৰ নিৰ্দ্ধাৰিত সময় আছে নেকি ?

শ্রীজগন্নাথ সিংহ, (পৰিবহৱ মন্ত্ৰী) :— হয়, কিন্তু কেতিয়াবা পলম হয়।

শ্ৰীজয়নাল আবেদীন :— সময় মতে চলি থকাৰ ব্যৱস্থা কৰিব নোৱাৰেনে ?

শ্ৰীজগন্নাথ সিংহ, (পৰিবহন মন্ত্ৰী) :— অলপ খেলিমেলি হৈ থাকে এইটো সময় মতে যোৱাৰ ব্যৱস্থা কৰা হৈছে ।

শ্ৰীমোহন বসুমতাৰী :— পলমকৈ যোৱাটোৱেই পদ্ধতি নেকি ?

শ্ৰীজগন্নাথ সিংহ, (পৰিবহন মন্ত্ৰী) :— সেই বিলাক ডিফেক্ট আছে, ৰেক্তিফাই কৰাৰ কাৰণে চেষ্টা কৰা হৈছে ।

Sir, no road on earth is hundred percent safe.

শ্ৰীপূৰ্ণ বড়ো :— কিছুমান ৰাস্তাত বাচ চলাচল বন্ধ কৰা হৈছে সেই বিলাকত বাচ দিয়াৰ ব্যৱস্থা কৰিব নে ?

Shri Jagannath Singha, ( Minister, Transport ) :— First preference will be given to them.

শ্ৰীমতী মৃদুলা চহৰীয়া :— নেচনেল হাইওৱেৰ ওপৰত কিমান-খন প্ৰাইভেই বাচক পাৰ্মিট দিয়া হৈছে মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীজগন্নাথ সিংহ, (পৰিবহন মন্ত্ৰী) :— সেইটো বেলেগ প্ৰশ্ন লাগিব ।

## Re : VETERINARY SUB-CENTRES

Shri Joynal Abedin asked :

* 115 Will the Minister, Veterinary & A. H. be pleased to State—

(a) The number of Veterinary Sub-Centre in Assam Functioning without Veterinary Assistant Surgeon/Veterinary Extension Officer ?

(b) It is a fact that out of 23 posts of Veterinary Assistant Surgeons/Veterinary Extension Officers in the Dhubri District, 11 (eleven) posts are lying vacant for more than one year ?

(c)—If so, whether there is any proposal with the Government to fill up these posts immediately ?

Shir Padam Bahadur Chouhan (Minister, Veterinary) replied :

115. (a)—Veterinary Sub Centres are manned by Veterinary Field Assistants/Stockmen etc. and not by Veterinary Assistant Surgeons/Extensions Officers.

(b)—There are only 6 (six) Nos. of posts vacant in Dhubri District at present.

(c)—Steps are being taken to man the vacant posts with suitable officers.

শ্ৰীজয়নাল আবেদীন ঃ— অসমত কিমান ভেটেৰিনাৰি চ.ৰ

চেণ্টাৰ আছে জনাবনে ?

শ্ৰীপত্নম বাহাত্নৰ চৌহান; (ৰাজ্যিক মন্ত্ৰী) : চাৰিশ পচিশ টা ।

শ্ৰীজয়নাল আবেদীন :— ডাক্তৰ আছে নেকি ?

শ্ৰীপত্নম বাহাত্নৰ চৌহান, (ৰাজ্যিক মন্ত্ৰী) :— ডাক্তৰ দিয়া নহয়, ভেটেৰিনাৰি ফিল্ড এচিচ টেণ্ট দিয়া হয় । ভেটেৰিনাবি হস্পিটাল আদিৰ লগত এটাচ্চ কৰি ৰখা কাৰণে তাত নাথাকে ।

শ্ৰীমোহন বসুমতাৰী :— পলাশবাৰী সমষ্টিৰ তুলসী চাব চেণ্টাৰো ইয়াৰ ভিতৰত ধৰা হৈছে নে ?

শ্ৰীপত্নম বাহত্নৰ চৌহান (ৰাজ্যিক মন্ত্ৰী) :— অসমত যিমান আছে সকলোখিনি ধৰা হৈছে ।

শ্ৰীজয়নাল আবেদীন :— যি কেইটা ভেকেণ্ট আছে বুলি কৈছে কেতিয়াৰ পৰা ভেকেণ্ট আছে ?

শ্ৰীপত্নম বাহাত্নৰ চৌহান, (ৰাজ্যিক মন্ত্ৰী) :— তাৰিখটো দিয়া টান হব কিন্তু ছয়খনত এচিচ টেণ্ট ভেটেনাৰী চাৰজন দিব পৰা নাই ।

শ্ৰীৰমেশ ফুকন :— এটাচ্চ চিচ টেমত থকা কাৰণে ছয় মাহ বছৰেক ধৰি নহাৰ উদাহৰণ আছে সেইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীমোহন বসুমতাৰী :— পলাশবাৰী সমষ্টিৰ তুলসীত থকা চাব চেণ্টাৰটো সম্পূৰ্ণ হৈছে নে নাই মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীপত্নম বাহাত্নৰ চৌহান, (ৰাজ্যিক মন্ত্ৰী) :— আছে নে নাই সেইটোহে কোৱা হৈছে । বিশেষ ভাৱে জানিব খুজিলে বেলেগ প্ৰশ্ন

হলে ভাল হয়।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— এতিয়া বানপানী হৈছে। গৰু মহৰ বেমাৰ হব। সেই কথালৈ চাই চাব চেণ্টাৰ বিলাকলৈ অতি-সোনকালে ভেটেৰিনাৰি ফিল্ড এচিচ্টেণ্ট পঠিওৱাৰ দিহা কৰিব নে ?

শ্ৰীপদুম বাহাদুৰ চৌহান, (ৰাজ্যিক মন্ত্ৰী) :— তাৰ ব্যৱস্থা লোৱা হব।

শ্ৰীদুৰ্গেশ্বৰ প্ৰাটিৰ :— অহা বছৰৰ কাৰণে কিমান সংখ্যক চাব চেণ্টাৰ কৰা হব জনাবনে ?

শ্ৰীপদুম বাহাদুৰ চৌহান (মন্ত্ৰী) :— ১৯৮৩-৮৪ চনৰ কাৰণে প্ল্যান এক্টিমেট কৰা হোৱা নাই। পিচত জনাব পৰা হব।

## Re : L. P. SCHOOLS IN SORBHOG

Shri Hemen Das, asked :

* 11ు. Will the Minister, Education be pleasd to state

(a) The Number of L. P. School in Sorbhog Assembly Constituency which have received building grants and building repairing grants in 1981-82 ?

(b) Whether Atagoan L. P. School and Simulbari L.-

P. School were given any such grant ?

(c) Whether the grant to all the School have been released ?

**Shri Mukut Sarma, (Minister, Education) replied.**

116, (a)—76 L. P. Schools in Sorbhog Assembly constituency were given grants for buildings in 1981-82.

(b) —No grant was sanctioned to Atagoan and Simulbari L. P. School during 1981-82. However, Rs. 1500/was sanctioned to No. 1368 Atagoan L. P. School in 1979-80.

(c)—Grants were released to the Schools except the following three.

(i) No. 2 Ahom Pathar L. P. Shcool.

(ii) Simulguri L. P. School.

(iii) Pachim Kajiamati L. P Shcool.

শ্ৰীহেমেন দাস :— তলৰ দুখনে আজিলৈকে টকাখিনি নোপোৱাৰ কাৰণে কি জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা, (শিক্ষামন্ত্ৰী) :— অহোমপথাৰ খনে এন-আৰ পিৰ টকা ভালেখিনি পাইছে। প্ৰায় ত্ৰিশ হাজাৰ মান পাইছে। শিমলুগুৰি আৰু কাজিয়ামাটিয়ে প্ল্যান এষ্টিমেট দিয়া নাই কাৰণে টকা

ৰিলিজ কৰিব পৰা নাই।

শ্ৰীহেমেন দাস :— তেওঁলোকৰ খবৰ দিয়া হোৱা নাই টকা দিয়াৰ কাৰণে। ১৯৮১-৮২ চনৰ টকা আজিলৈকে খা চ কৰিব পৰা নাই।

শ্ৰীমুকুট শৰ্ম্মা, (শিক্ষামন্ত্ৰী :— আমাৰ হিচাপ তে লোকে প্ল্যান এক্ৰিমেণ্ট দিয়াৰ নাই কিন্তু মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো চাই ব্যৱস্থা গ্ৰহণ কৰা হব।

বিষয় ৰাস্তা মেৰামতিৰ বাবে ধন

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে :

* ১১৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮২-৮৩ চনত গড়কাপ্তানী বিভাগৰ সাধাৰণ শিতানত ৰাস্তা মেৰামতিৰ কাৰণে কিমান ধন ৰখা হৈছিল ?

(খ) সেইধন খৰচ হলনে ?

(গ) যদি হৈছে, সমষ্টি হিচাবে খৰচৰ তালিকা দাঙি ধৰিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰ টাইমুৰ (গড়ক প্তানী বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

১১৭। (ক) গড়কাপ্তানী বিভাগৰ ৰাস্তা মেৰামতিৰ কাৰণে ১৯৮২-৮৩ চনত মুঠ ১০.৫০ কোটি টকা ৰখা হৈছিল।

(খ)—সেই ধন সমুদায় খৰচ হছে।

(গ)—সমষ্টি হিচাবে খৰচৰ তালিকা দাঙি ধৰা সম্ভৱ নহয়। ৰাস্তা মেৰামতিৰ কৰাৰ কাৰণে যি ধন দিয়া হয়, সেই ধন সংমণ্ডল (ডিভিজন) হিচাবেহে দিয়া হয়।

শ্ৰীমোহন বসুমতাৰী :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ৰাস্তা মেৰামতিৰ কাৰণে টকা খৰছ কৰা হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে কব পাৰিব নে পলাশবাৰী সমষ্টিৰ ভাওঁৰাগুৰি ঝৰবাৰী আদি ৰাস্তা মেৰামতি কৰা কাৰণে কিমান টকা খৰছ হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (গড়কাপ্তানী মন্ত্ৰী) :— সেইটো অনুসন্ধান কৰি চাব লাগিব। মই আগতে কৈছো সমষ্টি হোৱাত টকা দিয়া নহয়, ডিভিজন হিচাৱে টকা দিয়া হয়। সেখেত কোৱা কথাখিনি অনুসন্ধান কৰি চাম।

শ্ৰীজগত পাটগিৰী :— এম এন পি ৰাস্তা কৰিলে সেই ৰাস্তা মেৰামতিৰ কাৰণে খৰছ ধৰা হয়। আগতে মেৰামতিৰ বা ইত্যাদিৰ কাৰণে গেং কুলি দিয়া হয়। ইয়াত গেং কুলিৰ কাৰণে টকা দিয়া হৈছে নে নাই ?

শ্ৰীমতী চৈয়দা আনোৱাৰ টাইমুৰ (মন্ত্ৰী) :— মই যিটো অংক দিছো ১০ কোটি ৫০ লাখ টকা, ইয়াৰ ভিতৰত মাষ্টাৰৰোলও সোমাই আছে। ৩ কোটি ৬লাখ মাষ্টাৰ ৰোলতৰ আৰু সহৰভাগ ৰাস্তাতে মাষ্টাৰ ৰোল আছে। এই ৰাস্তা বিলাকৰ ভিতৰত মাটিৰ ৰাস্তাও আছে। এম এন পিত বহুত ৰাস্তা কৰা হৈছে কিন্তু এই ৰাস্তা বিলাকত যিমান টকা মেৰামতিৰ কাৰণে লাগে সিমান টকা নাই। ৰাস্তা বিলাকত ফেৰী আদিও আছে সেইবিলাকতো মাষ্টাৰ ৰোলত ধৰা হৈছে। এম-এন পি ৰাস্তাৰ মেৰামতিত বেছি টকা দিব পৰা নাই। ইয়াৰ পৰা

কিছুমান ঠাইত অকো কেজুৱেল লেবাৰ দিব লগীয়া হৈছে।

শ্ৰীহৰেন্দ্ৰ তালুকদাৰ :— ব্লাষ্টিং পাউদাৰৰ অভাৱত শিল কুৱেৰী বিলাকে শিল ভাঙিব পৰা নাই। ফলত গড়কাপ্তানি বিভাগে শিলৰ নাটনিৰ কাৰণে ৰাস্তা নতুনকৈ বা মেৰামতি কৰিব পৰা নাই। গতিকে এই টকা ক'ত কেনেকৈ খৰছ কৰা হ'ল মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীমতী চৈয়দা অনোৱাৰ টাইমুৰ (মন্ত্ৰী) :— কুৱেৰী বিলাকত পাথৰ ভাঙিবি পৰা নাই সচাঁ কথা। বহুত ঠাইত আইন শৃঙ্খলাৰ কাৰণে বোম ব্লাষ্টিং আদিৰ ভয়ত পাথৰ ভাঙিব পৰা নাই। কিন্তু শিল কুৱেৰী বিলাকত আগৰ পুৰনি ভঙা শিল বিলাকৰ দ্বাৰা এই কাম বিলাক কৰি থকা হৈছে।

হৰেন্দ্ৰ নাথ তালুকদাৰ :— মোৰ প্ৰশ্ন হৈছে ব্লাষ্টিং পাউদাৰৰ অভাৱত কুৱেৰী সমূহে পাথৰ ভাঙিব পৰা নাই আৰু তাৰ কাৰণে শিলগুটি পোৱা নাই, গতিকে কি শিতানত এই টকাখিনি খৰছ কৰা হৈছে ? ৰাস্তা মেৰামতি সচাকৈ হৈছে নে ?

শ্ৰীমতী চৈয়দা আনোৱাৰ টামুৰ (মন্ত্ৰী) :— ব্লাষ্টিং পাউদাৰৰ অভাৱত শিলগুটিৰ অভাৱ হৈছে সচা কথা। মই আগতে কৈছো কেজুৱেল লেবাৰ যিবিলাক ফেৰী আদিত লাগে সেইবিলাকত আৰু কিছু ৰাস্তাৰ মেৰামতি এই টকা খৰছ হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— মন্ত্ৰী মহোদয়াই কৈছে যে ৰাস্তা বিলাক মেৰামতি কৰা হৈছে কিন্তু ৰাস্তা বিলাকৰ অৱস্থা ইয়ান বেয়া যে তাত খোজ কাঢ়িও যাব নোৱাৰি, কিবা বেলেগ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীচৈয়দা অনোৱাৰ টাইমুৰ (মন্ত্ৰী) :— অসমত প্ৰায় ৭০০ খন

কাঠৰ দলং আছে সেইবিলাক বছৰি মেৰামতি কৰিব লাগে । এই ৰাস্তা বা পাৰ্থৰ আদি নহোৱাৰ কাৰণে টকা পইচাৰ অভাৱৰ কাৰণে আমি অষ্টম বিত্ত আয়োগৰ ওচৰত ৩১ কোটি টকা গড়কাপ্তানি বিভাগক দিব লাগে জনোৱা হৈছে । এই ধন পালেহে ৰাস্তা কিছু ভাল ৰকমে ৰাখিব পৰা যাব ।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— ৰাস্তাবিলাক যেতিয়া প্ৰথমে কৰা হয় তাৰ মেৰামতিৰ কাৰণেও আচনিত টকা ধৰা হয়। সেই আচনিৰ টকা কম কেনেকৈ হ'ল ?

শ্ৰীমতী চৈয়দা আনোৱাৰ টাইমুৰ (মন্ত্ৰী :— ৫ বছৰৰ মূৰে মূৰে কমিচনে টকা ধাৰ্য্য কৰি দিয়ে কিন্তু ইতিমধ্যে বয়বস্তুৰ দাম যথেষ্ঠ বাঢ়ি যায় যাৰ কাৰণে আকৌ টকাৰ নাটনি হয় ।

শ্ৰীজগত পাটগিৰী :— ৰাস্তা মেৰামতি কৰিব কাৰণে গেংকুলিৰ আৱশ্যক, কিমান কিলোমিটাৰত গেংকুলি কিমান থাকিব লাগে তাৰো হিচাব আছে । গতিকে নতুন ৰাস্তা বিলাকত গেংকুলি লবৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীমতী চৈয়দা আনোৱাৰ টামুৰ (মন্ত্ৰী) :— মাষ্টাৰ ৰোলৰ কাৰণে বা কেজুৱেল লেবাৰৰ কাৰণে পইচা ধৰা আছে । সেই কথাতে গেং কুলিৰ কথাও আহিব । মই এটা শুদ্ধকৈ কব বিচাৰিছো দলং ৭০০ নহয় ৭০০০ হে । গোটেই অসমত ।

শ্ৰীবৰ্গৰাম দেউৰী :— মাননীয়া মন্ত্ৰী মহোদয়াই কৈছে যে ১০ কোটি ৫০ লাখ টকা মেৰামতিত খৰছ কৰা হৈছে । ইয়াৰে কিমান টকা মেইটেনেঞ্চত খৰছ কৰা হ'ল জনাব নে ?

শ্ৰীমতী চৈয়দা আনোৱাৰ টাইমুৰ (মন্ত্ৰী) :— প্ৰশ্নটো আছিল মেৰামতিৰ, মেইটেনেঞ্চও ইয়াৰ ভিতৰতে পৰে ।

শ্ৰীতাৰিনী মোহন বৰুৱা :— গড়কাপ্তানি বিভাগৰ মন্ত্ৰীয়ে কৈছে যে এম এ নপি ৰাস্তাত শিলগুটি দিয়া নাই আৰু বহুত মাটিৰ বষ্টাও আছে । যিবিলাক ঠিকাদাৰে ঠিকা লৈছিল তেওঁলোকক সেই ৰাষ্টাৰ বিপৰিতে পেমেণ্ট কৰা হ'ল নে নাই ? তাতটো মেৰামতিৰ কাৰণেও টকা ধৰা থাকে ।

শ্ৰীমতী চৈয়দা আনোৱাৰ টাইমুৰ (মন্ত্ৰী) :— এম এন পিৰ কাৰণে যি টকা দিয়া হয় তাত অৰ্থাত মহকুমা ৰ'ড কমিটিয়ে বেছি ৰাষ্টা হাতত লয় কাৰণে বহুত ৰাষ্টাই আধৰুৱা হৈ থাকে ।

Starred question No. 118 was not taken up the member, being absent

বিষয় MINORITY CELL

শ্ৰীইছমাইল হুছইনে সুধিছে :

* ১১৯ । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত চৰকাৰী পৰ্য্যায়ত Minority Cellৰ কোনো কাৰ্যালয় আৰু কৰ্ম্মচাৰী নথকাটো সচাঁনে ?

(খ) যদি সচাঁ নহয়, উক্ত কাৰ্য্যালয়টো কত অৱস্থিত আৰু ইয়াত বিভিন্ন কাৰ্য্যালয়ৰ কিমান কৰ্ম্মচাৰী আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

১১৯। (ক)—সচাঁ নহয় ।

(খ)—অসম সচিবালয়ৰ ৰাজনৈতিক বিভাগত সংখ্যালঘু শাখা (Minority Cell) এটা ১৯৮২ চনত গঠন কৰা হয় আৰু এজন উপ সচিবক এই শাখাৰ কামৰ বাবে নিয়োজিত কৰা হৈছে । অসম মন্ত্ৰী সভাৰ এজন প্ৰবীন মন্ত্ৰী এই শাখাৰ দায়িত্বত আছে ।

শ্ৰীইচমাইল হুচেইন :— এই বিভাগতো ক'ত আছে আৰু কাৰ দায়ীত্বত আছে মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— এই বিভাগৰ দায়ীত্ব আছে মহম্মদ ইদ্ৰিছ আৰু অফিছো তাতেই আছে

শ্ৰীইচমাইল হুচেইন :— এই মাইনৰিটি চেল এটা সৰু বিভাগ। এই বিভাগটো মাইনৰিটি সকলৰ ৱেলফেয়াৰৰ কাৰণে দিছে নে কনচেনেচনৰ কাৰণে দিছে মুখ্য মন্ত্ৰীয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ মাইনৰিটি কমিচনৰ অনুমোদন ক্ৰমে প্ৰত্যেক ৰাজ্যতে মাইনৰিটি চেল খোলা হৈছে । ইয়াৰ মূল উদ্দ্যেশ হৈছে মাইনৰিটি সকলৰ যিখিনি সা-সুবিধা পাব লগা আছে সেইখিনিলৈ লক্ষ্য ৰখা ।

## RE: AMOUNT PAID TO M/S NAGALAND ENGINEERING

Shri Purna Baro asked :—

*120. Will the Minister, Soil Conservation be Pleased to state—

Is it a fact that Rs. 100880·00 (Rupees one lakh eight hundred and eighty only) were paid to M/S. Nagaland Engineering and suppliers by the Divisional Officer, Soil Conservation, Diphu vide V No. 217 and 190 on March 1980 and the entire amount was paid in cash instead of cheque?

Shri Dhani, Ram Rongpi, (Minister Soil Conservation) replied.

120. Yes.

শ্রীপূর্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে ১২০ নং প্ৰশ্নৰ উত্তৰত কৈছে সচাঁ। কিন্তু কথা হল কেচ পেমেণ্ট কিয় কৰা হৈছিল? আৰু ইয়াৰে কি কি বস্তু কিনা হৈছিল?

শ্রীধনী ৰাম ৰংপী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, কেচ পেমেণ্ট কৰাটো সচাঁ। ডিষ্টিক কাউন্সিলৰ কেচ ড্ৰ' কৰাৰ ক্ষমতা আছে সেয়ে তেওঁলোকে টকা ড্ৰ কৰি ডি,অ, চইল কনজাৰভেচনক দিছিল। এই বিষয়ে মই একো কব নোখোজোঁ।

শ্রীহেমেন দাস :— অধ্যক্ষ মহোদয়, চৰকাৰৰ নিয়ম মতে ৫০ টকাৰ বেছি কেচ পেমেণ্ট কৰিব নোৱাৰে। কিন্তু ইয়াত ৫০ টকাৰ বহু গুন বেছি টকা কেচ পেমেণ্ট কৰা হৈছে ইয়াৰ কাৰণ কি?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই আগতেই কৈছোঁ, ডিষ্ট্ৰীক কাউন্সিল অট' নমাচ আৰু তেওঁলোকৰ প্ৰশাসনীয় পদ্ধতিমতে ট্ৰেজাৰীৰ পৰা টকা ড্ৰ' কৰি আনি দিছে। এইটো প্ৰচলিত নিয়মতেই কৰা হৈছে।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয় এই বিষয়টোত দিষ্ট্ৰীক্টৰ কউনচিলক সাঙুৰিলেই নহব। ইয়াত এজন চৰকাৰৰ দায়িত্ব শীল বিষয়াই চৰকাৰৰ নীতি নিয়ম উলংঘা কৰিছে। তাৰোপৰি ১ লাখ ৮৮০ টকাৰ সমগ্ৰী কিনিছে, কি কি সামগ্ৰী কিনা হৈছে ?

শ্ৰীধনী ৰাম ৰংপী (ম :) :— সামগ্ৰী বিলাকৰ নাম আছে। এটা 'ট্ৰেকচো' বুলি কোৱা হয়, এই যন্ত্ৰটো ট্ৰেক্টৰৰ ফিটা লগোৱা যন্ত্ৰ। এই ফিটা লগালে ৰাস্তা বিলাকত যি গাত হয় সেই গাত নাইকীয়া হয়। সেই কাৰণেই কিনা হৈছে।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, কিমান খন 'ট্ৰেকচো' কিনা হৈছে আৰু বজাৰত তাৰ দাম কিমান ?

শ্ৰীধনী ৰাম ৰংপী (ম :) — ২ খন কিনা হৈছে আৰু বজাৰত তাৰ দাম ৫০ হাজাৰ ৪শ ৪০ টকা।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, ইয়াত যিটো দামৰ কথা কৈছে সেইটো নাগালেণ্ড ইঞ্জিনিয়াৰিং এণ্ড চাপ্লাইয়াৰচৰ দাম হে কৈছে কিন্তু বজাৰত ইয়াৰ দাম কিমান ? পুৰণা 'ট্ৰেকচো' বোৰ যে ৰিপলেচ কৰা হৈছিল সেইবোৰ আছে নে ? তাৰ বিষয়ে এটা তদন্ত কৰিবনে ?

শ্ৰীধনীৰাম ৰংপী (ম :) :— এইটো তদন্ত কৰি চোৱা হব।

শ্ৰীহেমেন দাস :— চাৰ, আচলতে এই বুল ডোজাৰ বিলাক

কোন বিভাগৰ ?

শ্ৰীধনীৰাম ৰংপী (ম:) :— চয়েল কনজাৰভেশ্যনৰ ।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, এই বুস ডজাৰ বিলাক অতিৰিক্ত দামত কিনা হৈছে । এই দিশটো সময়মতে পৰীক্ষা কৰি চাবলাগে । আনহাতে চেক ড্ৰ' কৰিব কেচ কিয় দিয়া হল ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী) :— দাম বেছি হৈছেনে নাই সেই বিষয়ে তদন্ত কৰি চাম । কিন্তু কেচ টকা দিয়াৰ সক্ৰান্তত ডিষ্ট্ৰীক কাউন্সিলৰ প্ৰশাসন পদ্ধতি যি ধৰণে চলি আছে সেই মতেই কৰা হৈছে ।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, ডিষ্ট্ৰীক কাউন্সিলৰ নিৰ্দ্দেশ-মতে এই পেমেণ্ট কৰা হোৱা নাই । বিষয়াজনে নিজা ধৰীয়াকৈ কৰিছে । ডিষ্ট্ৰিক কাউন্সিলক সাঙুৰি সেই বিষয়াজনে দুৰ্নীতি চলাই আছে । আগৰ পুৰণা টেক্টৰ' বিলাক কিহল কত আছে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি চাব নে ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী :— অনুসন্ধান কৰি চোৱা হব ।

## RE : INFORMATION AND PUBLIC RELATIONS CFFICE AT HAILAKANDI.

Shri Nepal Chandra Das asked :—

*121. Will the Chief Minister be pleased to state.—

a) Whether it is a fact that there is no vehicle in the

Information and Public Relations Office at Hailakandi since last three years ?

b) Whether it is also a fact that the vehicle meant for Hailakandi Office has been kept at Head Office at Gauhati ?

c] If so, when Government is going to place a vehicle to the Information and public Relations Office at Hailakandi ?

Shri Hiteswar Saikia, [Chief Minister] replied.

112. [a]—No.

b]—No.

c]—Provision has been made to place a new vehicle in place of the existing one which has since been condemned.

শ্রীনেপাল চন্দ্র দাস :— অধ্যক্ষ মহোদয়, আমার জানামতে হাইলাকন্দির জন্য একটা নতুন গাড়ী কেনা হয়েছিল কিন্তু এই গাড়ীটা হেড অফিসে রেখে সেখানে একটা পুরনো গাড়ী দেওয়া হয়েছে। এই বিষয়ে মুখ্যমন্ত্রী মহোদয় কিছু জানাবেন কি ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, হাইলাকান্দিৰ গাড়ীখন বেয়া হৈ আছে। মটৰ ভেহিকুল ইন্সপেক্টৰে কন্‌ডেমড্ বুলি ৰিপৰ্ট দিছে। সেই কাৰণে এই বছৰ নতুন গাড়ী এখনৰ ব্যৱস্থা কৰি আছোঁ। হাইলাকান্দিৰ কাৰণে গড়ী এখন কিনি পিচত পুৰনা গাড়ী

দিয়াটো সচাঁ নহয় ।

## বিঃ গাওঁ পঞ্চায়ত সমবায় সমিতি

শ্ৰীমথুৰা ডেকাই সুধিছে :—

*১২২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) গাওঁ পঞ্চায়ত সমবায় সমিতিৰ চেক্ৰেটৰী সকলৰ চাকৰি জীৱনৰ ভবিষ্যত নিৰাপত্তাৰ আৰু কি ব্যৱস্থা কৰিছে জনাবনে ?

খ) গাওঁ পঞ্চায়ত চেক্ৰেটৰী সকলৰ প্ৰমোচনৰ কোনো চিন্তা চৰকাৰে কৰিছে নেকি ?

গ) যদি কৰিছে কি ব্যৱস্থা কৰিছে ?

শ্ৰীতিলক গগৈ (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

১২২। (ক)—গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সম্পাদক সকলৰ চাকৰি জীৱনৰ ভবিষ্যত নিৰাপত্তা আৰু প্ৰমোচন আদিৰ বিষয়ে নিয়মাৱলীৰ খচৰা এখন তৈয়াৰ কৰা হৈছে আৰু চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

খ) আৰু (গ)—(ক) প্ৰশ্নৰ উত্তৰত সামৰা হৈছে ।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদ, এই কথা সচা নেকি যে গাওঁপঞ্চায়ত সমবায় সমিতি সমূহৰ সম্পাদকৰ পদ এতিয়া বহুত খালী হৈ আছে ?

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী) :— কিমানখন সমবায় সমিতিৰ

সম্পাদকৰ পদ খালী আছে সেইটো এতিয়াই সঠিককৈ কোৱা টান। কিন্তু বহুতো কাৰণত সম্পাদক বিলাক নিলম্বিত হৈ থকাৰ কাৰণেই এই অৱস্থা হৈছে।

শ্ৰীপূৰ্ণ বড়ো :— এই খালী পদ বিলাক কেতিয়া কেনেকৈ পূৰণ কৰা হব মন্ত্ৰী মহোদয়ে জনাব পাৰেনে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— যিহেতু অধ্যক্ষ মহোদয়, এই সম্পাদকসকল নিলম্বিত হৈ আছে সেই কাৰণে এই খালী পদ বোৰ সোনকালে পূৰন কৰাটো সম্ভৱ নহয়। কাৰণ তেওঁলোক আকৌ ঘূৰি আহিব পাৰে।

শ্ৰীপূৰ্ণ বড়ো :— কিমান খালী আছে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ৩৩ জন নিলম্বিত হৈ আছে।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, এই সমবায় সমিতি সমূহৰ সম্পাদক সকল নিলম্বিত হোৱাৰ কাৰণে বয় পদ বোৰ খালী হৈ আছে, তাৰ কাম কাজ বোৰ এতিয়া কেনেকৈ চলি আছে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— তেওঁলোকে স্থানীয় ভাবে সুবিধা কৰি লৈছে। নতুন প্ৰাৰ্থীক তপৰাই নিযুক্তি দিয়া সভম্ভৱ নহয়, কাৰণ নিলম্বিত প্ৰাৰ্থীসকল ট্ৰেইনড্ পাৰচনচ্ আছিল। সেয়ে আমি পদ বিলাকৰ ক্ষেত্ৰত ব্যৱস্থা কৰি আছোঁ।

## RE: CHAIRMAN AND VICE CHAIRMAN OF ARTFED

Shri Hemen Das, asked :—

*123. Will the Minister, Cooperation be pleased to state—

a] The names of Chairmen and Vice-Chairmen of the Artfed with their qualification and age ?

b) Whether they are given remuneration and otheir allowances as per rules ?

Shri T. Gogoi [Minister, Cooperation] replied :—

123. [a] i.—Chairmen Shri Lilamoy Das, Ex-Minister, Assam. His present age is 60 years.

ii] -Vice-Chairmen, Shri Ajit Bez, passed H. S. L. C. Examination. His present age is 27 years.

b]—The Chairman is given honorarium (a) Rs. 1000·00 p.m. and car allowances at Rs. 300·00 p.m.

No remuneration to Vice-Chairmen is decided yet.

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাবনে যে এই অজিত বেজ নামৰ ভাইচ চেয়াৰমেন জনে আগতে কি কাম কৰিছিল ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয় তেখেতে আগতে কি কাম কৰিছিল সেই সম্পৰ্কে আমাৰ ওচৰত কোনো তথ্য নাই । কিন্তু

তেখেতক ইয়াত মেম্বাৰ লোৱাত কোনো অসুবিধা নাই।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, প্ৰাক্তন মন্ত্ৰী এজনক এনে দায়িত্বপূৰ্ণ কাম দিয়াত আমাৰ আপত্তি নাই। কিন্তু ভাইচ চেয়াৰমেনজনক এনেকুৱা দায়ত্বপূৰ্ণ কাম দিয়াৰ আগতে তেওঁ আগেয়ে কি কৰিছিল সেইটো জনা দৰকাৰ আছিল বোধকৰো।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— তেখেতে আগতে কি কাম কৰিছিল সেই বিষয়ে আমি জনাতো প্ৰয়োজনবোধ কৰা নাই।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয় এনেকুৱা দায়িত্বপূৰ্ণ কাৰ্য্য পৰিচালনা কৰাৰ কাৰণে ব্যক্তিজনৰ পূৰ্ব্বৰ অভিজ্ঞতাৰ প্ৰয়োজন নাইনেকি ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী] :— অধ্যক্ষ মহোদয়, সকলো কথাকে অভিজ্ঞতাৰ জোখ মাখেৰে চোৱা নহয়। কোনো এজন ব্যক্তিক কাৰ্য্যভাৰ দিয়াৰ পিচতো তেওঁৰ অভিজ্ঞতা আৰু কৰ্ম্ম নিপুনতা প্ৰকাশ পায়। আমি নিজেও অভিজ্ঞতালৈ মন্ত্ৰী হৈ অনা নাই। মন্ত্ৰী হোৱাৰ পিচতহে ইয়াৰ অভিজ্ঞতা পাওঁ। সেইদৰে তেওঁকো উপযুক্ত বুলি তাৰেয়েই এই পদটো দিয়া হৈছে।

বিঃ টিপুক চাহ বাগিছাৰ কৰ্ম্মী

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :—

*১২৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ডুমডুমাৰ টিপুক চাহ বাগিছাৰ কৰ্ম্মী কৰ্ত্তৃক কৰ্মকাৰ আৰু দুজন কৰ্ম্মীক

জুলাই মাহত গ্ৰেপ্তাৰ কৰা সম্পৰ্কে চৰকাৰে জানেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া [মুখ্যমন্ত্ৰী] য়ে উত্তৰ দিছে :—

১২৪। হয়, জানে ।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কলে যে ডুম ডুমাৰ টিপুক চাহ বাগিছাৰ কৰ্ম্মী কাৰ্ত্তিক কৰ্ম্মকাৰ আৰু অন্যান্য দুজনক গ্ৰেপ্তাৰ কৰা হৈছে । মুখ্যমন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে তেখেত সকলৰ ঘৰো ভাঙি দিয়া হৈছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া [মুখ্যমন্ত্ৰী] :— অধ্যক্ষ মহোদয়, সেইটো খবৰ আমাৰ হাতত নাই । তেওঁলোকক বিশেষ দণ্ডৰ পৰিপ্ৰেক্ষিতহে ধৰা হৈছে ।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, এই বাগিছাৰ কিছু সংখ্যক লোকক বৰখাস্ত কৰা বিষয়ে মন্ত্ৰী মহোদয়ে জানে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী] :— আচলতে প্ৰশ্নটো আছিল গ্ৰেপ্তাৰ কৰা প্ৰসঙ্গতহে । সেই ঘটণাটোৰ অভিযোগ মতে ১৭ ফেব্ৰুৱাৰী তাৰিখে ইয়াৰ উল্লেখ কৰা ব্যক্তি সকলৰ লগতে আৰু কেইজনমান লোক লৈ সেই বাগিচাৰে শ্ৰীহৰেন ফুকন আৰু তেওঁৰ ঘৰৰ অতিথি এজনক আক্ৰমণ কৰে । আৰু পিচত অতিথিজন পলাই সাৰে । শ্ৰীফুকনক মাৰধৰ কৰে আৰু তেওৰ মৃত্যু হয় । সেই সন্দৰ্ভতে এই ব্যক্তি সকলক গ্ৰেপ্তাৰ কৰা হয় ।

## বিঃ কৃষি বিভাগৰ তথ্যপাতি ।

শ্ৰীমথুৰা ডেকাই সুধিছে :—

*১২৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

কৃষি বিভাগে হেক্টৰৰ হিচাবত ডাঙিধৰা খেতিৰ তথ্যপাতিবোৰ কৃষি বিষয়া সকলে প্ৰকৃততে পথাৰ সমূহ জোখ-মাফ কৰি কৰেনে, বিভাগৰ হিচাবৰ পৰা দেখুৱাই জনাবনে ?

শ্ৰীলক্ষ্মী প্ৰসাদ হাজৰিকা [কৃষি বিভাগৰ উপমন্ত্ৰী] য়ে উত্তৰ দিছে :—

১২৫। ৰাজহ বিভাগৰ হিচাবৰ পৰা দেখুৱা হয়।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ পৰা এই মাটিৰ যি হিচাব দিয়া হয় সেইবোৰ কৃষি বিভাগৰ কোনোবা বিষয়া হৈ হিচাব কৰেনেকি ?

শ্ৰীলক্ষ্মী প্ৰসাদ হাজৰিকা [উপমন্ত্ৰী] :— অধ্যক্ষ মহোদয়, সাধাৰণতে এই হিচাব ৰাজহ চক্ৰ বিষয়া, মহকুমা কৃষিবিষয়া আৰু মহকুমা পৰিসংখ্যা বিষয়াৰ দ্বাৰা এখন "চাৰ ডিভিজনেল এগ্ৰিকালচাৰেল ষ্টেটিষ্টিকেল কমিটি" পাতি দিয়া হয় আৰু তেওঁলোকে তথ্যসমূহ পৰীক্ষা নীৰিক্ষা কৰি তাক হিচাব পৰিসংখ্যা সঞ্চালকালয়লৈ পঠায়। তাত ৰাজ্যিক পৰ্য্যায়ৰ কমিটিয়ে পৰীক্ষা কৰি অনুমোদন কৰাৰ পিচতহে এই হিচাব দিয়া হয়।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মোৰ যিটো প্ৰশ্ন উত্তৰ প্ৰকৃততে সেইটো হোৱা নাই। এই হিচাব যি হেক্টৰ হিচাবত দেখুৱা হয় তাত নদী আৰু বিল আদিও সাঙুৰি হিচাব দিয়া হয় নেকি ?

শ্ৰীলক্ষ্মী প্ৰসাদ হাজৰিকা [উপ.মন্ত্ৰী] :— এই হিচাবত নদী আৰু বিলক সাঙোৰাৰ প্ৰশ্ন নুঠে।

শ্ৰীমথুৰা ডেকা ঃ— আমৰ ফিৰোৰ কৃষি বিষয়া বা অন্যান্য বিষয়া আছে সেই সকলক কোনোদিনে গাৱঁলৈ যোৱা দেখা নাই। গাঁওকে এই হিচাব কেনেকৈ দিয়া ?

শ্ৰীলক্ষী প্ৰসাদ হাজৰীকা (উপমন্ত্ৰী) ঃ— তেওঁলোক নোযোৱাকৈ হিচাব কেনেকৈ দিব ? নিশ্চয় যাব লাগিব।

শ্ৰীমথুৰা ডেকা ঃ— তেনে বিষয়া গাওঁলৈ যোৱা কোনোদিন মোৰ চকুত পৰা নাই।

শ্ৰীলক্ষী প্ৰসাদ হাজৰীকা (উপমন্ত্ৰী) ঃ— তেনেকুৱা যদি নিৰ্দ্দিষ্ট অভিযোগ আছে সেইটো দেখুৱাই দিলে তাৰ বিহিত ব্যৱস্থা লোৱা হব।

বিঃ হাইলাকান্দি ফায়াৰ চাৰ্ভিচ ষ্টেচন।

শ্ৰীপূৰ্ণ বড়োয়ে সুধিছে ঃ—

১২৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক] হাইলাকান্দি ফায়াৰ চাৰ্ভিচ ষ্টেচনটো চহৰৰ মধ্য স্থানৰ পৰা স্থানান্তৰিত কৰি চহৰৰ এমূৰলৈ নিয়া হৈছে নেকি ?

খ) যদি হৈছে, স্থান পৰিবৰ্ত্তনৰ কাৰণ কি ?

গ) এই কথা সচানে যে পূৰ্ব্বে ফায়াৰ চাৰ্ভিচ ষ্টেচনটো যি ঘৰত আছিল সেই ঘৰৰ মালিকে বিগত ৭ বছৰৰ ঘৰৰ ভাড়া পাবলৈ বাকী আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) যে উত্তৰ দিছে ঃ—

১১৬। (ক]—হয়, নিয়া হৈছে।

খ)—হয় যিটো ঘৰত চাৰ ফায়াৰ ষ্টেচনৰ কাৰ্য্যালয় পতা হৈছিল সেই ঘৰৰ মালিকজন ১৯৭৭ চনৰ ফেব্রুৱাৰী মাহত মৃত্যু হোৱাৰ পিছৰ পৰা ঘৰটোৰ কোনো মেৰামতি নকৰাত চাল-বেৰ বিলাক ওৱলি যোৱাত তাৰপৰা এটা উপযুক্ত ঘৰলৈ স্থানান্তৰ কৰা হয়।

গ) হয়।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ প্ৰসঙ্গত কৈছে যে সেই ঘৰটোৰ ভাড়া ৭ বছৰে বাকী আছে। যদি এইদৰে ঘৰৰ ভাড়া ৭ বছৰে বাকী থাকিব লগা হয় তেনেহলে ঘৰৰ মালিকে সেই ঘৰ কেনেকৈ মেৰামতি কৰিব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ইয়াত দুটা কথা আছে। প্ৰথম কথা হল সেই ঘৰটো চৰকাৰে লোৱাৰ পিছত ১৯৭৭ চনত ঘৰৰ মালিকৰ মৃত্যু হয়। মালিকৰ মৃত্যুৰ পিছত সেই টকা কাক দিব এই সম্পৰ্কত পৰিয়ালৰ মাজত এটা সিদ্ধান্তলৈ অহাত অলপ পলম হল আৰু ঘৰ ভড়াৰ সেই টকা খিনিৰ হিচাব নিকাচ কৰাটো কিছু পলম হয়। তাৰ পিচত পাৰাৰ অব এটৰ্ণিদিয়া হল তেওঁৰ লৰা মঃ আব্দুল খালেক তস্কৰক। কিন্তু এইদৰে এগ্ৰিমেণ্ট কৰাৰ পিছতেই তেওঁলোকে আকৌ আপত্তি দৰ্শালে যে সেই টকাখিনিৰ দুজনৰ নামত ভগাই দিব লাগে। গতিকে এটা অংশ মাক আমিনা বেগমৰ নামত দিয়াৰ কথা উঠিল। এই গোটেই কামখিনি শেষ কৰিব পৰা গল ১৯৮১ চনত। গতিকে এই আটাইখিনি কাম শেষ কৰি আৰু কিমান টকা তেওঁলোকক দিব লাগিব সেই হিচাব উলিয়াবলৈ ইতিমধ্যে গড়কাপ্তানি বিভাগৰ এজন ইঞ্জীনিয়াৰক দায়িত্ব দিয়া হৈছে আৰু সেই কাম অতি সোনকালে শেষ হব।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয় ১৯৮১ চনতে এই কাম শেষ কৰা হল, গতিকে এতিয়া সেই পৰিয়ালটোক টকাখিনি সোনকালে দিয়াৰ বিহিত ব্যৱস্থা হাতত লবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, কামটো ইতি-মধ্যেই শেষ হৈছে আৰু টকাটো সোনকালেই দিয়া হব।

বিঃ সমবায় বিভাগৰ পৰিদৰ্শক

শ্ৰীমথুৰা ডেকাই সুধিছে :—

*১২৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) সমবায় বিভাগৰ পৰিদৰ্শক সকলৰ মাজত জ্যেষ্ঠ আৰু কনিষ্ঠ ভেদা-ভেদ ৰখাৰ প্ৰয়োজন কি জানাবনে ?

খ) জ্যেষ্ঠ আৰু কণিষ্ঠ ভেদাভেদ নেৰাখি চামিল কৰণ কৰাত কি অসুবিধা হয় জনাবনে ?

গ) সমবায় বিভাগৰ বাকীজাই বিষয়া আৰু লিকুইডেটৰ পদবী দুটি গেজেটেত কৰা কৰাৰ কিবা অপত্তি আছেনে ?

শ্ৰী তিলক গগৈ (সমবায় বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :—

১২৭। (ক)— কামৰ দায়িত্ব আৰু প্ৰশাসনীয় সুবিধাৰ বাবে জ্যেষ্ঠ আৰু কণিষ্ঠ এই দুই স্তৰৰ পৰিদৰ্শক সমবায় বিভাগত ৰখা হৈছে।

খ)—ইয়াত অসুবিধাৰ প্ৰশ্ন নুঠে। জ্যেষ্ঠ আৰু কাণষ্ঠ পৰিদৰ্শকৰ দুটা

স্তৰত প্ৰশাসনীয় প্ৰয়োজন আৰু কামৰ গুৰুত্ব অনুযায়ী বিভিন্ন ধৰণৰ। সমবায় সমিতি সমূহৰ পৰিদৰ্শকৰ লগতে হিচাব পৰীক্ষাৰ কামৰ বাবে বিষয়া ৰখা হৈছে।

গ)—সমবায় বিভাগৰ বৰ্ত্তমান প্ৰশাসনীয় ব্যৱস্থা, ক্ষমতা বিকেন্দ্ৰীকৰণ ইত্যাদি কথা পৰ্য্যালোচনা কৰি প্ৰশাসনীয় ব্যৱস্থা সংস্কাৰ কৰিবলৈ বিচৰ এটা প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে। আৰু উক্ত প্ৰস্তাৱটো উল্লেখিত বাকীজাই বিষয়াৰ কথাও সামৰি লোৱা হৈছে।

লিকুডেটৰ পদবী ৰাজপত্ৰিত কৰাৰ কথা চৰকাৰে বিবেচনা কৰা নাই।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, একেটা বিভাগতে কনিষ্ঠ আৰু জেষ্ঠ এই দুয়ো বিধৰ সমবায় বিভাগৰ পৰিদৰ্শক সকলকৰ মাজত প্ৰাৰ্থক্য ৰখটো আমি নিবিছাৰো, মাননীয় মন্ত্ৰী মহোদয়েও এই দুয়োটা একে কৰাৰ কথা বিবেচনা কৰিছেনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, অভিজ্ঞতা আৰু কামৰ দায়িত্ব অনুসাৰে প্ৰমোচন আদি কৰি প্ৰশাসনীয় সুবিধা বিলাকৰ কাৰণেই এই থাপ বিলাকৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা যি বুজিলো অকল প্ৰমোচন আদি দিয়াৰ সুবিধাৰ কাৰণেই এই দৰে কনিষ্ঠ আৰু জেষ্ঠ দুটা ভাগত এই পৰিদৰ্শক সকলক ভগোৱা হৈছে। তাৰ বাহিৰে আৰু আন কথা নাছিলেনেকি ? কিন্তু যি সকল 'লিকুইডেটৰ' আৰু বাকীজাই অফিচাৰ সকলৰ দায়িত্ব অসীম। সেই কাৰণে এই সকল বিষয়াক গেজেটেড কৰাৰ কাৰণে কিবা ব্যৱস্থাৰ কথা মাননীয় মন্ত্ৰী মহোদয়ে বিবেচনা কৰিছেনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, লিকুইডেটৰ

সকলৰ কথাটো বিবেচিত হৈছে কিন্তু বাকীজাই সকলক কথাটো বিবেচিত হোৱা নাই।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, এই যি সকল বাকীজাই বিষয়া আছে সেইসকলৰ কোবোক আদি দিয়াৰ ক্ষমতা আছে। কিন্তু এওলোক ৰাজ পত্ৰিত বিষয়া নোহোৱাৰ কাৰণে কিছুমান ৰাস্তৱ অসুবিধা আছে। সেইবিলাক অসুবিধালৈ লক্ষ্যৰাখি তেওঁলোককো ৰাজ-পত্ৰিত বিষয়াৰ মৰ্য্যাদা দিয়াৰ ব্যৱস্থা মাননীয় মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, কিছুমান অসুবিধা আছে যদিও সমবায় বিভাগৰ 'বাই ল'ত যি বিলাক অসুবিধা আছে তেওঁলোক তাৰ বাহিৰলৈ যাব নোৱাৰে।

বিঃ শ্ৰীবিফয়া ওৰাংক দিয়া মাটি

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :—

*১২৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে –

ক) ১৯৭৬ চনৰ ২৩ জুন তাৰিখে কামৰূপ জিলাৰ উপায়ুক্তই ডিমৰীয়া মৌজাৰ উলনী গাঁৱৰ শ্ৰীবিফয়া ওৰাং নামৰ লোক এজনক উক্ত গাঁৱৰ ৩৬৬ নং দাগৰ ১ বিঘা ৪ কঠা ১৭ লোচা মাটিৰ অৰণ্টনৰ প্ৰমাণ পত্ৰ এখন দিছিল নে ?

খ) যদি দিছিল এই মাটি শ্ৰীবিফায়া ওৰাংক চমজাই দিয়া হৈছিল নে ?

গ) যদি হোৱা নাই, কিয় ?

শ্ৰীকেশৱ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

১২৮ (ক)—হয়।

খ)—দখল চমজাই দিয়া হোৱা নাছিল।

গ)—পূৰ্বতে, শ্ৰীবিফয়া ওৰাংক চিলিং অধিগ্ৰহীত মাটিত আৱণ্টনৰ প্ৰমাণ পত্ৰ দিয়া হৈছিল যদিও সংশ্লিষ্ট চিলিং গোছৰৰ প্ৰবিবৰণকাৰীয়ে অধিগ্ৰহণ কৰা মাটি নিজ স্বাৰ্থত ৰাখিবৰ বাবে জনোৱা আবেদন বিবেচনা ক্ৰমে পূৰ্বৰ অধিগ্ৰহণৰ হুকুম সলনি কৰি প্ৰবিলৰণকাৰীক সেই মাটি ঘূৰাই দিয়াত শ্ৰীবিফয়া ওৰাংক আবণ্টন প্ৰমাণ পত্ৰ দিয়া মাটিৰ দখল চমজাই দিব পৰা নহ'ল।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, তাৰ মানে এইটোৱেই বুজা গল যে, মাটিৰ মালিকে মাটি আকৌ লৈ গল, কেতিয়া এইটো কৰা হল মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাটি দিয়া হৈছিল ১৯৭৬ চনত। চিলিং আইনৰ মতে এটা নিয়ম আছে। সেই নিয়ম মতে মাটিৰ মালিকে অধিগ্ৰহীত মাটিৰ ৰেফাৰেন্স নিজৰ খুচিমতে কৰিব পাৰে। যদিও 'চাৰ্টিফিকেত' দিয়া হৈছে তথাপিও সেই মাটি নিজেই ৰাখিব বুলি দৰ্খাস্ত দিয়ে। ১৯৭৯ চনত ডেপুটি কামিশ্যনাৰে মানি লোৱাৰ কাৰণে দখল চমজাই দিব পৰা নগল।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, এই মানুহ জনক ১৯৭৬ চনতে ১ বিঘা 8 কঠা ১৭ লোচা মাটিৰ আৱণ্টমৰ প্ৰমাণ পত্ৰ দিয়া হৈছিল। এই মানুহ জনক মাটি দিবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, দিবৰ কাৰণে

নির্দ্দেশ দিয়া হৈছে।

## RE: S. P. BARPETA DISTRICT

Shri Danes Ali, asked :—

*115 Will the Chief Minister be pleased to State :—

a) Is it a fact that uptil now full financial and other powers have not yet been given to the S. P. of Barpeta District ?

b] Is it a fact that due to nonconferring of powers to the S. P. of Barpeta bistrict he cannot exercise his power for recruiting new personnels and other staff required for the purpose to maintain full control over the District ?

Shri Hiteswar Saika, (Chief Minister) replied :—

113: (a)—No. is not a fact. He will exercise all powers of District Superintendent of Police.

b)—Necessary powers have been conferred on the S. P.

Shri Danes Ali :— Whether the S. P. has the power to transfer ?

Shri Hiteswar Saikia (Chief Minister) :— Transfer

is a matter which relates to us. In Police Department there are stages up to which S.P. can transfer, and sometime, if Government desires, it can remove that power. At the moment S P has the power of posting up to A.S. I

Shri Danes Ali — Whether there is any provision for Police Reserve there ?

Shir Hiteswar Saikia (Chief Minister) :— It is a newly created district on 1st July, 1983. It is proposed to create Reserve in every District.

Mr. Speaker :— Now Mr. Gogoi will make some correction to the supplementaries of Starred Question Nos: 79 and 80

Shri Tilok Gogoi (Minister) :— Sir, with your permission I want to make a small correction of my replies in the supplementaries to the Starred Question Nos. 79 and 80 which came up on 14. 9. 83 in the House.

Starred Qusetion No. 79.

In the supplementaries, Hon'ble member Shri Md.

Umaruddin asked :— Whether Deputy Registrar, Co-operative of the District can transfer the Co-operative of the District can transfer the Cadre management Secr-

etary and whether he has control over the Secretaries :

My reply was :— "Yes, Deputy Secretary, who is also an appointing authority, has such control.

Now correct reply will be :— Cadre Secretary can be transferred by Deputy Registrar of Co-operative Societies who is working as the Chief Executive offiecer of the Cadre mangement Society on deputation and Cadre Secretaries are under his full control.

তৰাচিহ্নিত প্ৰশ্ন ৮০ ৰ পৰিপূৰক প্ৰশ্ন :—

মাননীয় সদস্য শ্ৰীহেমেন দাসে পৰিপূৰক প্ৰশ্ন কৰে :— ষ্টেটফেডৰ এড্‌হক কমিটি কোন চনৰ পৰা চলি আছে ?

মোৰ উত্তৰ আছিল :— ১০।৯।৭৯ তাৰিখে শেষ সাধাৰণ সভা হৈছিল। তাৰ পাছত আৰু হোৱা নাই।

শুদ্ধ উত্তৰ :— ষ্টেটফেডত ১৯৭৫ চনত অৰ্থাৎ আৰম্ভণিৰ পৰাই তদৰ্থ পৰিচালক মণ্ডলী আছে। ৩০।১০।৭৬, ২৮।৯।৭৭ আৰু ২০।২।৭৯ তাৰিখে বছেৰেকীয়া সাধাৰণ সভা বহিছিল, কিন্তু যিহেতু চৰকাৰে ষ্টেটফেড উপবিধিৰ ২৯ (ii) বিধি অনুসৰি তদৰ্থ পৰিচালক মণ্ডলী গঠন কৰি বছৰে বছৰে ম্যাদ বৃদ্ধি কৰি আছে সেই বাবে পৰিচালক মণ্ডলী নিৰ্ব্বাচিত নহল।"

## Matter Uuder Rule 301

Mr. Speaker :— Now Item No.2 - Mr. Sirajuddin. He is absent.

Now item No.3 - Shri patir.

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ :— মাননীয় অধ্যক্ষ মহোদয়, ৫ চেপ্তেম্বৰৰ 'আসাম ট্ৰিবিউন' কাকতত

Shri Benoy kumar Basumatari :— On a point of order Sir. The method of raising the matter is not correct.

Mr. Speaker :— The Hon'ble member has to read it out.

* Shri Durgeswar Patir :— Sir. I raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the Assam Tirbue dated 5th September, 1983 under the caption "Arrest of agitation leaders condemned.

এই শিৰোনামাৰে এটা বাতৰি পৰিবেশিত হৈছিল যে, অসমত এনেধৰণে পুলিচি আতিশয্য চলি থাকিলে আন্দোলন কাৰী সকলে আমাৰ ৰাজনৈতিক নেতাসকলক, বিধায়ক সকলক আৰু তেওঁলোকৰ মতে অসম বিৰোধী চৰকাৰী কৰ্ম্মচাৰী সকলক গ্ৰেপ্তাৰ কৰাৰ কথা আন্দোলন কৰি সকলে ঘোষণা কৰিছে যদিও বাস্তৱত কি হৈছে সেইটো আমাৰ মাননীয় সদস্য সকলে ইতিমধ্যে দেখিছেই। যোৱা ১ চেপ্তেম্বৰত শ্ৰীলক্ষীদাসক আৰু নগাৱত শ্ৰীসতীশ বুঢ়াগোহাইক নিৰ্ম্মম ভাৱে হত্যা কৰা হল। সেইদৰে যোৱা ১৭ তাৰিখে লক্ষীমপুৰত যুৱক কংগ্ৰেছৰ দুজন সদস্যক চাৰে পাছ মান বজাত নিৰ্ম্মম ভাৱে হত্যা কৰা হয়। সেইদৰে ঢকুৱা-

থানাতো চুটিয়া নামৰ এজনক গুৰুত্বৰ ভাৱে প্ৰহাৰ কৰি চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত থাকিব লগীয়া কৰিলে। সেইদৰে শ্ৰীমোহন ভৰালীকো পিছফালৰ পৰা শিল গুটি দলিয়াই আক্ৰমণ কৰে।

এইবিলাক যদি এতিয়াও চলি থাকে আৰু ঢকুৱাখানাৰ পুলিচে যদি এই মিচক্ৰিয়েণ্ট সকলৰ কোনো ৰকমৰ ব্যৱস্থা নলয় তেনেহলে গোলমাল চলি থাকিব। মোহন ভৰালীয়ে লৰা বিলাকক চিনি পাই বুলি কৈছিল কিন্তু মিলামৰ আউট পষ্টত জনোৱা পিছতো কোনো ব্যৱস্থা লোৱা হোৱা নাই। এতিয়া মাত্ৰ এৰেষ্টৰ কাম চলি থকাই নহয় লগতে হত্যাকাণ্ডৰ কাম আৰম্ভ হৈছে। বন্ধৰ দিনত চৰকাৰী কৰ্মচাৰী অফিচলৈ আহিব নোৱাৰা হৈছে। যোৱা ২৯।৩০ তাৰিখৰ পৰা বহুতো হত্যাকাণ্ডৰ কাম এতিয়াও চলি আছে। এই চৰকাৰী কৰ্ম্মচাৰী, ৰাজনৈতিক কৰ্ম্মী যিসকল আছে তেওঁলোকৰ অসুবিধা হৈছে। তেওঁলোকৰ কোনো নিৰাপত্তাৰ ব্যৱস্থা হোৱা নাই। গতিকে নিৰাপত্তাৰ ব্যৱস্থা নহলে ৰাইজৰ কি অৱস্থা হব পাৰে এইটো মাননীয় সদস্য সকলে উপলব্ধি কৰিব। আমি চৰকাৰৰ পৰা চৰকাৰী কৰ্ম্মচাৰী, ৰাজনৈতিক কৰ্ম্মচাৰী সকলোৰে নিৰপত্তা বিচাৰি আশ্বাস বিচাৰিছো নহলে এই ৰাজ্যত অৰাজকতা, হত্যালীলা চলি থাকিব।

* শ্ৰীহিতেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসম ট্ৰিবিউন 'বাতৰি কাকত ১৯৮৩ চনৰ ৫ চেপ্তেম্বৰৰ তাৰিখৰ শিৰোনমা' এৰেষ্ট অৱ এজিটেশ্যন লিদাৰ কনদেমন, বাতৰিৰ সম্পৰ্কত মই এটা কথা কব বিচাৰিছো যে, ২৭ আগষ্ট তাৰিখে শ্ৰীবিৰাজ শৰ্ম্মাক এন, এচ, এ, ত এৰেষ্ট কৰা হৈছে কাৰণ তেওঁলোকৰ ফৌজে মণিপুৰৰ কিছুমান উগ্ৰপন্থীৰ লগত সহযোগ কৰি অস্ত্ৰ-শস্ত্ৰ গোটোৱাত সন্দেহ কৰা হৈছে।

দ্বিতিয়তে ১৯৮৩ চনৰ ২৮ আগষ্ট তাৰিখে পলাশবাৰীৰ পুলিচে শ্ৰীপ্ৰদীপ তালুকদাৰ, হিৰেন কলিতা, জামিনুদ্দিন আহমেদক ২৯ ৩০ তাৰিখৰ অসম বন্ধ সংক্ৰান্তত আটক কৰা হয়। ১৯৮৩ চনৰ ৩ চেপ্তেম্বৰৰ তাৰিখে

আন ৪ জন লোকক জালুকবাৰীৰ পুলিচে গ্ৰেপ্তাৰ কৰিছিল। সেইকেইজন হৈছে শ্ৰীসতীশ তালুকদাৰ, শংকৰ দাস, মুকলীধৰ ডেকা, ভৰত নৰহ। এইজন গুৱাহাটী বিশ্ববিদ্যালৰ আছিল। ২৬ আগষ্ট তাৰিখে ডুমডুমাৰ পুলিচে ৰাজ বৰুৱা, অতুল কোচ, মনি বৰুৱা, প্ৰকাশ দত্ত, আৰু দিগন্ত শইকীয়াক আৰু বীৰেন ডেকাক আটক কৰিছিল। কিন্তু ২৩ আগষ্ট তাৰিখে ডিগবৈৰ পুলিচে শ্ৰীদিগন্ত শইকীয়াক, দেৱ জিত বৰুৱ, গুনিন গগৈ; ক আটক কৰিছিল কাৰণ তেওঁলোকে দিগবৈৰ কলেজ সোমাই প্ৰফেচাৰ শ্ৰীমহেশ্বৰ বৰ্ম্মনক এচাণ্ট কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাতৰি কাকত ওলাইছে। এনেধৰণৰ কু-কাৰ্য্য কৰি থকা সকলকহে এৰেষ্ট কৰা হৈছে। গতিকে এই বিবৃত্তি অতি দুৰ্ভাগ্যজনক। গতিকে মাননীয় সদস্যসকলৰ কথা মতেই ব্যৱস্থা লবৰ বাবে চেষ্টা কৰিছো। আজি যি সকল লোকে আইন শৃংখলা ভংগ কৰি নগাজেন্দ মণিপুৰ আদি ঠাইৰ উগ্ৰপন্থী সকলৰ লগলাগি বোমা বাৰুদ গোটাই অসমৰ হত্যাকান্দ সংঘটিত কৰিছে সেই সকলক গ্ৰেপ্তাৰ কৰা কথাটোক বাতৰি কাকতে পুলিচৰ আতিশৰ্য্য বুলি কৈছে। ১৯৮১-৮৩ চনৰ বছৰ দুটাক ৩ হাজাৰৰো অধিক লোক হত্যা কৰা হৈছে। আৰু এই সংক্ৰান্তত পুলিচ বিভাগে ১৬ হাজাৰৰো বেচি কেচ ৰেজিষ্টাৰ কৰিছে। হত্যাকাণ্ড, ঘৰ জলোৱা, লুট পাত, চুৰি আৰু ডকাইটিৰ ক্ষেত্ৰত ১৬ হাজাৰৰো অধিক কেচ ৰেজিষ্টাৰ হৈছে বিশেষ বিশেষ মানুহৰ অভিযোগৰ ওপৰত। এতিয়া এইবিলাক কেচৰ তদন্তৰ কাম আৰম্ভ কৰা হৈছে। এই দুটা বছৰত আৰক্ষী বিভাগে আইন শৃংখলা, শান্তি ৰক্ষাৰ কাৰণে প্ৰচেষ্টাত থাকোতেই গ'ল। এই ১৬ হাজাৰ কেচৰ তদন্তৰ কাম আৰম্ভ কৰাত বিভিন্ন ঠাইত লোক গ্ৰেপ্তাৰ কৰিব লাগিব। হত্যাকাণ্ডৰ অভিযোগ বোমা মৰাৰ অভিযোগ, বন্দ মৰাৰ অভিযোগ, আদি বহুতো অভিযোগ সেইলোক সকলক বিৰুদ্ধে আছে আৰু এইটো সত্য প্ৰমানিত হৈছে আৰু সেই সকলৰ ওপৰত গ্ৰেপ্তাৰৰ পৰোৱানা হৈছে।

কিন্তু এইবিলাক কথা পুলিচৰ আতিশৰ্য্য বুলি বাতৰি কাকত চুখনেও প্ৰকাশ কৰে। আনহতে আমাৰ ভিতৰৰে বহুতৰ লৰা ছোৱালী আজি স্কুল বা কলেজলৈ যাব নোৱাৰে মাৰপিট কৰে আজি সেই সত্য কথা বিলাক ইগনৰ কৰি বাতৰি কাকতে প্ৰকাশ নকৰে অৰ্থাৎ যিবিলাক অহিংস, সত্য সেইবিলাক প্ৰকাশ নকৰে আৰু দোষী স্যাবস্ত কৰি গ্ৰেপ্তাৰ কৰিবলৈ নোযোৱা কথাবিলাক প্ৰকাশ কৰে আৰু পুলিচৰ আতিশৰ্য্য বুলি অভিহিত কৰে। মই নিজেও লক্ষিমপুৰলৈ গৈছো, তাত ৫টা হত্যাকান্দ হৈছে উগ্ৰপন্থীৰ লোক সকলে তাত এতিয়াও নানা ধৰণৰ কাম কৰি আছে। এই লোক সকলক দৃঢ় ভাবে দমন কৰা হব আৰু এই চৰকাৰে কঠোৰ হাতে দৃঢ়ভাবে দমন কৰি উপযুক্ত শাস্তি দিব।

শ্ৰীহেমেন দাস :— শ্ৰীযুত তাতী ডাঙৰীয়াই ঘিলামৰা থানাত পুলিচৰ নিস্ক্ৰিয়তাৰ কথা কৈছে তেনেকুৱা উদাহৰণ বহুত আছে। সিদিনা মই কৈছোৱেই যে নলবাৰী থানাৰ তদন্ত কৰিবলৈ শ্ৰীপদ্ম গায়নে মৃত পৰিয়ালৰ লোকক বেয়া ব্যৱহাৰ কৰিছে। এনেকুৱা থানাৰ নিস্ক্ৰিয়তাৰ সম্পৰ্কত কিবা ব্যৱস্থা লবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া :— এইবিলাকৰ ব্যৱস্থা কৰা হব। মই কালি শুনি আহিছো যে লক্ষীমপুৰত হত্যা কৰা তুলুমনি ফুকন আৰু আৰু পুষ্পেন্দ্ৰ ফুকনৰ মৃত্যুৰ খবৰ দিবলৈ যোৱাত এজন পুলিচ কনিষ্টবলে কৈছিল যে 'এতিয়া মজা পাইছ'। মই সেই পুলিচ কনিষ্টবলজনক চাচ-পেণ্ড কৰাই নহয় এৰেষ্ট কৰি লকআপত থবলৈ কৈছো।

Shri Benoy kumar Basumatari :— Sir, is the hon. Chief Minister aware that because our Party participated in the last General Election our boys and P. T. C. A.

workers are branded as dacoits, and during the lats holiday on account of Biswakarma Puja some tribal girls were sought to be kidnapped for immoral purposes. To protect them against such act, Rabha and Bodo Kachari boys of Tangla tried to contain the tribal girls from witnessing cinema shows and the pujas at night ; but one Shri Abul Laige S. I. of Tangla Police out port had arrested our boys and severely beaten them. Sir, I have got medical reports with me. This officer is trying to create commuual tension between the Muslims and the Tribals around Tangla. Will the Hon. Chief Minister look into this matter ?

শ্ৰীমহম্মদ আলি :— মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে যি বিলাক হত্যা কাণ্ডৰ জৰিত লোক সেইসকলৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা হব। মই জানিব বিচাৰিছো যে যি বিলাকে সংবাদ পত্ৰ আৰু যি.বলাক অনুষ্ঠান ইয়াৰ লগত জৰিত থাকে সেই বিলাকৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া :— সংবাদ পত্ৰব স্বাধীনতাৰ ওপৰত আমি হাত নিদিওঁ। প্ৰেছ কানচিলৰ কিছুমান গাইড লাইন আছে। সেই গাইড লাইন ভায়লেট কৰি যদি কোনোবাই কিবা কাম কৰে তেতিয়াহলে তেওঁলোকৰ ওপৰত নিশ্চয় ব্যৱস্থা লোৱা হব। অনুস্থানৰ যি সকল সদস্য এনেধৰণৰ ঘটনাৰ লগত জৰিত থাকে তেওঁলোকৰ ওপৰতো নিশ্চয় ব্যৱস্থা লোৱা হব।

শ্ৰীগেমেন দাস :— ১৯৮২ চনত জনতা কাৰফিউ ভংগ কৰাৰ অপৰাধত আমাৰ দলৰ ১০৫ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। এইবাৰো যোৱা ২৯.৩০ তাৰিখে অসম বন্ধ হওতে শ্ৰীবিনোদ কলিতা নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। এই সকলৰ ওপৰত ব্যৱস্থা লোৱা হবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— আমি দন্ত সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— যোৱা ৰবিবাৰে ৰাতি গুৱাহাটীৰ এজন কাউনচিলৰৰ ঘৰত ১১,৪৫ মিঃত বম্ব দিলে। এনে ধৰণৰ ঘটনা এতিয়াও চলি আছে। অকল সেই জন কাউনচিলৰৰ ঘৰতেই নহয় আৰু যে কোনোৱা কাউনচিলৰৰ ঘৰত বম্ব নিদিব তাৰ মানে নাই। গতিকে এনে ক্ষেত্ৰত কিবা কঢ়া নিৰ্দ্দেশ দিব নোৱাৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— এনে কুৱা নিৰ্দ্দেশ দিয়া হৈছে আৰু দিয়া হব।

শ্ৰীলেখন লাহন :— এই পবিত্ৰ সদন চলি থকা অৱস্থাতেই লক্ষীমপুৰ নগৰত ৫ টা হত্যাকাণ্ড সংঘটিত হৈছে। যোৱা ১৮ তাৰিখে দুজন যুৱক কংগ্ৰেছ কৰ্ম্মিক হত্যা কৰা হৈছে। যোৱা ১৪ তাৰিখে চিলনিবাৰী অঞ্চলত দুজন সখ্যালঘু সম্প্ৰদায়ৰ লোক মাছ মাৰিবলৈ যাওতে হত্যা কৰা হৈছে। এই সকলৰ মৃত্যু হৈছে দা, যাঠী আদিৰ অস্ত্ৰৰ আঘাটত। আৰু এই হত্যাকাণ্ড বিলাকত যিবিলাক লোক জড়িত আছে সেই সকলে যোৱা ২৯।৩০ তাৰিখৰ বন্ধৰ সময়ত চৰকাৰী কৰ্ম্মচাৰীক আফচলৈ যোৱাত বাধা দিছিল, যি সকলে বন্ধৰ বিৰোধিতা কৰিছিল ৰাজনৈতিক নেতাই হওক বা অন্যই হওক সকলোৰে ওপৰত অত্যাৰ

চলাইছে। এনে ধৰণৰ ঘটনাৰ কথা শ্ৰীবৰ্গৰাম দেউৰী ডাঙৰীয়াই উত্থাপন কৰিছে। এই ধৰণৰ আচু আৰু গনসংগ্ৰাম পৰিষদৰ কৰ্মী সকলৰ ওপৰত কি ব্যৱস্থা লোৱা হব ? এই সম্পৰ্কত মুখ্যমন্ত্ৰী মহোদয়ক এটা বিবৃত্তি ডাঙি ধৰিবলৈ অনুৰোধ কৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া :— বিবৃত্তি দিয়াৰ কথা নাই। কাৰণ কথা থিনি কৈছোৱেই। এই বিলাকৰ সম্পৰ্কত মই কঠোৰ ব্যৱস্থা লবলৈ কৈছো।

## Laying of Rules

Mr. Speaker :— Now Item No. 4 - Shri Tilok Gogoi.

Shri Tilok Gogoi :— Sir, I beg to lay the Assam Rural Indebtness Relief (Amendment) Rules, 1977.

Mr. Speaker :— Next item No. 5 - Shri Tilok Gggoi.

Shri Tilok Gogoi (Minister) :— Sir, I beg to lay the Assam Money Lenders Rules, 1976.

Mr. Speaker :— Item No. 6 - Shri Tilok Gogoi.

Shri Tilok Gogoi :— Sir, I beg to lay the Assam Agricultural Credit Operation and Miscellaneous Provisions (Banks) Rules, 1978.

Mr Speaker :— Now Item No. 7 Shri Devanad konwar.

Shri Devanand konwar (Chairman, Committee on Public Undertakings) :— Mr. Speaker, sir, I beg to present the 12th Report of the Committee on Public Undertaking in the Hugust Hous as required.

## Government Bill

Mr. Speaker :— Item No. 8, Shri Ranendra Narayan Basumatari.

Shri Benoy Kumar Basumatari :— Sir, as a protest against this and in support of the demand, for a separate State, we now walk out.

[PTCA Members walked out of the Home]

* শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মই সেই দিনাও আৰম্ভ কৰিছিলো আৰু আজিও সেই প্ৰসঙ্গতেই দৃষ্টাৰমান কৰলৈ ওলালো কেনেকৈ আমাৰ জনজাতীয় লোক সকল মাটিহীন হৈ পৰিল। মই ১৯৬৭ চনৰ সোণাপুৰৰ চেনামুৰ নামৰ গাও এখনলৈ গৈছিলো সেই-খন মিকিৰ মানুহৰ গাওঁ আছিল। সেই গাওঁখন অতি পুৰণি গাওঁ। আৰু সেই গাওঁখনত সাধাৰণতে মিকিৰ মানুহে বসবাস কৰে। এই

* Speecb not Correced

মিকিৰ লোক সকল অসমৰ পুৰণি অধিবাসী আৰু এওঁলোক জনজাতীয়-লোকৰ মাজত পৰে বুলি আমি জানো। তাৰে চিন হিচাবে মই দেখিবলৈ পাইছিলো কিছুমান শিলৰ স্তম্ভ। এই শিলৰ স্তম্ভবোৰ ৰখা হয় তেওঁলোকৰ সামাজিক নীতি অনুসৰি যেতিয়া তেওঁলোকৰ কোনোবা মানুহ মৰে। ইয়াৰ পৰা আমি বুজিব পাৰো যে সেই গাওঁখন মিকিৰ মানুহৰ গাওঁ আৰু সেই মাটিবোৰ তেওঁলোকৰ। কিন্তু অনুসন্ধান কৰি জানিব পাৰিলো যে সেই মাটিবোৰ তেওঁলোকৰ নহয়। সোণাপুৰ চাহ বাগিচাৰহে। আপোনালোকে শুনি আচৰিত হব যে এইবোৰ মাটিত মানুহ বহি থকা স্বত্বেও তেওঁলোকৰ নামত পট্টন নহৈ মাটিৰ পট্টন পালে চাহ বাগানেহে সেই চাহ বাগানৰ পৰা পুৰাত ১২ মোনকৈ ধান দিয়াৰ বন্দোবস্ত কৰি এই ৰায়ত সকলে খাই আছে। এনে ধৰণৰ ঘটণা গুৱাহাটীৰ ওচৰে পাজৰেও আছে। এই প্ৰক্ৰিয়াত আমি কথা লক্ষ্য কৰিব লাগিব যে স্বাধীনতা আন্দোলনৰ সময়ত এই কৃষক সকলেো সাৰি লোৱা হৈছিল আৰু এই কৃষক সকলেই হয়তো স্বাধীনতা আন্দোলনত আটাইতকৈ বেছি ত্যাগ স্বীকাৰ কৰিছিল। কিন্তু ১৯৪৭ চনত আমি যি স্বাধীনতা পালো সেই স্বাধীনতা প্ৰকৃততে ক্ষমতাৰ হস্তান্তৰহে মাথোন। এই স্বাধীনতাৰ পিচত আমি দেখিবলৈ পাইছো যে যিবিলাক ব্যক্তিয়ে স্বাধীনতা আন্দোলনৰ বিৰোধিতা কৰিছিল বা নিৰপেক্ষ হৈ আছিল তেওঁলোকে স্বাধীনতা পোৱাৰ পিচত ৰাতিৰ ভিতৰতেই কংগ্ৰেছী হৈ পৰিল। এওঁলোকৰ বেছিভাগ মানুহকেই যদি আপোনালোকে চাবলৈ যায় তেওঁলোকে বৃটিছৰ দিনত বৃটিছৰ হৈ দালালি কৰিছিল আকৌ স্বাধীনতাৰ পিচত কংগ্ৰেছৰ ভক্ত হৈ পৰিল। তাৰ ফলতস্বৰূপে আকৌ আহিল আমাৰ দেশত জনজাতীয় লোক সকলৰ স্বত এটা ৰক্ষাৰ প্ৰশ্ন। এইটো অৱশ্যে এটা প্ৰয়োজনীয় প্ৰশ্ন।

স্বাধীনতাৰ পিছত আমাৰ কংগ্ৰেছী চৰকাৰে সৰ্ব্বসাধাৰণ ৰাইজক ৰক্ষণাবেক্ষণৰ দায়িত্ব লব বুলি প্ৰতিশ্ৰুতি দিছিল। সেই মতেই অসম খনৰ জনজাতীয় অধ্যুষিত অঞ্চলবোৰত ট্ৰাইবেল বেল্ট আৰু ট্ৰাইবেল ব্লক কৰিলে। অতি সুন্দৰ কথা। শুনিলে বৰ ভয় লাগে কিন্তু আমি যদি এতিয়া জনজাতীয় অঞ্চলত ট্ৰাইবেল বেল্ট আৰু ব্লক চাবলৈ যাও তাক অনুবীক্ষণ যন্ত্ৰেৰেহে চাব লাগিব। আমাৰ আইন আছে যে ট্ৰাইবেল বেল্ট আৰু ব্লকত জনজাতীয় মানুহৰ বাদে আৰু লোক বহিব নোৱাৰিব। কিন্তু এই আইন কিমানদূৰ সফল কাম হৈছে সেই কথা আমাৰ জনজাতীয় লোক সকল আৰু চৰকাৰেহে বুজিব। দেশ স্বাধীন হোৱাৰ পিচত আজি ৩৬ বছৰে কংগ্ৰেছ চৰকাৰে এই দুখীয়া নিৰ্য্যাতিত লোক সকলৰ কাৰণে, তেওলোকৰ অস্তিত্ব ৰক্ষাৰ কাৰণে যিটো প্ৰতিজ্ঞা কৰিছিল সেই প্ৰতিজ্ঞা ৰক্ষাৰ কাৰণে কি কৰিলে?

স্বাধীনতা লাভ কৰাৰ পিচতেই আমাৰ দেশলৈ নতুন নতুন বেহা-বেপাৰ আহিল। এই বেহাবেপাৰবোৰ গাও অঞ্চলত অতি লাভ জনক হয়। সেই বেহাবেপাৰবোৰ হৈছে টকা ধাৰে দিয়া বেপাৰ। টকা ধাৰে দি ৰাইজক সকাহ দিয়াৰ বেপাৰ। কিন্তু এই টকা এনেয়ে দিয়েনে? এনেয়ে নিদিয়ে সুদতহে দিয়ে। আপোনালোক আজিও গাওলৈ যাওক এই বেপাৰী বোৰে ১০০ টকা ধাৰে দিয়ে আহিন-কাতি মাহত। ইয়াৰ সুদৰ বাবদ আঘোণ মাহত ৫ মোন ধান বেপাৰীক দিবলগীয়া হয়। কিন্তু ৫ মোন ধান দিয়াৰ পিচতো মূলৰ ১০০ টকা ৰৈয়েই যায়। গতিকে এই ব্যৱস্থাৰেই ট্ৰাইবেল লোক সকল উপকৃত হৈ আহিছে। আৰু আমাৰ চৰকাৰে তেওঁলোকক ৰক্ষণাবেক্ষণ দি আছে। তেনে এজন বন্ধু আজি মই লগ পাইছিলো। তেখেতেও তেনে বেপাৰকে কৰে। আগৰ চিনাকী লোক কাৰণে মই তেওক সুধিছিলো আজি

কালি বেপাৰ কেনে চলিছে ? টকাৰ সুদ কিমান ? তেখেতে কলে যে আজকালি ১০০ টকাত মাহে ১০ টকাকৈ সুদ চলিছে। তাৰ মানে ১ বছৰত ১০০ টকাৰ সুদ হয় ১২০ টকা। যি সকলে শতকৰা ১০ টকা সুদত ধন পায় তেওঁলোক ভাগ্যবান খেতিয়ক। কিয়নো টকা ধাৰে দিয়াৰ দৰে ধানৰ কাৰণেও টকা ধাৰে দিয়া লোক আছে। ধানৰ ক্ষেত্ৰত আহিন মাহত তেওঁলোকে টকা দিয়ে মোনে ৩০ টকাকৈ। কিন্তু আজি মুকাল বজাৰত ধানৰ মোনে ৭০-৮০ টকা। গতিকে এই খেতিয়ক সকলে মোনে ৭০-৮০ টকাৰ ধান খিনি মাত্ৰ ৩০ টকাতে দিবলৈ বাধ্য হৈছে। এনে ধৰণে নিৰ্ম্মম শোষণ আজি ৩৬ বছৰে চাই থকা হৈছে। অকল চাই থকাই নহয় উৎসাহো যোগোৱা হৈছে। আজি কি আমাৰ চৰকাৰৰ হাতত অস্ত্ৰ নাই ? ট্ৰাইবেল বেল্ট আৰু ব্লকৰ কাৰণে আইন কৰা হৈছে কিন্তু তাক কামত লগোৱা হোৱা নাই। গতিকে এই আইন-বোৰ থকা স্বত্তেও কেনেকৈ ট্ৰাইবেল ব্লকত অন্য মানুহে মাটিৰ পট্টন পালে যি সকল বিষয়াৰ কাৰণে এইবোৰ হবলৈ পাইছে তেখেত সকলৰ ওপৰত যথোচিত শাস্তিৰ ব্যৱস্থা কৰা হোৱা নাই কিয় ?

মই অলপতে এখন ট্ৰাইবেল গাওঁলৈ গৈছিলো। তাত গৈ গম পালো যে মণ্ডলে জনজাতীয় লোক সকলৰ মাজত সাহাৰ্য্যৰ বাবে ৩০ টকাকৈ প্ৰত্যেক পৰিয়ালৰ মাজতে দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু এই ৩০ টকাকৈ দিয়াৰ ক্ষেত্ৰটো এক বিৰাট ৰহস্য সোমাই আছে। মণ্ডলে জনজাতীয় লোক সকলৰ কৈছে যে যিহেতু এই টকা মই আনিছো গতিকে ইয়াৰে ১৫ টকা মোৰ আৰু বাকী ১৫ টকা তোমালোকে পাবা। আৰু এনেকৈ টকা দিয়া হৈ গল। এই বিষয়ে মই তত্তাতৈয়াকৈ উপায়ুক্তৰ ওচৰলৈ গলে কিহৰ টকা দিছে খবৰ কৰিবলৈ। তেওঁৰ আগতো এই ঘটনাৰ সবিশেষ কোৱা হল। কিন্তু তেওঁ আচৰিত হৈ

কলে যে এনে ধৰণে কোনো টকা দিয়া হোৱা নাই। তেওঁক মই সুধিলো এই টকাবোৰ এম. এন. পিৰ নেকি ? পিছত তেওঁ এই বিষয়টো তদন্ত কৰিবলৈ মান্তি হল। কিন্তু মই জনাত আমাৰ ৰাজহ মন্ত্ৰীৰ হাতত এই বোৰৰ হিচাব নিকাচ আছে যে এম. এন. পিৰ নিয়ম অনু- সৰি প্ৰত্যেক পৰিয়ালকে আধা বিঘাকৈ মাটি আৰু টকাকৈ সাহায্য দিয়া হয়। কিন্তু এই টকাটো অসমৰ এজনো লোকে ঠিকমতে পোৱা নাই। এনে ঘটনাৰ খবৰ পোৱাৰ লগে লগে জড়িত বিষয়াৰ বিৰুদ্ধে কঠোৰ শাস্তি লোৱা উচিত। চাৰ, এই খাবলৈ নোপোৱা মানুহ বিলাকৰো আবেগ অনুভূতি আছে। খাবলৈ নোপোৱা সকলৰ বাবে মাইজা উপত্যকাত দেখিলো গিৰিয়েক মৰিছে ঘৈণীয়েকৰ খাবলৈ নাই। প্ৰদৰ্শ মগ্য মানুহ ভাত অহা দেখিলো। তাৰ পিছত দেখিলো একাঠীত আঠিটা জন ৪।৫ জন মানুহে একেলগে খাইছে। কাৰণ তেওঁলোকৰ তোকাতু আৰু বস্তু খাবলৈ তেওঁলোকৰ একোৱেই নাই। ট্ৰাইবেলী মানুহক সুধিলো মিটিংলৈ কিয় যোৱা নাই ? কলে যে চোলা নাই। কেৱল এখন গামোচাহে আছে। এনে অৱস্থা কোনে কৰিলে। যদি কোৱা হয় অসমীয়াই কৰিলে, কেশব গগৈ, হিতেশ্বৰ শইকীয়া, হেমেন দাসে কৰিছে ভুল কৰা হব। এই যোৱা ৩৫।৩৬ বছৰে স্বাধীনতাৰ আগৰ পৰাই এই শোষণ ব্যৱস্থা চলি আছে। নিজৰ দেশতেই আজি এই ট্ৰাইবেল সকল ভগনীয়া হৈ ঘূৰি ফুৰিছে। গোৱালপাৰাৰ ট্ৰাইবেল গৈ চিলাং পথাৰ, দোটমা, বাঘমাৰা ইত্যাদি ঠাইত ঘূৰি ফুৰিছে। বৃটিচ যুগতে এই শোষণ আৰম্ভ হৈছিল কিন্তু আজিলৈকে সেই শোষণৰ বিৰুদ্ধে আন্দোলন গাঢ় হুঠিল। এই শোষণৰ প্ৰক্ৰিয়া তেতিয়াৰ পৰাই চলি আছে। যদি তেতি- য়াৰ পৰাই এই শোষণৰ বিৰুদ্ধে আন্দোলন চলাই হেতেন তেতিয়াহলে আজি ট্ৰাইবেল সকলে অনাই বনাই ঘূৰি ফুৰিব নিজৰ ঠাইত শান্তিৰে বসবাস কৰিব

পাৰিলেহেতেন। আজি চীনত বিভিন্ন ঠাইত কিছুমান স্পেয়াৰ অৱ ইণ্টাৰেষ্ট ভগাই লৈছে। সেইটো কেৱল ব্যৱসায়িক ক্ষেত্ৰতহে। ধৰক এইখিনি ঠাই জাৰ্মানীৰ, সেইখিনি ঠাই আমেৰিকাৰ ইত্যাদি এইদৰে চলিছিল। ঠিক সেইদৰে ট্ৰাইবেল গাওঁবিলাকত অমুক মহাজনৰ সেই-খিনি ঠাই মৰাপাটৰ কাৰণে, এইখিনি ঠাই অমুক বেপাৰৰ কাৰণে ভাগ কৰি এৰিয়া ভগাই লৈছে। মৰাপাটৰ খেতিৰ সময়ত তেওঁলোকে পথাৰলৈ গৈও খেতিয়কক টকা ধাৰ দিয়ে, যেতিয়া মৰাপাটৰ দাম ৬০ টকা হয় তেতিয়া তেওঁলোকে ২৫ টকাত কিনি আনে। এইদৰে খেতিয়কৰ সমষ্ট উৎপাদন মহাজনৰ ঘৰলৈ আহে। অকল সেয়ে নহয় টকা ধাৰে দিয়াৰ পিচত তেওঁলোকে টকা পৰিশোধ কৰিব নোৱাৰা হয়। ফলত মাটিখিনিও তেওঁলোকে লিখাই লয় আৰু সৰ্ব্বচ্চ মাটি ট্ৰাইবেল সকলে হেৰুৱাব লগা হয়। এই প্ৰক্ৰিয়া ভৈয়ানক ভাবে চলি আছে। যদি এইশোসনৰ বিৰুদ্ধে আন্দোলনৰ ব্যৱস্থা নহয় ট্ৰাইবেল সকলক মুক্ত কৰা ব্যৱস্থা নহয় তেতিয়ালৈকে আইন প্ৰণয়ন কৰি ট্ৰাইবেল সকলৰ ন্যায় বিচাৰ কৰাটো সম্ভৱপৰ নহয়। অকল সেয়ে নহয় বেঙ্কৰ জৰিয়তেও কিছুমান চক্ৰই ষড়যন্ত্ৰ কৰি ট্ৰাইবেলক ঠগি আছে। বেঙ্কৰ জৰিয়তে পাৱাৰ টিলাৰ দিছে, ৪২ হাজাৰ টকা দি কিনিছে। কিন্তু তাৰ কোনো কামত অহা নাই। হাল বাব নোৱাৰি। ফলত তেওঁলোকে মাটিবাৰী এৰিবা বিক্ৰী কৰি শেষত তাৰ ধাৰ মাৰোতেই সকলো হেৰুৱাব লগীয়া হয়। তেতিয়া তেওঁলোকে কৈছিল যে মন্ত্ৰী ওচৰলৈ এই বিপদৰ পৰা ৰক্ষা পাৰিবৰ কাৰণে যাব লাগে। কিন্তু মন্ত্ৰীৰ ওচৰলৈ গৈ জানো কিবা লাভ হব। কিন্তু তথাপি যাব লাগিব। এইদৰে বেঙ্কৰ বিষয়াই দুষ্ট প্ৰকৃতিৰ মানুহৰ লগ লাগি কৃষক শ্ৰেণীক বঞ্চিত কৰি আছে। তাৰ পিচত আজিকালি নতুন নতুন কৌশল চলাইছে। কিছুমান ঠাইত দেখা গৈছে মহাজন বিলাকে খেতিয়কৰ বাৰি বিলাক কিনি লয়। এখন

তামোলবাৰী দেখিলো তাত ১০ হাজাৰ টকাতকৈও বেচি তামোলপান, নাৰিকলৰ উৎপাদন হৈছে। কিন্তু মহাজনে সেইবিলাক গছত লাগি থাকোতেই ১ হাজাৰ টকাতেই কিনি লয়। যদি এইবিলাক শোষণৰ বিৰোধীতা কৰা তেতিয়াহলে ট্ৰাইবেল সকলক ৰক্ষবাৰ কাৰণে আইন প্ৰণয়ন কৰি কি লাভ আছে। মহাজন বিলাকে এবছৰৰ ভিতৰতে ধনী হৈ যায়। কোকৰাজাৰতেই এনেকোৱাই চলি আছিল। এতিয়া কামৰূপৰ উত্তৰ পাৰতো এনেকুৱাৰ চলি আছে। পিচত আমি চেষ্টা কৰি সুতত দিম বুলি বাঢ়ি বিক্ৰী বন্ধ কৰাৰ কৰিলো। কিন্তু তাতো নহল। ট্ৰাই-বেল নেতাৰ জৰিয়তে সেইবিলাক ২ হাজাৰ টকাতহে কিনি ললে। গতিকে আজি ট্ৰাইবেলক অনা ট্ৰাইবেলে শোষণ কৰা নাই। ট্ৰাইবেলেও কৰিছে। পিচত সেই ট্ৰাইবেল জনেও নিজৰ ঠাই এৰি আন ঠাইলৈ যাবলগীয় হ'ল। আজি এইদৰে ট্ৰাইবেল সকলৰ আত বিপন্ন হৈ পৰিছে। ১৯৫০ চনতেই যদি তেওঁলোকৰ কাৰণে সচেতন হোৱা হল-হেতেন ট্ৰাইবেল বেল্ট ব্লক হলহেতেন তেতিয়াহলে ট্ৰাইবেলৰ মাটি অনা ট্ৰাইবেলৰ হাতলৈ নগলহেতেন। আজি চিলিং আইন হল ৩ খন। কিন্তু এতিয়াও গাওঁৰ পাচত ৰায়ত হৈ আছে। জমিদাৰি এতিয়াও চলি আছে। মাজে মাজে তেওঁলোকে ভাবুকি দি উচ্ছিদৰ ভয় দেখুৱাই আছে। কিন্তু এই আই জানো কাৰ্য্যকৰী হ'ল ? তাতোকৈ দুখলগা যে কৃষক সকলৰ উৎপাদিত ধান মহাজন সকলে অতি কম দামতেই কিনি লৈ গুচি যায়। কিন্তু আমি চেষ্টা কৰি ১৯৬৭ চনৰ পৰা ১ পুৰা ধানো নিবলৈ দিয়া নাই। এগৰাকী ভিৰোতাৰ নাম ওলাইছিল, তেওঁৰ নামটো হ'ল বিফয়া ওৰাং। চাহ বাগিছাৰ প্ৰাক্তন বনুৱা। আইন কৰি তেওঁক মাটি দিয়া হ'ল। আকৌ আইন কৰি তেওঁক মাটি থিনি কাঢ়িও আনিলে। সোণাপুৰৰ চাহ বাগিছাত কাম কৰে। মাজে মাজে কাম

মাজে মাজে নাপায়। ১৯৭৬ চনতেই মাটি দিছিল। কিন্তু এতিয়া পুনৰ ফিৰাই আনিলে। গুৱাহাটীৰ এটা পৰিয়ালৰ দেৱালয়ৰ নামে বহুত মাটি আছে তেওঁ এখন ট্ৰাক লৈ তাত বোজাই কৰি ধান লৈ আহে। কিন্তু পিচত গম পায় তেওঁক বাধা দিয়া হল। আৰু গাড়ী ফিৰাই আনিব লগীয়া হ'ল। কিন্তু তাতো ক্ষান্ত নহল। ট্ৰাইবেল মহাজন দ্বাৰা সেইকাম পুনৰ চলি থাকিল। কিন্তু ট্ৰাইবেল জন পিচত আন ঠাইলৈ গুচি গ'ল। এইদৰে ট্ৰাইবেলৰ স্বাৰ্থত সদায় আঘাট হনা হৈছে। এইদৰে আইন প্ৰণয়ন কৰি জানো কিবা লাভ আছে। আজি কি কাৰণে মাননীয় সদস্য শ্ৰীবসুমতাৰীয়ে উদয়াচলৰ দাবি কৰি সদন ত্যাগ কৰি বলগীয়া হ'ল। তেওঁৰ বক্তব্য হল প্ৰধানমন্ত্ৰীৰ লগত হেনো কিবা আলোচনা হৈছিল। কিন্তু আচৰিত কথা ওপৰত আলোচনা হল কিন্তু তলত কি কৰিলে? কিয় প্ৰধান মন্ত্ৰীয়ে তেওঁৰ দলবেই ৰাজ্যৰ নেতা সকলৰ লগত আলোচনা হবলৈ নিদিলে। ওপৰত আলোচনা কৰিছে কিন্তু ৰাজ্যৰ শাসনত থকা দলৰ লগত আলোচনা নহল নেকি? ফলত তেওঁ সদন ত্যাগ কৰিব লগা হ'ল। প্ৰধান মন্ত্ৰীয়ে ঐক্য বজাই ৰাখিবলৈ উৎসাহিত কৰিব লাগিছিল। বসুমতাৰীয়ে কৈছে যে তেওঁৰ যি আলোচনা হৈছিল তাৰ লগত বিলখনৰ কোনো মিল নাই। ওপৰত এটা তলত এটা। আজিও হাজাৰ হাজাৰ বাসিন্দা মাটিহীন হৈ পৰি আছে। কেৱল নেতা সকলে বানপানীৰ দিনত এক কেজী আটা দি পেলাই বাহ লৈছে। অকল ট্ৰাইবেললেই নহয় অসমীয়া মানুহেও মাটিহীন হৈ আছে। ৩০। ৩৫ বছৰে মোনসিঙ সকলেও ১ৰ এলেকাত বাস কৰিছে। তাত তেওঁলোকৰ মাটি নাই। কিছুমান মাতব্বৰৰ হাতত ৫শ। ৬শ বিঘা মাটি সোমাই আছে। কিন্তু যি পথাৰত নিজে খেতি কৰে। সেইসকলে চিৰদিনে গোলাম হৈ আছে। আজি সেয়েহে

শোষণৰ যি বিৰাট পাহাৰতো কৃষকৰ ওপৰত জাপি দিয়া হৈছে সেই পাহাৰ যদি ভেওঁলোকৰ মূৰৰ পৰা গুচাব নোৱাৰি তেতিয়াহলে আমাৰ এই দৰিদ্ৰ কৃষক শ্ৰেণী, ট্ৰাইবেল সকল টিকি থকাতো অসম্ভব। মহাজন সকলৰ শোষণ সদায়েই চলি থাকিব। এনেধৰণৰ শোষণ চলি থকাকৈ যদি আইন প্ৰণয়ন কৰি কোনোবাই ট্ৰাইবেলৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ বিচাৰিছে বুলি কয় তেতিয়াহলে মূৰ্খৰ স্বৰ্গত বাস কৰিছে বুলি কোৱা হব। আইন প্ৰণয়ন কৰি তাক প্ৰকৃত ভাৱে প্ৰযোজ্য কৰা হলে আজি যি দাবি উঠিছে সেই দাবি উঠিলেহেতেন। অকল ইয়াতেই নহয় ট্ৰাইবেল সকলে মাটিবাধী এৰি নিজৰ ঠাই এৰি অসমৰ বিভিন্ন ঠাইত বিয়পি পৰিছে। নগালেণ্ড সীমান্তত গৈ তেওঁলোকে খেদা খাই গুচি আহিবলগীয়া হৈছে কাৰি আংলংতো সেইটো হৈছে। গোৱালপাৰাত বৃটিছৰ সময়ৰ পৰা ট্ৰাইবেল সকলে মাটি নাপালে আৰু তেওঁলোকক স্বাধীনতা আন্দোলনৰ বৃটিচৰ বিপক্ষে জগাই দিয়া নহল। স্বাধীনতাৰ পৰবৰ্ত্তী কালত ট্ৰাইবেলৰ নামত মাটিৰ পট্টা নহল। ইয়াৰ বিৰুদ্ধে প্ৰচণ্ডআন্দোলনো নহল। গোৱালপাৰৰ দক্ষিণপাৰতো মাটিৰ বন্দোবস্তি হোৱা নাই। চৰকাৰে কৈছে বিজ্ঞশন সন্মত ভাবে খেতি কৰা হব। আমি বিৰোধীতা নকৰো। কিন্তু ট্ৰাইবেল সকলেও জানো ইয়াৰ সুযোগ সুবিধা লব পাৰিব?

উপাধ্যক্ষ মহোদয়, এক নম্বৰ কাৰণ হল মাটিৰ পট্টা নাই। যাৰ মাটিৰ পট্টা নাই তেওঁলোকেও খেতি কৰি আছে। খেতি কৰিবৰ কাৰণে দমকল আদিৰ ব্যৱস্থা নাই। এই দমকল আদি কিনিবৰ কাৰণে যিসকলৰ মাটি নাই সেই সকলকো টকা ধাৰলৈ দিছে। এই বিষয়ে চৰকাৰৰ এটা আইন কৰিব লাগে। আৰু কৃষক সকলক সুবিধা দিব লাগে। তেতিয়াহে কৃষকৰ উন্নতি হব। আজি পানী যোগানৰ কাৰণে ব্যৱস্থা

দিব পৰা নাই, কৃষি উন্নতিৰ কাৰণে যন্ত্ৰপাতি কিনিবৰ কাৰণে যন্ত্ৰপাতিৰ ব্যৱস্থা কৰি দিব পৰা নাই । এই যিবিলাক ভূমি সমস্যা আছে সেই সমস্যা বিলাক সমাধানৰ কাৰণে উঠি পৰি লাগিব লাগিব । চিলং আইনত যি ৫০ বিঘা হৈছে তাক কাৰ্য্যকৰী কৰিবলৈ চৰকাৰ উঠিপৰি লাগিব লাগিব । নিৰক্ষ ট্ৰাইবেল সকলে ফাকি দি মাটি ৰাখিব পৰা নাই । কিন্তু বুধ্বিয়ক মানুহৰ মাটি চিলিঙত যোৱা নাই । সেই কাৰণেহে কৈছো এই কেইটা আঁচনি আপোনালোকে সম্পুৰ্ণ কাৰ্য্যকৰী কৰিব লাগিব ।

এক নম্বৰ— চিলং আইন সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰিব লাগিব ।

দুই নম্বৰ—মহাজনৰ ঋনদান আঁচনি সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰিব লাগিব ।

তিনি নম্বৰ— ট্ৰাইবেল ব্লক বিলাকৰ ৰক্ষণাবেক্ষণৰ যি আইন আছে তাক সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰিব লাগিব । এই বিলাক আঁচনি কাৰ্য্যকাৰী কৰি যিখিনি নুন্যতম সুযোগ সুবিধা এই ট্ৰাইবেল জনসাধাৰণক দিব পাৰি সেইখিনি তেওঁলোকৰ মাজলৈ যোৱাৰ কাৰণে উৎসাহ যোগাব লাগিব । আপোনালোকে বহু ভাল ভাল বিল কৰিছো বুলি কয়, কিন্তু এইবিলাক কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত ট্ৰাইবেল সকলৰ কাৰণে কিবা কৰিব পাৰিছে নে— এই প্ৰশ্নই মই আপোনালোকক সুধিছো । আপোনালোকে যি শাসন ব্যৱস্থা মানি লৈ আন্তৰিকতাবিহীন ভাবে আৰু সদইচ্ছা নহোৱাকৈ কাম কৰিছে তাৰ দ্বাৰা ট্ৰাইবেল সকলৰ কল্যাণ কেতিয়াও সাধিব নোৱাৰে। ট্ৰাইবেলৰ কল্যাণ সাধাৰ সংগ্ৰাম হব লাগিব শোষণৰ বিৰুদ্ধে সংগ্ৰাম । যেতিয়ালৈকে সেই সংগ্ৰাম নহব তেতিয়ালৈকে আপোনালোকে ট্ৰাইবেল সকলৰ অন্য কোনো ৰাস্তাৰে কল্যাণ সাধন কৰিব নোৱাৰিব । গাৱেঁ-ভূইয়ে সেই সংগ্ৰাম কৰিব লাগিব । ১০০

টকাত ৫ মোন ধান দিয়াৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লাগিব । সৰ্ব্বোত-প্ৰকাৰে ট্ৰাইবেল সকলৰ স্বাৰ্থৰ ৰক্ষা কৰিব লাগিব । তেতিয়া ট্ৰাইবেল সকলে স্বকীয়া ৰাজ্য বিচাৰিব নেলাগিব । এইখিনি কৈ মই সামৰণি মাৰিছো ।

শ্ৰীমথুৰা ডেকা :— মাননীয় উপাধক্ষ্য মহোদয়, মই এটা গল্প কওঁ ।

মাননীয় উপাধক্ষ :— অলপ চুটিকৈ কওঁক ।

* শ্ৰীমথুৰা ডেকা :— উপাধক্ষ মহোদয়, মই দীঘলীয়া নকৰো, চুটি-কৈয়ে কম । গল্পটো হল- গোৰেশ্বৰ ডাক্তৰখানাৰ কথা । তাত এজন ডাক্তৰ আছে । এদিনাখন এজন ৰোগী তেখেতৰ ওচৰলৈ গল বেমাৰ দেখুৱাবৰ কাৰণে । ডাক্তৰজনে কলে— আপোনাৰ শৌচ পৰীক্ষা কৰিব লাগিব । অহাকালি শৌচ লৈ আহিবা । পিচদিনা ৰোগীজনে এটা টেকেলীত কিছু শৌচ লৈ ডাক্তৰৰ ওচৰ পালে । তেতিয়া ডাক্তৰজনে ১০ মিটাৰ মান আতৰত শৌচখিনি ৰাখি ৰোগীজনক এডাল মাৰিৰে তলওপৰ কৰিবলৈ দিলে । ডাক্তৰ জনে চশমাজোৰৰ ফাকেৰে এবাৰ তলকৈ এবাৰ ওপৰকৈ দূৰৰ পৰাই নিৰীক্ষণ কৰিলে । তাৰ পিচত ৰোগীজনক কলে মই আগতেই কৈছো তোমাৰ বেমাৰ নাই । এই ধৰণে আমাৰ ট্ৰাইবেল সকলৰ শোষণ কৰি আছে । গোৰেশ্বৰত এখন ডাক্তৰখানা আছে এই কথাটো সকলোৱে জানে । তাত ডাক্তৰ আছে নাৰ্চও আছে কিন্তু যন্ত্ৰপাতি আদিকে ধৰি তাত ঔষধ পাবলৈ নাই । গতিকে সেই ডাক্তৰখানা খনত চৰকাৰে মাইক্ৰোস্ক'প আদি যন্ত্ৰকে ধৰি ঔষধৰ ব্যৱস্থা কৰিব লাগে । চৰকাৰে এই ডাক্তৰখানাৰ প্ৰতি গুৰুত্ব দিব লাগে ।

আজি ৫ বছৰ আগৰ কথা । লাখটকীয়াত এজন পীৰে ৰোগীৰ

* Speech not Corrected

কাৰণে তাবিজ দিয়াৰ ব্যৱস্থা কৰিছিল । এই তাবিজ লবৰ কাৰণে গোবে- শ্বৰৰ পৰা আৰম্ভ কৰি হাজাৰ হাজাৰ মানুহ নানা ঠাইৰ পৰা আহি লাখ- টকীয়া পাপেহি । বহুতো মানুহে তাবিজ লৈ গল যেমাৰ ভাল হওঁক বুলি । এনেদৰে আজিৰ যুগতো এইখন ৰাজ্যত এনেকুৱা ঘটনা চলি আছে । এইদৰে নীৰক্ষৰ জনসাধাৰণক ভুৱা দিছে । জনজাতীয় লোক সকলক শোষণ কৰিব ধৰিছে । তেওঁলোকে সময়ত এইটো বন্ধ কৰাৰ কাৰণে চেষ্টা কৰা নাই আৰু যিবিলাকে চেষ্টা কৰিছে তেওঁলোকৰ প্ৰায় শতকৰা ৭৫ ভাগেই ভুঁৱা ।

গোবেশ্বৰত এখন হাইস্কুল আছে । সেই স্কুলত প্ৰায় বিলাকেই জনজাতীয় লোকৰ ছাত্ৰ বুলি কয় । সেই জনজাতীয় ছাত্ৰ সকলক চৰকাৰে বৃত্তি দিয়ে । কিন্তু এই বৃত্তিৰ টকা প্ৰায় অজনজাতীয় ছাত্ৰ সকলেহে লৈ আছে । চৰকাৰৰ পৰা যি বৃত্তিৰ টকা স্কুললৈ আহে তাক ৬ মাহে বছেৰেকত বিটান দিব লাগে । কিন্তু তেওঁলোকে এই- বিলাক বিটান নিদি আত্মসাৎ কৰে । এইদৰে আজি জনজাতীয় লোক সকলক শোষন কৰি আছে । তেওঁলোক প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে । এই সকলোবোৰ চৰকাৰে জানে । কিন্তু চৰকাৰে তাৰ এ - কুৰাৰী নকৰে । গতিকে ইয়াতো বিভাগীয় কৰ্ম্মচাৰী সকলৰ নিশ্চই ভাগ আছে । এইবিলাক অৱশ্যে সদনৰ বিৰোধী কথা । কিন্তু যিটো সত্য সেইটোহে মই কৈছো ।

১৯৪৮ চনৰ পৰা ১৯৫২ চনলৈকে এই চাৰি বছৰে মই বিভিন্ন জনজাতীয় গাওঁত গৈছিলো । সেই গাওঁবিলাকত কেইবা ৰাতিও কটাই দেখিছিলো যে জনজাতীয় লোকসকলে নানান দুখকষ্টৰ মাজেৰে জীৱন নিৰ্বাহ কৰিব ধৰিছে । এই জনজাতীয় লোক সকলৰ দুখ মোচন কৰিবৰ

কাৰণ চৰকাৰে ব্যৱস্থা হাতত লব লাগে। মোৰ আগতে আমাৰ মাননীয় শ্ৰী দাসে কৈ গৈছে যে এই ৩০ বা ৫০ লাখ জনজাতীয় মানুহৰ জীৱণৰ নিৰাপত্তা নাই, তেওঁলোকে উন্নতি কৰিব পৰা নাই, তেওঁলোকক চৰকাৰে কোনো সুবিধা কৰি দিব পৰা নাই। জনজাতীয় সকলৰ কাৰণে চৰকাৰে কিয় একো ব্যৱস্থা কৰিব নোৱাৰে?

আন এটা ব্যৱস্থাৰে ট্ৰাইবেলক গৰু কিনাৰ কাৰণে টকা দিয়া হল, কিছুমানে পালে আৰু কিছুমানে নেপালে। টকা দিয়াৰ যিটো ব্যৱস্থা সেইটো দেখি মানুহে কানত ধৰি উঠ বহ কৰি আৰু টকা নিবলৈ নাহো বুলি প্ৰতিজ্ঞা কৰি যায়। আমাৰ সদস্য বন্ধু হেমেন দাস ডাঙৰীয়াই কৈছেই। প্ৰকৃত কথা হল আমাৰ কিমান ট্ৰাইবেল মানুহ আৰু কিমান জনজাতীয় মানুহ আছে তাৰ এটা হিচাব থাকিব লাগে আৰু সেই ৩০ লক্ষ বা ৫০ লক্ষ মানুহক নিৰাপত্তা দিয়াৰ কাৰণে, শিক্ষা দিয়াৰ কাৰণে খেতি শালাৰ সুবিধা দিয়াৰ কাৰণে সুনিশ্চিত ব্যৱস্থা হব লাগে।

(সময়ৰ সংকেট)

উপাধ্যক্ষ মহোদয়, বিলৰ পিচত বিল অনা হল এতিয়াও ট্ৰাইবেল লেণ্ড বিল বুলি এখন বিল অনা হল এই বিলৰ একমাত্ৰ অৰ্থ হল অধিবাসী সকলক উচ্ছেদ কৰা। যি সকলে ইয়াত ঘৰ বাৰী বান্ধি বসবাস কৰি আছে সেই সকলক উচ্ছেদ কৰা আচলতে ইয়াত ৭ বিঘাৰ পৰা অধিক মাটি মানুহে নেপায়, তেনে স্থলতো ২০-২৫ বিঘা মাটিলৈ খেতি চলাই থকা মানুহো আছে।

মাননীয় উপাধ্যক্ষ :— আজিলৈ আপোনাৰ হব আৰু।

শ্ৰীমথুৰা ডেকা :— অলপমান আছে, মই কৈ যাওঁ। আমাৰ

যি সকল জনজাতীয় লোক আছে সেইসকলক মাটিৰ পট্টা দিয়া নাই

(এই বিষয়ে যথেষ্ঠ আলোচনা হৈ গল উপাধ্যক্ষই কয়)

এইখন বিলৰ ওপৰত হোৱা নাই। সেইকাৰণে মই কৈছোঁ। এই সকল লোকক ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে অকল কমিটি কৰি সুন্দৰ পৰ্দ্দাৰ তলত কমত বহি আলোচনা কৰিলেই প্ৰকৃত সমস্যাৰ সমাধান নহয়। উপাধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হব যে আমাৰ এই বেলতলা অঞ্চলতে য'ত আজি আমি আমাৰ অধিবেশন পাতিছোঁ তাতেই জনজাতীয় লোক সকলৰ ওপৰত ভৈয়াগক শোষণ চলিছে। ১৯৪৮ চনতেই আধিয়াৰ আইন কৰা হল। গুৱাহাটীৰ কেইজনমান মানুহে এই আইনৰ বিৰোদ্ধে আন্দোলন কৰিলে। হাবিৰাম ৰাভা আৰু বিহুৰাম ৰাভা নামৰ দুজন ট্ৰাইবেল মানুহক চৰকাৰৰ পুলিচে গুলিয়াই হত্যা কৰিলে।

(সময়ৰ সংকেট)

মোক কব দিলে ভাল হয়।

মাননীয় উপাধ্যক্ষ মহোদয় :— এতিয়া শ্ৰীবৰ্গৰাম দেউৰীয়ে কব।

* শ্ৰীবৰ্গৰাম দেউৰী :— উপাধ্যক্ষ মহোদয়, এই বিলখনৰ সম্পৰ্কত মই দুবাৰমান কব বিচাৰিছো। এই বিলখনৰ বিৰোদ্ধে মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই প্ৰতিবাদ জনাই আজি সদন ত্যাগ কৰিছে। এই সন্দৰ্ভত মই কিছুমান কথা কব খোজোঁ। ট্ৰাইবেল ডেভেলপমেণ্ট অথৰিটি বিলখন আজি সদনত উত্থাপন কৰা হৈছে। তেখেতে ট্ৰাইবেল কমিশ্যনৰ কথা কৈছে। অকল ট্ৰাইবেল মানুহখিনিয়েই নহয় সমাজৰ

* Speech not Corrected

আন শ্ৰেণীৰ লোকো সামাজিক ভাবে অৱহেলিত হৈছে। যি কাৰণে আজি সমাজৰ এক শ্ৰেণী লোক সামাজিক ভাবে দুৰ্দশাগ্ৰস্ত হৈছে সেই আচল আৰু প্ৰধান কথাটো আজি আমি পৰ্য্যালোচনা কৰি চাব লগা হৈছে। যিজন মহাপুৰুষে দুখী দৰিদ্ৰৰ কাৰণে হৰিজনৰ কাৰণে অপ্ৰাণ চেষ্টা কৰিছিল সেইজন লোক মহাত্মা গান্ধী হিন্দু আছিল, আৰু যিজন লোকে এই মহাপুৰুষ জনক হত্যা কৰিলে সেই জনো হিন্দুৱেই আছিল। কোনো মুছলমানে বা খৃষ্টানে হত্যা কৰা নাই। গতিকে আমি আজি সংকীৰ্ণতাৰ মাজেৰে চলিলে নহব কনজাৰভেটিজিম আৰু লিবাৰেলিজিম এনে সংঘাট বোৰ দূৰ কৰি দৰিদ্ৰ আৰু পিচপৰা সমাজখনৰ সকলো শ্ৰেণীৰ লোকক আগবঢ়াই নিয়াৰ ব্যৱস্থাহে কৰিব লাগে। যোৱা কেইবছৰত কংগ্ৰেছ শাসক দলে কিছু বৈষম্য দূৰ কৰিলে আৰু বহুখিনি কৃতকাৰ্য্যও হল আজি নানা ধৰণৰ সম্প্ৰতিৰ কথা উঠিছে। এসময়ত ইয়াৰ একমাত্ৰ পায়নিয়াৰ হিচাবে কাম কৰিছিল মহাত্মা গান্ধীয়ে এই কথা আজি গোটেই পৃথিৱীয়ে স্বীকাৰ কৰিছে। ঠিক তেনে ধৰণেৰে আজি জনজাতীয়ৰ মাজতো আজ লাহে লাহে উন্নতি নোহোৱা বুলি আমি কব নোৱাৰো। অকল জনজাতীয়ই কিয় সমাজৰ আন আন সম্প্ৰদায়ো অৰ্থনীতিত বহুখিনি পিচ পৰি আছে। অৱশ্যে তুলনামূলক ভাবে জন জাতীয়, সকল বেছি পিচপৰি আছে সেইকাৰণে উন্নয়নমূলক আচঁনিবিলাক লব লগা হৈছে আৰু চৰকাৰে লৈছেও জনজাতীৰ কাৰণে পহিলাতে সংবিধানত ১০ বছৰৰ কাৰণে যিটো ব্যৱস্থা ৰখা হল তাৰ পৰিপ্ৰেক্ষিতত অধ্যয়ণ কৰি দেখা গল যে সেই দহ বছৰৰ ভিতৰত যিমান পৰিমানে আশা কৰা হৈছিল সেই পৰিমানে বিভিন্ন প্লেন, চাব প্লেন লোৱা স্বত্তেও বহুক্ষেত্ৰত কাম হৈ নুঠিল। ট্ৰাইবেল ডেভেলপমেণ্ট অথৰিটি ইয়াত কোনো ৰাজনৈতিক দল নাই এই বিষয়ে প্ৰধান মন্ত্ৰীৰ লগত যি আলোচনা

কৰিছিল সেই কথাৰ উল্লেখ নাই যিখন বিল-কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰিছিল সেইখন বিলৰ ৰেকৰ্ড কোনো অফিচত নাই। জন জাতিৰ শোষণৰ কথা আজি বহুতে বহুত ৰকমে কৈছে। যিমান আচঁনি লৈছে সেইবোৰ কাৰ্য্যকৰী হোৱা নাই। ইয়াৰ মূল কাৰণ হৈছে যি সকল কৰ্ম্মচাৰী সেই সকলে নিষ্ঠাৰে কাম কৰাৰ চিন্তা কৰা নাই। অকল জনজাতীয় লোকৰ ক্ষেত্ৰতে নহয়। চৰকাৰে আচঁনি লৈছে আৰু বহু-ক্ষেত্ৰত কৃতকাৰ্য্যও হৈছে। গতিকে আমি এই গোটেই কথাখিনি আমি চাব লগা হৈছে। আজি বসুমতাৰী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো চাব লগা হৈছে। অসমৰ যদি বুৰঞ্জী বা ইতিহাস চাঁ তেন্তে দেখা যায় বুৰঞ্জীয়ে ঢুকি নেপোৱাৰ দিনৰে পৰা অসমৰ জনজাতীয় লোক আৰু আঁহোমে ছশ বছৰ আৰু চুতীয়াই তিনিশ বছৰ ৰাজত্ব কৰা দেখা পাওঁ

বৃটিচৰ সময়ৰ পৰা ব্ৰেইল চাহাব, গেইট চাহাব এই সকলো বিলাক বুৰঞ্জীকাৰৰ মতে সকলো ট্ৰাইবেল ষ্টেট আছিল। বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰে পৰা ট্ৰাইবেল যি সকল ৰজা আছিল সেই সকল ৰজাৰ পৰা লাহে লাহে বহুত পৰিবৰ্ত্তন হল সেইটো ঠিক কিন্তু এচ ত উদয়াচল বুলি এটুকুৰা দি টালি-টোপোলা বান্ধিবলৈ দিলে নহব ভাবিয়েই এই বিল সমৰ্থন জনাব খুজিছো। আমি চাব লাগিব অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক উন্নতি হবলৈ হলে বিষয়টোৰ ওপৰত চিন্তা কৰিব লাগিব। মনোযোগ দিব লাগিব ইয়াৰ কাৰণেই এই ডেভেলাপমেন্ট অথৰিটি বিলখন অনা হৈছে। স্বকীয়া ৰাজ্যৰ সংবিধান বুলি কলে ভুল ধাৰণা হব। তেনে ক্ষেত্ৰত সমৰ্থন দিব নোৱাৰো। উপাধ্যক্ষ মহোদয়, আন এটা কথা মাননীয় সদস্য দাসে ডাঙৰীয়া কৈছে, সেইটো হৈছে এক্সপ্লইটেশ্যনৰ কথা। বহুত উদাহৰণ আছে যদিও মই মাত্ৰ

সাধাৰণ এটা উদাহৰণ মোৰ বাস্তৱ অভিজ্ঞতাৰ পৰা দিব বিচাৰিছো। ১৯৭৪ চনত গহপুৰৰ ওঁগুৰি ৰিজাৰ্ভ বেদখলকৰা লোকসকলক উচ্ছেদ কৰা হৈছিল আৰু তেতিয়া চেচা নদীৰ পাৰে পাৰে একেবাৰে সাধাৰণ স্তৰৰ ঘৰ কৰি জনজাতীয় লোক সকল বহি আছিল। তিনি চাৰিশ ঘৰ মান মানুহ আছিল। আমি গৈ সোধ পোচ কৰিছিলো। ৰিজাৰ্ভ বেদখল কৰিলে বুলি সোধাত কৈছিল যে মাটিবাৰী নাই কাৰণেই ৰিজাৰ্ভ বেদখল কৰিছে তাৰ বাহিৰে উপায় নাই। ইয়াৰ আগত ক'ত আছিল সোধাত কৈছিল যে শোৱনশিৰীত আছিল কিন্তু পানীয়ে ভাঙিলে কাৰণে আ.হবলগীয়া হ'ল। তাৰ আগত ক'ত আছিল সোধাত কৈছিল যে গাভি ৰিজাৰ্ভ বেদখল কৰি আছিল আৰু উচ্ছেদ হৈছিল। তাৰ আগত ক'ত আছিল সুধিবলৈ বাধ্য হৈছিলো এই কাৰণেই যে জনজাতীয় লোক সকল যুগ যুগ ধৰি এই ভূপ্ৰদেশত বসবাস কৰি আহিছে। তেতিয়া তেওঁলোকে কৈছিল যে গোৱালপাৰা জিলাত আছিল আৰু তাৰ পৰা মাটিবাৰী বিক্ৰী কৰি উঠি আহিছিল আৰু বৰ্ত্তমান সৰ্ব্বস্বান্ত হৈছে। যি সকলে ৰিজাৰ্ভ বেদখল কৰি থাকে সেই সকলৰ কাৰণে উচ্ছেদ কৰাৰ পিচত ষ্টে অৰ্ডাৰ কৰাৰ কাৰণে এচাম লোক আছে। যি সকলে দামী দামী হোটেলত থাকে আৰু কোনোবা এম-এল-এ অথবা মন্ত্ৰীৰ ওচৰত গৈ মিলি কিছুদিনৰ কাৰণে ষ্টে অৰ্ডাৰ লৈ যায় আকৌ উচ্ছেদৰ হুকুম যায়। তেতিয়া আকৌ অহাযোৱা আদি কামৰ খৰচাৰ বাবে পইচা তোলাৰ ব্যৱস্থা চলায়। এনে ধৰণে এক্সপ্লইটেশ্বন চলি আছে। এই কামত ৰুলিং পাৰ্টিৰ মানুহ দেখা নাই কিন্তু যি সকলে ঘৰিয়ালৰ চকুপানী টোকে সেই সকলেই এনে ধৰণৰ এক্সইপ্লটেশ্বন কৰি আহিছে। এইবিলাক নিজৰ অভিজ্ঞতাৰ পৰা কৈছো। উন্নয়ণৰ কথা কয় বহুতে কিন্তু প্ৰকৃতাৰ্থত কেইজনে উন্নয়ণৰ কথা চিন্তা কৰিছে। ৰাজনৈতিক

স্বাৰ্থৰ কাৰণে বহুতে বহু ৰকমৰ কথা কয় কিন্তু আচঁনি বিলাক কি ধৰণে কাৰ্য্যকৰী কৰিব পৰা যায় কেনে ধৰণে সকলোৰে সহযোগীতাৰে আচঁনি বিলাক কৃতকাৰ্য্য কৰি তোলা হয় সেই চিন্তাধাৰাহে কৰিব লাগিব। ট্ৰাইবেলৰ অভাৱ অভিযোগ বিলাক, পিচপৰা অনগ্ৰসৰতাৰ কাৰণসমূহ ফঁহিয়াই অন্যান্য সা-সুবিধাসমূহ পাব পৰা কৰিব লাগিব। সংবিধানত পিচপৰা বুলি সৰ্ব্বতিকালৰ কাৰণে সা-সুবিধা আগবঢ়োৱা নাই। যেতিয়ালৈকে আন অগ্ৰসৰ সকলৰ সমান হব পৰা নাযায় তেতিয়ালৈকেহে তেনে সুবিধা সুকীয়াভাৱে ৰখাৰ দিহা আছে। হাতে কামে লাগি আগুৱাই আহিব নোৱাৰিলে মানুহ বুলি ভবিষ্যত জনসাধাৰণৰ ভবিষ্যত, অসমৰ ভবিষ্যত শুভ নহয় বুলি মই ভাবো। সেয়ে এই বিলখনৰ প্ৰতি সকলোৱেই সমৰ্থন দিয়া উচিত বুলি কৈ মোৰ সমৰ্থন জনাই বক্তৃতাৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ :— বিশেষ ভাৱে অনুৰোধ কৰা শ্ৰীচন্দ্ৰধৰ কলিতাই কব মাত্ৰ পাচ মিনিট ॥

শ্ৰীচন্দ্ৰধৰ কলিতা :— উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান ট্ৰাইবেল সকলৰ উন্নতিৰ কাৰণে অনা এই বিলখন আচলতে ট্ৰাইবেল সকলৰ উন্নতিৰ কাৰণে অনা বুলি কলেও মই মতামত দিব বিচাৰিছো যে ট্ৰাইবেল ভাইসকলৰ উন্নতিৰ কাৰণে নহয় ট্ৰাইবেল সকলক শোষণ কৰা আৰু ক্ষীপ্ৰ কৰাৰ কাৰণেহে এই ব্যৱস্থা কৰা হৈছে। ট্ৰাইবেল সকলৰ যদি সুকীয়া স্বায়ত্বশাসিত জিলা বা খণ্ড দিব বিচাৰিছে তেওঁলোকে যে ৰাজ্যিক ভাষা হিচাবে সহযোগী হিচাপে বড়ো ভাষাৰ দাবী কৰি আহিছে সেইটো বন্ধ ৰখাৰ কাৰণে নানা ৰকমে এই ধৰণৰ উন্নয়ন নামক পৰিকল্পনা তেওঁলোকৰ সমূখত দাঙি ধৰি তেওঁলোকৰ ওপৰত

চলাই থকা দীৰ্ঘদিনীয়া নিপীড়ণ শোষণৰ বিপৰীতে কৰা সংগ্ৰামৰ পৰা আতৰাই ৰখাৰ কাৰণে এই বিলখন অনা হৈছে। গতিকে মই বিলখনৰ বিৰোধীতা কৰিছো।

*শ্ৰীপূৰ্ণ বড়ো মাননীয় :- উপাধ্যক্ষ মহোদয়, আমি যিহেতু এই বিলৰ ওপৰত আমি সংশোধনী আনিছিলো গতিকে আমাৰ বক্তব্য আছে। উপাধ্যক্ষ মহোদয়, আজি অসমৰ মানচিত্ৰ আগৰদৰে থকা নাই। মানচিত্ৰখন আজি ভাগ হৈ যোৱাৰ কাৰণে সুদীৰ্ঘ ৩০ বছৰ কাল শাসনৰ গাদীত থকা দল তাৰ কাৰণে দায়ী, এই কথা আমি বাৰে বাৰে কম। এই বিলখনক প্ৰতিবাদ জনায় পিটিচিৰ মাননীয় সদস্য সকল সদনৰ বাহিৰ হৈছে। আমি এই কথাও জানো সুদীৰ্ঘ ৩৬ বছৰ কাল যি দলে শাসনৰ গাদীত আছিল দেশৰ জনসাধৰণক তেওঁলোকে ঐক্যবদ্ধ কৰি ৰাখিব নোৱাৰিলে। শাসনৰ সুবিধাৰ কাৰণেই মানুহক ভাগ ভাগ কৰি ৰাজনৈতিক স্বাৰ্থ পূৰণ কৰিছে। আজি সুদীৰ্ঘ ৩৬ বছৰ কাল স্বাধীনতাৰ পাছতো সদস্য সমাপ্ত বেছিভাগ মানুহেই অবহেলিত হৈ আছে। ট্ৰাইবেল সকলৰ ওপৰত আজি শোষণ চলিছে, কাৰণ ট্ৰাইবেল সকলৰ বেছিভাগেই নিৰক্ষৰ গতিকে সেই হিচাবে শোষণৰ মাত্ৰাও বেছি চলিছে,। কাজেই আজি ট্ৰাইবেল জনসাধাৰনৰ দুৰৱস্থাৰ সীমা নাই। আমি এই কথাও জানো আজি উচ্চবৰ্ণৰ মানুহৰ মাজতো বিভিন্ন জাতপাৰ নাম লৈ তেখেত সকলক বিভক্ত কৰা হৈছে আগতে কিন্তু এই ভাব নাছিল। আজি সমগ্ৰ দেশতে বিভিন্ন জাত পাতৰ নামলৈ বিভক্ত কৰিছে তেওঁলোকক ঐক্যবদ্ধ কৰাৰ প্ৰচেষ্টা এই দলৰ হাতত নাই। প্ৰমাণস্বৰূপে অসমৰ মানচিত্ৰ আগৰদৰে থকা নাই। ২০ বছৰ আগতে যি আছিল আজি সেইটো নাই। আজি চৰকাৰৰ এই দিশত সুচিন্তিত চিন্তা কৰাৰ প্ৰয়োজন হৈ পৰিছে কেনেকৈ

*Speech not Corrected

এই শোষণৰ পৰা এওঁলোকক মুক্ত কৰিব পৰা যায়। এই জনজাতিৰ ভাই সকলৰ ওপৰত নানাধৰণৰ অত্যাচাৰ উতপীড়ন চলাইছে। এই শোষণ মহাজন, কল কাৰখানা গোস্বামী খাজনা আদিৰ ফালৰ পৰা চলিছে। এইটো কেনেকৈ বোধ কৰা যায়, দেশৰ জনসাধাৰণক কেনেকৈ ঐক্যবদ্ধ কৰি ৰাখিব পৰা যায় এই বিষয়ে গভীৰ চিন্তা কৰাৰ প্ৰয়োজন হৈ পৰিছে। জনজাতিৰ শিক্ষাৰ ক্ষেত্ৰত আমি দেখিছো যে আজি যি বড়ো মাধ্যম সেই বড়ো মধ্যমো অসমীয়া স্কুলতে চলি আছে। এই বড়ো মাধ্যম অসমীয়া স্কুলবিলাকতে সমূহীয়াভাবে দি থকা হৈছে। শিক্ষক নিয়োগৰ কাৰণে কোনো চিন্তা কৰা হোৱা নাই। সিদিনাখন শিক্ষামন্ত্ৰী মহোদয়ে উত্তৰকালত কৈছিল যে টি এচ পি এৰিয়াৰ ভিতৰত ১৩০০ পোষ্টৰ ভিনিশ ৰখা হৈছে কিন্তু মন্ত্ৰী মহোদয়ে এই চিন্তা কৰা নাই যে টি এচ পি এৰিয়াৰ বাহিৰতো বড়ো মাধ্যম থাকিব পাৰে। গতিকে বড়ো মধ্যমৰ কাৰণে যে সুকীয়া শিক্ষকৰ ব্যৱস্থা থাকিব লাগে সেইটো চিন্তা কৰা নাই। ঠিক তেনেধৰনে বড়ো মাধ্যম হাই স্কুলতো আছে আৰু কলেজতো এম আই এল হিচাবে স্বীকাৰ কৰি লোৱা হৈছে, গুৱাহাটী বিশ্ববিদ্যালয়ে স্বীকৃতিও দিছে। কিন্তু আচৰিত কথা কলেজ সমূহত বড়ো ভাষাৰ কোনো শিক্ষক নাই। গতিকে আজি কলেজত বড়ো শিক্ষকৰ প্ৰয়োজন কাৰণ বড়ো ভাষা ডিগ্ৰী লেভেলত পঢ়াব লাগিব। অসমৰ কলেজ সমূহত আজি ইউজিচি নৰমচৰ শিক্ষক লাগে। অন্যান্য ৰাজ্যত দেখিছো এই নৰমচ ৰাজ্যিক ভাষাৰ কাৰণে কমাই দিছে কিন্তু অসমত আজিও প্ৰযোজ্য হোৱা নাই। কিন্তু অসমীয়া বা বঙালী ভাষাৰ নিচিনা বড়ো ভাষা সেই ষ্টেণ্ডৰ্ডত উঠা নাই গতিকে অসমীয়া বা বঙালী ভাষাৰ দৰে বড়োভাষাৰ নৰমচ, ৰাখিলে নহব। গতিকে এই জনজাতিৰ লোক সকলৰ উন্নয়নৰ কাৰণে কিছু কাম কৰিব লাগিব। তেওঁলোকৰ যিবিলাক ন্যায় সংগত দাবী সেই দাবীবিলাক মানি লব লাগিব। গতিকে

এই দাবীবিলাকক আমি উপেক্ষা কৰি অকল ট্ৰাইবেল দেভেলপমেণ্ট এথৰিটি তৈয়াৰ কৰি দিলেই জনসাধাৰণৰ উপকাৰ নহব। তেওঁলোকৰ ন্যায় সংগত দাবী মানি লবই লাগিব। আজি ট্ৰাইবেল সকলৰ কাৰণে ৰিজাৰ্ভেচনৰ ব্যৱস্থা কৰিছে কিন্তু সেই ৰিজাৰ্ভেচনো ঠিকমতে ৰক্ষা কৰাৰ হোৱা নাই। শতকৰা ১০ ভাগ সংৰক্ষণৰ যি ব্যৱস্থা আছে প্ৰমোচন বা নিয়োগৰ ক্ষেত্ৰত তাক ফলো কৰা হোৱা নাই। এনেকুৱা অভিযোগো পোৱা হৈছে যে ১৯৭১ চনৰ যি চেনচাচ হৈছিল সেই চেনচাচত ট্ৰাইবেলৰ জনসংখ্যা কমাই দেখুওৱা হৈছে। চৰকাৰে কিয় এই বিষয়ে নজৰ দিয়া নাই কব নোৱাৰে। ট্ৰাইবেলৰ জনসংখ্যা যদি কমাই দেখুওৱা হৈছে তেনেহলে ৰিজাৰ্ভেচনৰ ক্ষেত্ৰত যি প্ৰতিশ্ৰুতি দিছে তাক ৰক্ষা কৰা নাই তেওঁলোকৰ অভিযোগ থকাটো স্বাভাৱিক। গতিকে তেওঁলোকৰ আজি যি সমস্যা সেই সমস্যা আঁতৰ কৰিবৰ কাৰণে চৰকাৰে যঁত পৰোনাস্তিক চেষ্টা কৰিব লাগে, বড়ো সাহিত্য সভায়ো তেওঁলোকৰ শিক্ষাৰ খুটিনাতিৰ বিষয় চৰকাৰক জনাইছে। গতিকে চৰকাৰে তেওঁলোৰ লগতো আলোচনা কৰিব লাগে। তেওঁলোকৰ এটা দাবী আছিল যে বড়ো ভাই সকলৰ কাৰণে আকাশবানীৰ আধা ঘণ্টাৰ এটা প্ৰগ্ৰেম আছে সেইটো দুঘণ্টা কৰিব লাগে বুলি দাবী জনাইছে। ৰাজ্য চৰকাৰে হয়তো কব যে এইটো কেন্দ্ৰীয় চৰকাৰৰ কথা কিন্তু ৰাজ্য চৰকাৰে অন্ততঃ এই কথাটো কেন্দ্ৰীয় চৰকাৰক জনাব লাগে। দুঘণ্টা নোৱাৰিলেও এঘণ্টাটো কৰিব পাৰে। কাজেই এই কথাবিলাক আজি বিশ্লেষণ কৰি চোৱাৰ সময় হৈছে। কাৰণ ট্ৰাইবেল সকল অন্যান্য লোকৰ তুলনাত যথেষ্ট শোষিত হৈ আছে। অন্ততঃ গোটেইখিনি তেওঁলোকৰ দাবী পূৰণ কৰিব নোৱাৰিলেও কিছু কাম কৰিবই লাগিব। ভূমি সংস্কাৰ আদি নানা সমস্যা তেওঁলোকৰ আছে আৰু এই বিলাক বিষয়ে ইতিমধ্যে আমাৰ কমৰেদ হেমেন দাস ডাঙৰীয়াই কৈ গৈছে।

গতিকে এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker :— The House stands adjournment till 2-30 P.M.

* শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী :— মাননীয় অধ্যক্ষ মহোদয়, ট্ৰাইবেল ডেভেলপমেণ্ট অথৰিটি বিলৰ সম্পৰ্কত কেইবাজনো মাননীয় সদস্যই তেওঁলোকৰ ভাষণ প্ৰসঙ্গত জনজাতীয়লোক সকলৰ অৰ্থ-সামাজিক ক্ষেত্ৰত বৰ সোচনীয় ভাবে পিচপৰি আছে বুলি উল্লেখ কৰিছে। তেওঁলোকৰ এই প্ৰত্তিটো কথাকেই চৰকাৰ সচেতন আৰু সেই বিষয়ত মই তুৰাযাৰ কৰলৈ ওলাইছো। আমাৰ মাননীয় সদস্য সকলে জনজাতীয়লোক সকলৰ অৰ্থ সামাজিক ক্ষেত্ৰত যি উদ্বেগ প্ৰকাশ কৰি তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে মই তেখেত সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াৰ দীঘলীয়া ভাষণত যি বিলাক কথা কৈছে তাৰ ভিতৰত এটা হল যে- কেন্দ্ৰীয় চৰকাৰ আৰু পিটিচি দলৰ মাজত এটা বুজাবুজি হোৱাৰ কাৰণে আজি পিটিচিয়েৰ সদস্য বন্ধু সকলে ট্ৰাইবেল দেভেলপমেণ্ট অথৰিটি বিলখন তেনে ধৰণে নোহোৱাৰ কাৰণে সদন ত্যাগ কৰিছে। মই মাননীয় সদস্য সকলক জনাব খুজিছো যে কেন্দ্ৰীয় চৰকাৰৰ লগত পিটিচি দলৰ কোনো ৰকমৰ বুজাবুজিৰ কথা আমাৰ চৰকাৰে গম নেপায়। কাৰণ এইটো সকলোৰে জনা কথা যে জনজাতীয় লোক সকলৰ অৰ্থসামাজিক ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ বিশেষকৈ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে অতি উদ্বেগ প্ৰকাশ কৰিছে আৰু কেনেকৈ জনজাতীয় লোক সকল উন্নতি সাধিব পাৰি তাৰ কাৰণে কুৰি দফীয়া আচনিৰ অন্তৰ্গত ৭ দফা মতে লোৱা

*Speech not Corrected

ব্যৱস্থা অনুযায়ী জনজাতীয় লোক্ সকলৰ উন্নয়নৰ কাৰণে বিশেষ ব্যৱস্থা ৰাখিছে। আৰু সেই কাৰণেই ট্ৰাইবেল চাব প্লেনৰ মাজেদি জনজাতীয় লোকৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে যথোচিত টকা দিয়াৰ ব্যৱস্থা কৰিছে। এই কথা মই নিশ্চিত ভাবে কব পাৰো যে জনজাতীয় লোক সকলৰ অৰ্থ সামাজিক উন্নতিৰ কাৰণে আমাৰ চৰকাৰৰ যি একাগ্ৰতা সেই একাগ্ৰতা কেন্দ্ৰীয় চৰকাৰৰ বেছি বুলিহে অনুমান কৰিব পাৰি। কিন্তু পিটিচিৰ যি ৰাজনৈতিক দাবী সেই দাবীৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰ তথা প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধীয়ে তেওঁলোকক কি-আশ্বাস দিছে সেই কথাটো আমি নাজানো। তেওঁলোকে দিল্লীলৈ গৈ কেন্দ্ৰীয় চৰকাৰৰ লগত কি আলোচনা কৰে সেই বিষয়ে আমিও জানো কাৰণ অকল তেওঁলোকেই দিল্লীলৈ নেযায় আমিও যাও। কিন্তু তেওঁলোকে দিল্লীলৈ গৈছে কাকতে পত্ৰে কিছুমান বিবৃতি দিয়ে তেওঁলোকৰ দাবীৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ লগত বুজাবুজি হৈছে। কিন্তু এই বিষয় লৈ কেন্দ্ৰীয় চৰকাৰ তথা প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী দপ্তৰৰ লগতো আমি আলোচনা কৰিছো কেনেকৈ জনজাতীয় লোক সকলৰ অৰ্থ সামাজিক ক্ষেত্ৰত উন্নতি কৰিব পাৰি। গতিকে কেন্দ্ৰীয় চৰকাৰে পিটিচি দলক কিবা আশ্বাস দিয়া বাকি বা বুজাবুজিলৈ অহা এনে ধৰণৰ কথা কোনেদিনে হোৱা নাই। আনকি মই এই পবিত্ৰ সদনক জনাব খুজিছো যে ১৯৮১ চনত প্ৰধান মন্ত্ৰীৰ লগত মই জনজাতীয় লোক সকলৰ মাৰ্থ সামাজিক উন্নয়নৰ কাৰণে এখন বিলৰ সম্পৰ্কত আলোচনা কৰিছিলো। তেতিয়া তেওঁ এই বিষয়ত স্বাগতম জনাইছিলে। সেই প্ৰসঙ্গত মই পিটিচিয়ে যি ৬ষ্ঠ অনুচ্ছেদ মতে স্বাসিত্ব শাসিত অঞ্চলৰ দাবী কৰিছে সেই বিষয়েও আলোচনা কৰিছিলো। তেতিয়া প্ৰধান মন্ত্ৰীয়েয়ে উত্তৰ দিছিল, How can it be ? I cannot of agree to any kidn of all loheny. গতিকে আজি আমাৰ পিটিচিৰ সদস্য বন্ধু সকলে গৈ তেখেতৰ লগত কি আলো-

চনা কৰিছে আৰু কাগজে পত্ৰে কেনে ধৰণৰ বিবৃতি দিছে তেনে খবৰ আমাৰ চৰকাৰৰ হাতত নাই। গতিকে মই শ্ৰীদাস ডাঙৰীয়াক জনাব খোজো যে তেনে ধৰণৰ কোনো বুজাবুজি হোৱা নাই। কিন্তু জনজাতীয় লোক সকলৰ অৰ্থ সামাজি উন্নয়নৰ কাৰণে আজি এই ট্ৰাইবেল ডেভেল-পমেণ্ট অথৰিটি বিলখন সদনত দাঙি ধৰা হৈছে।

আন এটা কথা হৈছে যে এই জনজাতীয় লোক সকলৰ সোচনীয় অৱস্থাৰ কাৰণ সম্পৰ্কত কংগ্ৰেছ চৰকাৰ আৰু বৃটিছ চৰকাৰকে দায়ী কৰা হৈছে। ভাৰতবৰ্ষ এনে এখন দেশ যে স্বাধীনতা লাভ কৰাৰ পিচত অকল ট্ৰাইবেল সকলেই নহয় অনুন্নত সম্প্ৰদায়ৰ আন লোক সকলো পিচপৰা অৱস্থাত আছিল। কিন্তু আজি চৰকাৰে স্বাধীনতাৰ পিচত এই কথাটো অনুভৱ কৰিছে যে এই লোক সকলক কেনেকৈ ক্ষীপ্ৰ ভাবে উন্নয়নৰ ব্যৱস্থা কৰিব পাৰি। কাৰণ জনজাতীয়, অনুসুচিত আৰু অনু-ন্নত সম্প্ৰদায়ৰ লোকৰ বাদ দি আমি আমাৰ ৰাজ্যৰ উন্নতিৰ কথা চিন্তা কৰিব নোৱাৰো। সেই উদ্দেশ্যে তেওঁলোকৰ উন্নয়নৰ কাৰণে পবিত্ৰ সদনে সংবিধানৰ ২৭৫ নং অনুচ্ছেদটো গ্ৰহণ কৰিলে। সেই মতে জনজাতীয় অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীৰ পৰামৰ্শ মতে অসমত ট্ৰাইবেল চাব প্লেন কৰা হৈছে আৰু প্ৰকৃততে যদি ইয়াক ঠিক মতে কাৰ্য্য কৰি কৰিব পৰা হয় আৰু আমাৰ জনজাতীয় লোক সকলে সচেতনতা অৱলম্বন কৰে তেনেহলে আমাৰ পিচপৰি থকা লোক সকলক উন্নতি কৰাত সুবিধা হব। কিয়নো ট্ৰাইবেল চাব প্লেনৰ মাজেৰে আমাৰ অসমৰ যিমানবোৰ ট্ৰাইবেল অঞ্চল আছে অৰ্থাৎ য'ত শতকৰা ৫০ ভাগ জনজাতীয় অধ্যুষিত অঞ্চল আছে তেনেকুৱা অঞ্চলক সামৰি লৈ এই ট্ৰাইবেল চাব প্লেনৰ ব্যৱস্থা কৰা হৈছে। আৰু এই চাব প্লেনবোৰকে সামৰি ট্ৰাইবেল ডেভেলোপমেণ্ট অথৰিটিৰ

অঞ্চল হিচাবে অন্তর্ভুক্ত কৰা হব। গতিকে এই ট্ৰাইবেল চাব প্লেনে ৯১ হেজাৰ জনজাতীয় পৰিয়ালক ৬ষ্ঠ পৰিকল্পনাৰ ভিতৰত সম্পূৰ্ণ ভাবে তেওঁলোকক অৰ্থনৈতিক ক্ষেত্ৰত স্বাবলম্বী কৰাৰ কাৰণে যিটো ব্যৱস্থা কৰা হৈছে আৰু এই চাব প্লেনৰ মাজেদি তেওঁলোকৰ সাসুবিধাৰ কাৰণে পৰিয়াল পৰিচয় কাৰ্ডৰ ব্যৱস্থা কৰা হৈছে। অকল সেইটোৱেই নহয় ইয়াৰ যোগেদি আমাৰ ষ্টেট প্লেনৰ যিমান টকা দিয়া হৈছে তাৰে কমেও শতকৰা ১৫ ভাগ এই জনজাতীয় লোক সকলৰ উন্নতিৰ কাৰণে খৰচ কৰা হব। গতিকে এই টকাখিনি যদি আমি ঠিক মতে খৰচ কৰিব পাৰো তেনেহলে আমাৰ জনজাতীয় লোক সকলৰ যথেষ্ট উন্নতি সাধত হব।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় সদস্য সকলে যি বিলাক কথা উৎথাপন কৰিছে তাৰ উত্তৰ হিচাবে মই কব খোজো যে ট্ৰাইবেল সকলৰ অৱস্থা আজি স্বাধীনতাৰ আগৰ আৱৰ্জ্জিত অৱস্থা হৈ থকা নাই। আজি এইটো সকলোৱেই স্বীকাৰ কৰিব লাগিব যে, ভাৰত চৰকাৰৰ কিছুমান নীতিৰ কাৰণে ট্ৰাইবেল সকলৰ অৱস্থাৰ যথেষ্ঠ উন্নতি পৰিলক্ষিত হৈছে। লিখা পঢ়াৰ ক্ষেত্ৰত বিবৃত্তি আদি দিয়াৰ বেৱস্থা কৰিছে। অৰ্থনৈতিক ক্ষেত্ৰত আগুৱাই যোৱাৰ কাৰণে 'চাবচিদি ৰেটত 'পোৱাৰ টিলাৰ' আদি দিয়াৰ কাৰণেও গ্ৰহণ কৰা। কাৰ্য্যৰ বিষয়ে ভালেকেইজন মাননীয় সদস্যাই উল্লেখ কৰিছে। শতকৰা ৫০ ভাগ দিয়েই ট্ৰাইবেল সকলে লবপাৰে। কৰবাত হয়তো অলপ 'লেপছ' হব পাৰে, ট্ৰাইবেলৰ কাৰণে থকা বস্তু বিলাক যদি কোনোবাই অনাট্ৰাইবেলৰ হাতত বিক্ৰী কৰিছে তেতিয়াহলে, তেনেকুৱা বিলাক কথা ধৰা পৰিলে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে বিভাগৰ নিৰ্দ্দেশ দিয়া হৈছে। 'চাবচিদিৰ' মাধ্যেমেদি এনে এনে বিলাক বস্তু দিওঁতে যদি কোনোবাই সেই বিলাক বিক্ৰী কৰাৰ প্ৰমাণ হয় তেতিয়াহলে, সেই জন মানুহৰ

পৰা তাৰ সম্পূৰ্ণ টকা আদায় কৰাৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰা হব। এই নিৰ্দ্দেশ আছে। গতিকে এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যথেষ্ঠ সন্তৰ্কতা অৱলম্বন কৰা হৈছে।

'চাৰ্ভিচ ৰিজাৰ্ভেশ্বন'ৰ মাজেদি যিটো কৰ্পৰেশ্বন কৰিব খোজা হৈছে তাক আজি এই পবিত্ৰ সদনত পেচ কৰিছো আৰু 'ৰোল ফ্ৰেম' কৰি তাক কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। ইয়াৰ কাম কাজ চোৱা চিতা কৰাৰণেও প্ৰত্যেক জিলা আৰু মহকুমাৰ হেডকোৱাটাৰত একো একোটা 'উনসপেক্তৰেট' খোলাৰ কাৰণেও আগবাঢ়িছো। ইয়াৰ যোগেদি প্ৰয়োজনীয় সকলো সুযোগ সুবিধা জনজাতীয় লোক সকলক দিবৰ কাৰণে আমি ব্যৱস্থা কৰিছো।

ইয়াৰ পিছত ৰাজনীতিৰ ক্ষেত্ৰত 'ৰিজাৰ্ভেশ্বন'ৰ কথা কব খুজিছো। ভৈয়ামৰ জনজাতিৰ কাৰণেই ১১ টা চিট সংৰক্ষিত আছে। তাৰ ভিতৰত আমি দেখিছো যে, যোৱাবাৰৰ বিধান সভাত মুঠ ১৭ জন জনজাতীয় প্ৰাতনীধি এই বিধানসভালৈ নিৰ্ব্বাচিত হৈ আহিছিল। তাৰ ভিতৰত ১১ জন ৰিজাৰ্ভ চিটৰ পৰা আৰু বাকী ৬জন 'জনেৰেল চিট'ৰ পৰা। এইবাৰৰ বিধান সভত ১৫ জন প্ৰাতনীধি আহিছে। ইয়াৰ ভিতৰত ১০ জন ৰিজাৰ্ভ চিটৰ পৰা আৰু বাকী এটা সমষ্টিত এতিয়াও নিৰ্ব্বাচন হবলৈ বাকী আছে। বাকী ৬জন জেনেৰেল চিটৰ পৰা। গতিকে ট্ৰাইবেল সকলৰ এই বিলাক উন্নয়ন সম্পৰ্কে তেখেত সকলে নিশ্চয় চকু দি আছে। আমাৰ মাননীয় ভালে কেইজন সদস্যই চৰকাৰক নানা বিলাক পৰামৰ্শ আদি দি আছে। আমাৰ ভালেমান মাননীয় সদস্যই ট্ৰাইবেল সকল মহাজনৰ ওচৰতধৰুৱা হৈ আছে বুলি যি অভিযোগ কৰিছে এইটো হবলৈ পাইছে ট্ৰাইবেল সকল পিছপৰি থকাৰ কাৰণে আৰু তেওঁলোকৰ অৰ্থ-নৈতিক অনগ্ৰসৰতাৰ কাৰণে। ইয়াৰ লগত নিৰক্ষৰতাৰ প্ৰশ্নটোও জৰিত

হৈ আছে। আজি আমি এইখিনি 'ক্লেইম' কৰিব পাৰো যে, ট্ৰাইবেল সকলৰ মাজত আজি সচেতনতাৰ ভাৱৰ উদ্ৰেক হৈছে। শিক্ষাৰ ক্ষেত্ৰত মনোনিবেশ কৰিছে আৰু আগুৱাই আহিবৰ কাৰণে তেখেতে গভীৰ আৰু আন্তৰিকতাৰে আগুৱাই আহিছে। ট্ৰাইবেল বেল্ট, ট্ৰাইবেল থকাস্বত্তেও অনাট্ৰাইবেল সকল ট্ৰাইবেল সকলৰ মাজাত কেনেকৈ পাৰিল ? প্ৰভিজ্যন মতে জনজাতীয় লোক সকলৰ পৰা অজনজাতীয় সকলৰ মাজলৈ হস্তান্তৰিত হবনেলাগে। সেইবিলাক ৰেজিষ্টাৰ নহয়। কোনেও অনাট্ৰাইবেল সকলক মাটি বাৰী আদি বিক্ৰীকৰিব নোৱাৰে। কিন্তু তথাপিও এই আইনত এটা সুৰুঙা আছিল যে, যদি কোনো ট্ৰাইবেল লোকে কোনো এজন অনাট্ৰাইবেল লোকক 'চাৰ্টিফাই' কৰে যে, তেওঁ ট্ৰাইবেলৰ মাজত স্থায়ী ভাৱ বসবাস কৰি আছে। তেনেক্ষেত্ৰত এই ট্ৰাইবেল বেল্ট আৰু ব্লকৰ, মাটি বিক্ৰী কৰাৰ ব্যৱস্থা আছে। 'ট্ৰাইবেল বেল্ট আৰু ব্লকবোৰ হস্থান্তৰিত কৰিব নোৱাৰে বুলি ১৯৪৭ চনতে 'নটিফিকেশ্যন' হোৱাৰ পিছৰে পৰাই আজি আমি এই বিলাক সংৰক্ষিত অৱস্থাত পাইছো। আমাৰ মাননীয় সদস্য শ্ৰী দাস ডাঙৰীয়াই কোৱাৰ দৰে এই বেল্ট আৰু ব্লকৰ মাটি বোৰ অনাট্ৰাইবেল সকলৰ হাতলৈ যাব নোৱাৰে। আমি তেওঁ বিলাকক ৰক্ষা কৰিব লাগিব। তেওঁলোকৰ মাটী বিলাক যাতে অনা ট্ৰাইবেল সকলৰ হাতলৈ যাব নোৱাৰে তাৰ কাৰণে আমি তেওঁলোকক ৰক্ষণাবেক্ষণ দিব লাগিব। এই ট্ৰাইবেল বেল্ট আৰু ব্লকৰ পৰা মাটিবোৰ আনৰ হাতলৈ অন্ত-ন্তৰিত হব নোৱাৰিব বুলি মই মোৰ অভিমত ব্যক্ত কৰিছো। আইনৰ ব্যৱস্থাৰ প্ৰতি আমাৰ জনসাধাৰণ সজাগ, আমাৰ ট্ৰাইবেল লোকসকল।

'ট্ৰাইবেল ডেভেলপমেণ্ট কৰ্পৰেচন'ৰ যোগেদি আমাৰ ট্ৰাইবেল

জনসাধাৰণক আগুৱাই নিবৰ কাৰণে আমি চেষ্টাকৰিছো। গৰীৱত কৈও গৰীৱ মানুহ বিলাকক আৰ্থিক ভাৱে আগুৱাই নিবৰ কাৰণে (ট্ৰাইবেল সকলক), এই উদ্দেশ্য সাৰোগত কৰি কঞ্চাপশ্যন লʼনʼৰ ব্যৱস্থা কৰিছিল ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে। কিন্তু আজি আমাৰ মাননীয় সদস্য সকলে শুনি আচৰিত হব যে, দুখীয়া ট্ৰাইবেল সকলৰ কাৰণে নিৰ্ধাৰণকৰা এই ট্ৰাইবেল সকলৰ ভিতৰৰে যি সকল সমাজৰ অলপ শ্ৰেষ্ঠ আসনত আছে, সেই সকলে লুণ্ঠ নকৰি কোনোবাই পেট্ৰল পাম্প, কোনোবাই দিল্লীত দুই তিনি তলাৰ দালান প্ৰতিষ্ঠা কৰিবৰ কাৰণে ২৩।৪।৫ লাখ টকা লোৱা আমি দেখা পাইছো। এই পৱিত্ৰ সদনত এই কথাটো প্ৰমাণিত হৈ গৈছে। আমি এই পবিত্ৰ সদনত টেট্ৰুকাশি চিঞৰিব পাৰো কিন্তু শতকৰা ১০০ জনৰ ভিতৰত ৯০ অন্ন বস্ত্ৰৰ সংস্থান কৰিব নোৱাৰা ট্ৰাইবেল লোকৰ কাৰণে যি দুবেলা দুমুঠি খাবলৈ পোৱা নাই, তেওঁৰ কাৰণে কিবা চিন্তা কৰিছো নে ?

গতিকে আজি আমি এইটো কথা চাব লাগিব যে ট্ৰাইবেল সকলৰ মাজত ৰক্ষণ শীল সমাজ আছে। আজি সকলো সমাজতে প্ৰত্যেক সম্প্ৰদায়ৰ মাজতে ৰক্ষণশীল সমাজ আছে যদিও ট্ৰাইবেলৰ ৰক্ষণশীল সমাজ অতি ভয়ংকৰ ধৰণৰ। গতিকে তেওঁলোকে ভাবে যে, যদি ২শ বিঘা মাটি আছে তাৰ ২শ বিঘাই থাকিব লাগে। চিলিং আইন হোৱাতো তেওঁলোকে কামনা নকৰে। এই ৰক্ষণশীল শ্ৰেণীয়ে এটা সময়ত উত্তেজনাৰ উদগীৰণ হৈছিল আৰু কৈছিল যে, কংগ্ৰেছ চৰকাৰে তেওঁলোকৰ মাটি কাঢ়ি লৈছে কাৰোবাৰ ১৫০ বিঘা হৈছে, কাৰোবাৰ ১শ বিঘা হৈছে কাৰোবাৰ মাত্ৰ ৫০ বিঘা হৈছে এইটো ট্ৰাইবেলৰ ৰক্ষণশীল শ্ৰেণীয়ে পচন্দ নকৰে। তাৰ পিচত আহিল উদয়াচলৰ বাবে আন্দোলন। আমাৰ এই পৱিত্ৰ সদনে জানে যে, ট্ৰাইবেলৰ

ভিতৰত ১শ জনৰ ভিতৰত ৯০ জনেই পেটেভাতে খাবলৈ নাপায় আৰু লৰা ছোৱালীক শিক্ষা দীক্ষা প্ৰদান কৰি অন্যান্য লগত খোজ মিলাই আগবাঢ়ি আহিবলৈ তেওঁলোকেও আশা কৰে। আজি তেওঁলোকৰ চেতনা আহিছে আৰু সেইকাৰণেই আন্দোলনৰ পথত নামিব পৰা নাই। যদিও ট্ৰাইবেলৰ কাৰণে এটা সুকীয়া ৰাজ্যৰ কথা ওলাইছে মই এই পবিত্ৰ সদনক জনাব বিচাৰিছো যে, আজি আমাৰ ট্ৰাইবেল সকলৰ অৰ্থনৈতিক, সামাজিক আৰু অন্যান্য ক্ষেত্ৰত যিমান বিলাক কথা আলোচনা হৈছে এই দুৰ্গত সকলৰ হৈ যিবিলাক কথা ব্যাখ্যা কৰা হৈছে তাৰ পৰা আমি এটা কথাতে উপনীত হব লাগিব যে, ৯০ জন মানুহৰ নিৰক্ষৰতা আৰু শোচনীয় পৰিস্থিতি এই উদয়াচল ৰাজ্যই সমাধান কৰিব পাৰিবনে নাই। এইটো কেইজনমান লোকৰ স্বাৰ্থ পূৰণৰ বাবে উদ্দেশ্যে হিচাবে তেওঁলোকে লব পাৰে। গতিকে এই পবিত্ৰ সদনক জনাব বিচাৰো, এই ট্ৰাইবেল লোক সকল অসম ৰাজ্যৰ সন্তান আৰু অসম ৰাজ্যই তেওঁলোকৰ মাতৃভূমি, এই কথা মনত ৰাখি আমি যিদৰে আগৰে পৰা আছো আৰু ভবিষ্যতেও থাকিম। এই সকলোবিলাক কথা উদ্দেশ্য হিচাবে আগত ৰাখি আজি আপোনাকে ট্ৰাইবেল অৰ্থৰিটি দেভলপমেণ্টবিলখন অনা হৈছে। আজি ট্ৰাইবেলৰ শিতানত নানা সদস্য এই আলোচনা কৰিছে। তেওঁলোক আজি আগৰ অৱস্থাত নাই তেওঁলোকৰ চেতনা ফিৰি আহিছে। আজি অন্যান্য সম্প্ৰদায়ৰ দৰেই ট্ৰাইবেল লোক সকলো যাতে সকলো দিশতে আগবাঢ়ি আহিব পাৰে তাৰ কাৰণে লক্ষ্য ৰাখিব লাগিব। অকল ৰাজনৈতিক উদ্দেশ্য পূৰণ কৰিবৰ বাবেই নহয়, অৰ্থনৈতিক আৰু সামাজিক দৃষ্টিভংগী আগত ৰাখি আমি আগবাঢ়ি যাব লাগিব এই বিল খন ট্ৰাইবেলৰ উন্নতিৰ এটা পদক্ষেপ বুলি কব বিচাৰিছো এই বিলৰ মাধ্যমেৰে ট্ৰাইবেল জনসাধাৰণৰ সকলো

দিশতে উন্নতি হব বুলি আশা কৰিলো ।

Mr. Speaker —: Now I put the motion. The motion is "That the Assam Tribal Development Authorith Bill, 1983, as amended be passed."

( The motion is passed )

The bill is passed

Item No. 9 (a)

Shri Abdul Muhib Majumdar :— Sir, I beg to move that the Gauhati Municipal Corporation ( Amendmend ) Bill, 1983, be taken into consideration.

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনী বিধেয়ক খনৰ যোগেদি চৰকাৰে সকলো ক্ষেত্ৰতে তদৰ্থ কমিটি কৰি দিয়াৰ ব্যৱস্থা কৰিছে । কিন্তু এইটো সঠিক পথ নহয় বুলি ভাবো। ৰাজ্যপালৰ শাসনৰ সময়ত গুৱাহাটীৰ পৌৰনিগমভংগ কৰি দিয়া হৈছিল। এটা গণতান্ত্ৰিক ভাবে নিৰ্ব্বাচিত কমিটি ভংগ কৰি দিয়াৰ কোনো অৰ্থ নাছিল । আৰু গণতান্ত্ৰিক ভাবে নিৰ্ব্বাচিত এটা কমিটি পুনৰাই নিৰ্ব্বাচন পাতি এই কমিটি গঠন কৰা প্ৰয়োজন নাছিল । এই সম্পৰ্কে প্ৰথমে আমি লক্ষ্য কৰিছো যে, চৰকাৰ প্ৰতিস্থা হোৱাৰ পিচতো । আকৌ এই সংশোধনী বিধেয়ক খন পাচ কৰি তদৰ্থ কমিটিৰ ব্যৱস্থা কৰা হৈছে । এই কমিটিত যি সকল মেম্বাৰ কৰি লোৱা হৈছে এই সকলো শাসক দলৰ বখা হৈছে। অন্য কাৰো ইয়াত স্থান নাই । ভেনেস্থলত

আমাৰ এই বিধেয়কখনত উপৰত আপত্তি আছে। আমি আশা কৰিছো নিৰ্ব্বাচিত চৰকাৰে অতি সোনকালে কেৱল পৰিস্থিতিক দোহাই দি নাথাকি নিৰ্ব্বাচিত পৌৰনিগম পতাৰ ব্যৱস্থা কৰিব লাগে। এইখিনিকে কৈ মই এই বিলখনৰ বিৰোধাচৰণ কৰিছো।

* শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন কিয় অনা হৈছে এই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে এটা বিবৃতি সদনত দাঙি ধৰিছে। বিলখন আনিবলগা হোৱা অৱস্থাৰ কথা তেখেতে কৰিছে। ৰাজ্যপালৰ শাসনৰ সময়ত ৰাইজৰ দ্বাৰা পৰিচালিত পৌৰ নিগম আছিল।

মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন পুৰণা বিল বুলি মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে সদনত এটা বিবৃতি ডাঙি ধৰিছে। এই বিলখন আনিবলগীয়া হোৱাৰ অৱস্থাৰ কথা মই কৈ আহিছো। ৰাষ্ট্ৰপতিৰ শাসনৰ সময়ত গুৱাহাটীত ৰাইজৰ দ্বাৰা নিৰ্ব্বাচিত পৰিচালিত প্ৰতিনিধিৰ পৌৰনিগম আছিল। এই পৌৰনিগম খন ভাঙি দিলে। ভাঙি দিবলগীয়া হল কিয়? যি সময়ত অসমত কোনো ধৰণৰ গণতান্ত্ৰিক বাতাবৰণ নাছিল সেই সময়ত মহকুমা পৰিষদ, বিভিন্ন টাউন কমিটি বা মিউনিচিপালিটি, বিভিন্ন কৰপৰেচন আদি নিৰ্ব্বাচিত প্ৰতিনিধিৰ দ্বাৰা পৰিচালিত হৈ আহিছিল। এই বিলাকৰ ওপৰত আক্ৰমণ হল। কিন্তু এই আক্ৰমণৰ উদ্দেশ্য কি? ইয়াত মন্ত্ৰী মহোদয়ে কৈছে an administrator was appointed to set right the irregularities Committed by the then elected body. অত্যন্ত দুভাগ্যজনক বিবৃতি। যদি কোনোবাই অনিয়ম কৰিছিল তেতিয়াহলে তেওঁলোকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰি

* Speech not Corrected

শাস্তি দিব লাগিছিল। বিচাৰ কৰিব লাগিছিল। আজি এক বছৰৰ বেচি হৈ গল চৰকাৰে অনিয়ম কৰা বুলি কৈ আছে অথচ সহ্য কৰি বহি আছে। কিবা বিচাৰৰ ব্যৱস্থা কৰিছেনে? আজিলৈকে কোনো ব্যৱস্থা কৰা নাই। কাকো শাস্তি দিয়া নাই। যিয়েই বেয়া কাম কৰে তাকেই শাস্তি দিব লাগে। মন্ত্ৰী মহোদয়ে যি অভিযোগ আনিছে এটা ৰাইজৰ দ্বাৰা নিৰ্বাচিত অনুস্থানৰ ওপৰত এই বিলাক অসত্য, কু- অভিসন্ধিমূলক, উদ্দেশ্য প্ৰনোদিত অগণতান্ত্ৰিক। গণতন্ত্ৰৰ ওপৰত সৈৰতন্ত্ৰৰ আক্ৰমণ। কি শাস্তি দিব? এজন প্ৰশাসনীয় বিষয়াৰ ভয়ত থৰাথৰি কপেঁ এই বিষয়া জনে এটা নিৰ্বাচিত অনুষ্ঠানক বুঢ়া আঙলি দেখুৱাই সভাকক্ষৰ পৰা ওলাই গুছি আহিল। তেওঁৰ ওপৰত কিবা ব্যৱস্থা লব পাৰিলেনে? নিৰ্বাচিত প্ৰতিনিধি সকলৰ অবমাননা কৰিলে এজন অফিচাৰে। এওঁক কি কৰিব পাৰিলে? এই অফিচাৰৰ দৌৰাত্মতে পৌৰ নিগমৰ ভাঙি দিবলগীয়া হ'ল। কেইজনমান অফিচাৰৰ লগত বিশেষ এক শ্ৰেণীৰ অফিচাৰৰ হলিগলি। ইয়াত এনেকুৱা এটা চক্ৰ আছে যিটো চক্ৰৰ পৰা পৌৰনিগমৰ উদ্ধাৰ পাব নোৱাৰে। পৌৰ নিগমে যেতিয়াই এই চক্ৰটোৰ স্বাৰ্থত আঘাট কৰিলে তেতিয়াই এই চক্ৰটো জিকাৰ খাই উঠিল। সেই কাৰণে গণতন্ত্ৰক কুঠাৰাঘাট কৰি এই বিল অনিবলগীয়া হৈছে।

অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে এটা প্ৰতিনিদ্ধিত্বমুলক চৰকাৰ হৈছে। মহানগৰী পৰিচালনাৰ কাৰণে এখন কৰপৰেচন লাগে। এটা কথা আমি জানো যে যোৱা নিৰ্বাচনৰ সময়ত অসমৰ বিভিন্ন ঠাইতে গণ্ডগোল হৈছিল যদিও গুৱাহাটীত কোনো গণ্ডগোল হোৱা নাছিল। গুৱাহৱটীৰ মানুহে যি ভোট দিবলৈ গৈছিল সেই বিলাক গৈছিলেই

আৰু যি বিলাক ভোট দিবলৈ যোৱা নাছিল সেই বিলাক ঘৰতে বহি আছিছিল । কতো একো গণ্ডগোল হোৱা নাছিল । ইয়াত নির্বাচন পাতিব নোৱাৰাৰ কথা আমি মানি লব নোৱাৰো ।

এতিয়া আহিছে তদর্থ কমিটি । তদর্থ কমিটি এখন পাতি দিছে। এইটো যাউত্তিযুগীয়া হৈ থাকিব নোৱাৰে । কিন্তু প্রশ্ন হৈছে তদর্থ কমিটি পতাৰ আগতে আগৰ কমিটিখন কি দোষৰ কাৰণে ভংগ কৰিলে ? এই প্রক্রিয়াটো আৰম্ভ হল ৰাজ্যপালৰ প্রশাসনতে । ৰাজ্যপালৰ প্রশাসনৰ কালত গণতন্ত্র বিৰোধি কাম হৈছিল বুলি মন্ত্রী মহোদয়ে চাৰটিফিকেট দিছে । সেই কাৰণেই সদনে এই বিল খন সমর্থণ কৰিব নালাগে বুলি মই ভাবো । কমিটি লাগিলে কোনবাই ভাঙি দিয়ক । সিদিনা ৰঙিয়াৰ ডি চি এফে নিয়মবিহীন ভাবে কিছুমান নিযুক্তি দিলে। ইয়াৰ কাৰণে মুখ্যমন্ত্রী শ্রীশইকীয়া দায়ি হব নোৱাৰে । গতিকে কেতিয়াবা কোনোবা বিভাগে কিবা অনিয়ম কৰিলে তাৰ কাৰণে নির্বাচিত প্রতিনিধি দায়ি হব নোৱাৰে । চৰকাৰে কাৰো ওপৰত একো অভিযোগ উত্থাপন কৰিবপৰা নাই । নির্বাচিত প্রতিনিধিক অবমানা কৰিআজি মন্ত্রী মহোদয়ে যিটো বিবৃত্তি দিলে এই বিবৃত্তিয়ে অৱস্থা জটিলকৰিহে তুলিলে । কিয়নো এইটো এটি সন্মান হানিকৰ প্রশ্ন । এই বিবৃত্তিৰ দ্বাৰা নির্বাচিত প্রতিনিধি সকলৰ সন্মান হানিকৰা হৈছে । মন্ত্রী মহোদয়ে যি কথা কৈছে সেই কথা প্রমাণ কৰিব লাগিব । কাৰোবাৰ ওপৰত যদি কিবা চার্জ আছে তেনেহলে চার্জ চিট দাখিল কৰক। চার্জ চিট কাবোবাৰ ওপৰত দাখিল কৰিব পাৰিছেনে ? পৰা নাই। অতি আচৰিত কথা যে এতিয়া এধক কমিটি গঠণ কৰিছে । আগৰ নির্বাচিত মানে চৰকাৰৰ দ্বাৰা চাটিফিকেট দিয়া অনিয়মিত কমিটিৰ ভালে কেইজন সদস্য এই এধক কমিটিত আছে কিয় নতুন এধক কমিটিত

আকৌ লৈছে ? বেয়া মানুহ বুলি ভাবিছিল যদি তেওঁলোকক বাদ দিব লাগিছিল । বেয়া বুলি জানিও কিয় নিযুক্তি দিলে ? এই সকলক কি যগ্যতাৰ ভিত্তিত দিছে ?

অধ্যক্ষ মহোদয়, সেই সময়ত আমাৰ দলৰ ১১জন সদস্য আছিল । এতিয়া তাৰ ঠাইত মাত্র ১ জন সদস্য ৰখা হৈছে । আনহাতে অন্যান্য দলৰ ৬-৭ জনকৈ ৰাখিছে । কিন্তু মই কব খুজিছো যে যি কেইজন মানুহ ইলেক্টেড বডিত আছিল তেওঁলোক ইয়াৰ ভিতৰতো আছে । আমাৰ যি কেইজন আগৰ বডিত আছিল তাৰে এজন এই বডিতো আছে গতিকে তেওঁক এই কমিটিত লোৱা হল কিয় । লব নেলাগিছিল । আজি এফালে কৈছে ইলেক্টেড বডিয়ে বহুতো ইৰেগুলাৰিটি কৰিছে । অথচ তেওঁলোক আটায়ে দায়িত্বপূর্ণ ব্যক্তি । শ্ৰীসমিৰ দাস নামৰ যিজন লোকক ইয়াত অন্তভুক্ত কৰা হৈছিল তেওঁ বিত্ত বিভাগৰ লোক আছিল । গতিকে এনে দায়িত্বপূর্ণ লোক সকলৰ বিৰুদ্ধে তেনে অভিযোগ অনা উচিত হোৱা নাই । আমাৰ ফালৰ পৰা যেতিয়া দুজনৰ নাম বিচৰা হৈছিল তেতিয়া আমি দিছিলো কিন্তু তাত এজন মানুহককে অন্তভূক্ত কৰা হৈছিল । গতিকে মন্ত্ৰী মহোদয়ে যিটো বিবৃতি দিছে তাত কথা আৰু কামৰ মাজত সামঞ্জস্য নাই । গতিকে মন্ত্ৰী মহোদয়ে বিবৃত্তি দিয়াৰ আগতে এই কথাটো ভালদৰে ভাবি চাব লাগিছিল । যদি কোনোবাই কর্পোৰেচনত বেয়া কাম কৰিছে তেতিয়া হলে তেওঁলোকক লব নেলাগিছিল । গতিকে এই প্রতিনিধি সকলৰ বিৰোদ্ধে যি বিলাক ভিত্তিহীন অভিযোগ আনিছে সেইবোৰ সচাকৈয়ে বিৰোধিতাৰ যোগ্য । গতিকে মই এই বিধেয়ক খনৰ বিৰোধিতা কৰিছো ।

* শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মিউ-

* Speech not Corrected

নিচিপেল কৰ্পোৰেচনৰ সংশোধনৰ কাৰণে যি এখন বিধায়ক সংশোধনৰ কাৰণে আজি সদনত উত্থাপন কৰিছে সেই বিষয়ে আমাৰ বিৰোধিতা আছে। মই অন্য কথা নকওঁ বিশেষকৈ গুৱাহাটী মিউনিচিপেল কৰ্পোৰেচনৰ অন্তৰ্গত যি খিনি নাগৰিক আৰু যাৰ দ্বাৰা এই কৰ্পোৰেচনটো পৰিচালিত হয় সেই বিষয়ে তুষাৰমান কম। মই এটা কম যে আজি যি কাৰণত গুৱাহাটী পৌৰনিগম বিলখন উত্থাপন কৰিব লগা হল সেইটো নকৰি ইয়াক আগৰ দৰেই ৰাখিবৰ কাৰণে এটা সুস্থ পৰিবেশত নিৰ্ব্বাচন পতাটোহে উচিত আছিল। কিয়নো এই নিগমৰ অধীনত যি সকল লোক বসবাস কৰে তেওঁলোক প্ৰায় আটায়ে সমাজ সচেতন লোক। আমি আৰু এটা কথা লক্ষ্য কৰিব লাগিব আজি গুৱাহাটীত আন্দোলন নাই। যদিও আন্দোলনৰ মুখা ফুটা নেতা সকল ইয়াতেই থাকে। আজি আমাৰ চৰকাৰে যদি ভয় নকৰি পৌৰ নিগমৰ নিৰ্ব্বাচন পাতিলেহেতেন চৰকাৰে নিশ্চয় গম পালেহেতেন এই নিৰ্ব্বাচন সুকলমে পাৰ হৈ গলহেতেন কিয়নো গুৱাহাটীৰ কোনো মাক দেউতাকে তেওঁলোকৰ ল'ৰাছোৱালীক আন্দোলনলৈ নপঠায়। আমি দেখিলোহেতেন যে গুৱাহাটীৰ নিৰ্ব্বাচন কোনো ৰক্তপাত নোহোৱাকৈ পাৰ হৈ গলহেতেন আৰু ইয়াৰ পৰাই আমি সিদ্ধান্তলৈ আহিব পাৰিলোহেতেন যে ৰাজ্যৰ অন্যান্য কৰ্পোৰেচন পঞ্চায়ত নিৰ্ব্বাচন, সমবায় নিৰ্ব্বাচন এই আটাইবোৰৰ ক্ষেত্ৰত এটা স্থিৰ সিদ্ধান্তলৈ আহিব পাৰিলোহেতেন। আজি আমাৰ সকলোৱে গণতন্ত্ৰৰ কথা কয়। চৰকাৰেও কয়, ছাত্ৰ সন্থা, গণসংগ্ৰাম পৰিষদেও গণতন্ত্ৰৰ কথা কয় আৰু সকলোৱেই গণতান্ত্ৰিক ভাৱেই কাম কৰি যোৱা বুলি কয়। এতিয়া প্ৰশ্ন হৈছে গণতন্ত্ৰ আচলতে কোনটো? আন্দোলনকাৰীৰটো নে চৰকাৰৰটো? যদি চৰকাৰে গণতান্ত্ৰিক পদ্ধতিতে কাম চলাই গৈছে তেন্তে এই আটাইবোৰ কাম গণতান্ত্ৰিক পদ্ধতিতেই হব লাগে। আমাৰ পঞ্চায়ত আৰু সমবায় বোৰৰ নিৰ্ব্বাচন চৰকাৰে হবলৈ

নিদিলে ভয়তে। এইটো কথা ভাল নহল। যদি এই চৰকাৰে গণতান্ত্ৰিক পদ্ধতিক অৱলম্বন কৰিছে তেন্তে তেওঁলোকে সেইবোৰত গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্ব্বাচন পাতিব লাগিছিল আৰু তেতিয়াহে আমাৰ মনৰ পৰা লাহে লাহে ভয়ৰ ভাবটো আঁতৰিলহেঁতেন। কিন্তু তাকে নকৰি পঞ্চায়ত আৰু সমবায় বোৰত এড হক কমিটি কৰাৰ লগে লগে আজি গুৱাহাটী পৌৰ নিগমকো চৰকাৰৰ অধীনলৈ অনাৰ চেষ্টা চলোৱা হৈছে আৰু সেই কাৰণেই আজি এই বিধেয়কখন অনা হৈছে। ইয়াৰ লগে লগে বাতৰি কাকতত কিছুমান কথা প্ৰকাশ কৰি দিয়া হৈছে যে এই বৰ্ডটোৱে কিছুমান অসৎ উপায় অৱলম্বন কৰিছে আৰু সেই কাৰণেই ইয়াক চৰকাৰীকৰণ কৰিবলৈ বিচৰা হৈছে। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদনক এটা কথা অনুৰোধ জনাও যে আজি যি কাৰণত ভয় কৰি চৰকাৰে গুৱাহাটী পৌৰ নিগমৰ নিৰ্ব্বাচন নেপাতি তাক চৰকাৰীকৰণ কৰিবলৈ বিচাৰিছে সেইটো যাতে পুনৰ বিবেচনা কৰি চায় আৰু আজি এই সন্দৰ্ভত যিখন বিল উত্থাপন কৰিছে মই তাৰ বিৰোধিতা কৰিছো।

Shri Benoy Kumar Basumatari :— Sri, I rise to oppose the passage of this Bill; Because in the statement under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, page 2, paragraph 2, 'The Gauhati Municipal Corporation Act, 1969 enacted in 1973 empowers the Commissioner to sanction any estimate or contract upto Rs. 5,000 only. The amount was considered inadequate to execute any work in view of esca-

lation of prices of all commodities including labour. Therefore, the amount was enhanced by rupees twenty thousand by inserting a new clause (e) under Sec. 425 (2) below clause d) and vesting the power to sanction above rupees twenty thousand to the State Govt. with a view for prompt implementation of various developmental schemes proposed to be undertaken by the Govt. for the all round improvement of the city of Gauhati during the period of supersession" Sir, the main (continved) charge against the existing body was that (this adhoc corporation and the administration was appointed) to set right the irregularities. These irregularities occured when the contractual amount was Rs. 5 thousand. "Now this Govt. which is in power has sought to increase the same amount for spending for every contract. Sir, there are a lot of misconducts and irregularities being carried on. Now this Govt. has taken all the power and this Rs. 5 thousand has been increased to Rs. 20,000/-. Sir, therefore, we have every apprehension that this adhoc Corporation which has been taken over by the ruling party of the State is proceeding towards corruption and irregularities to an extent which will be much more serious than the body which was dissolved under the charge of irregularities. Therefore, Sir, there are lots of

confusion in its performance and objectives stated and it has also referred to Municipal Corporation Act. 1969. Sir, they are going to act under various acts and rules and they have sought the authority to work in this Gauhati Corporation in a way which will be against the very princpal of democracy of the country. Therefore Sir, this Act is a pre amptive action because they have taken steps in advance to protect acts they are about to commit. Sir, we apprehend lot of irregularities that may be committed by this new Corporation. Sir, we are going to give power to the ruling party and the Govt. and their supporters in the Corporation Sir, powers which cannot be foreseen, action which cannot be foreseen, we only can apprehend that they will submerge themselves in a lot of irregularities Therefore, Sir, we oppose the passage of this Bill.

*শ্ৰীচন্দ্ৰধৰ কলিতা :— মাননীয় অধ্যক্ষ মহোদয়, মই এই বিলখন মূলতঃ বিৰোধীতা কৰিছো। গণতন্ত্ৰ দেশ বুলি কৈ আজি এই অগণতান্ত্ৰিক পদক্ষেপ লৈ জনসাধাৰণে নিৰ্ব্বাচন কৰি দিয়া সদস্যৰ দ্বাৰা পৰিচালিত হব লাগিছিল বা তেওঁলোকৰ পৰিচালনা কৰিবলৈ নীতি নিৰ্দ্ধাৰণ কৰাৰ অধিকাৰ আছে যদিও কিন্তু আজি গুৱাহাটীৰ ৰাইজে নিৰ্ব্বাচন কৰি দিয়া বডিটোক ভংগ কৰি দিয়াটো অকল ধ্বংসমুখী কামেই নহয় ই গণতন্ত্ৰক পদঘাট কৰা হব বুলি মই বিবেচনা

* Speech not Corrected

কৰো। বহু কাৰণত 'অৰডিনেন্স' জাৰি হয়, আৰু নতুন নতুন নীতি নিৰ্দ্ধাৰণ হয়, সংশোধণ হয় আৰু বিশেষ এটা পৰিস্থিতত এই বিলাক মানি লোৱাও হয়। কি এইটো মানি লব নোৱাৰি যে গুৱাহাটীত ইলেকচন হব নোৱাৰে। আৰু তেওঁলোকৰ কাৰ্য্য কাল উকলি গলেও ৰাইজৰ দ্বাৰা নিৰ্ব্বাচিত সদস্যৰ দ্বাৰা পৰিচালিত কৰিবলৈ দিয়াটো উচিত আছিল। কিন্তু তাকে নকৰি নানান আসোৰা দেখুৱাই এতিয়া নিৰ্ব্বাচিত সদস্য সকলৰ আতৰাই নিজে শাসনত অধিস্থিত হবলৈ বিচৰাতো এটা স্বৈৰাচৰী নীতিৰ সূচনা কৰিছে। ই অকল লজ্জাজনকেই নহয় ই ঘৃণনীয়ও। চি, পি, আই, এম, এল ৰ ফালৰ পৰা আমি নিৰ্ব্বাচন কৰি দিয়াৰ কাৰণে দিয়া নাই কিন্তু এঁকংগ্ৰেছী সকলে দিছে, সেইবিলাকক এনেধৰণে কিছুমান জনস্বাৰ্থ বিৰোধী মানুহক সংলিষ্ট কৰি দিয়া হৈছে সেইফালৰ পৰা এই আইন খন আমাৰ অন্যান্য বিৰোধী দলৰ সদস্য সকলে কোৱাৰ নিচিনা মই সম্পূৰ্ণভাবে বিৰোধতা কৰো।

Shri Abdul Muhib Mazumdar :— Mr. Speaker Sir, I am gratesne to the Hon'ble Members in the oppesition who have raised a few interesting points as regards the Bill which is now placed before the House. Now that there is some misconception in the minds of the Hon'bl3 Member, I must clear it at the begning. Sir, there is an Ordinance and this Bill has been placed to replace the Ordinance. The purpose of the ordinance and this Bill to empower the State Govt. to make an adhoc body. The power of the adhoc body is already there in the Act. One complaint has

been made that the democratically elected body has been superseded on 29th October 1982. Sir, as you remember, during the time of supersession, there was President's Rule in the State. Supersession has taken place at the performance of the Corporation was not upto the mark. Sir, we know when a Board or Corporation is superseded, a case is tiled either in the High Court or in the Supreme Court. But, it is very interesting that there was no case against the order of supersession. In other words, all the members in the Corporation were rathe satis fied in the matter of supersession of the Gauhati Municipal Corporation. Mr. Speaker Sir, we went to provide maxi num civic amenities to the citizens of Gauhati. It would be possible if there is a body of persons who are the representatives of the people. They would know better the difficulties faced by the people of the locality. this group of people would be also interested in the efficiency and smooth functioning in the affairs of the Corporation. Sir, in order to serve the citizens of Gauhati better, we have tried to enlist all sections of citixens and in fact, my Hon'ble friend has admitted that a CPM member is included in the adhoc body.

We have tried to accommodate all sectionsof

people and we have tried to make it as broad-base as possible. Our objective is that the Gauhati Corporation should function properly to cater to the ameneties like water supply, electricity, garbage clearance etc. After all, there are lot of difficulties, we have been facing in Gauhati City because there was no elected body. Somebody must look into the functions of the Municipality atleast in the matter of ameaities etc. We have no intention of making any discrimination. We have taken the best people available. We cannot take people who are not willing to accept the offer. I can assure you that in making selection of the members, there should be the consideration of ability of the members. This should also be in accordance with the provisions of the Act. The people are interested only in getting all kinds of amenities under the circumstances. Another question is that the election should be held. Actually, when there was no elected Government, the Corporation was already superseded and there was an Administrator who was running the affairs of the Corporation. We have, therefore, taken the charge by making an adhoc body. One clause is there in the bill that under the existing circumstance the Gauhati Corporation can be superseded only for one year. This is only a preventive measure because there is no possibility of any election being

held very soon. Now Sir, another thing has been brought forward, namely, that the Corporation was superseded becaue of irregularities committed and as such action should be taken against the member Corporation. When a Corporate body commits any irregularity, it does not involve any particular member. There is also no proceeding against any particular member. According to Sec 425 of the Corporation Act when a Corporation commits any irregularily, Govt is empwered to supersede the Corporation. That is a punishment. Supersession itself is a punishment. There was a very serious lacuna in the earlier Act. My friend Shri B.K.Basumatary has referred to the Urban Areass Rent Control Act. There is a reference of the Rent Control a Act, 1951, in the Corpantion Act The 1951 act has already vanished. We have to amend it. In Sec 444, we have substituted the figure 1951 to 1972. Now Sir, as regards the financial power given to the Commissioner, the existing provision is not adequate. Formerly, the Commissioner has the power of spending Rs. 5000 on his own without approval. We have now raised it to Rs. 20,000/- . It is because we have found that almost every item of work costs above Rs. 5000/-. If we stick to Rs. 5000/- limit, the Commissioner cannot function.

For every item of work, he will have to run to the Govt for approval. The Commissioner is a responsible officer who has been given the power of spending less than Rs. 20,000/-, In case he requires more than Rs. 20,000/-, he will have to take the approval of the Govt because the Corporation is an adhoc body. The intention is to effect some sort of control. For quicker implemention of the project, we have been compelled to increase the quantum from Rs. 5000 to Rs. 20,000 My friend Shri Basumatary has also raised the point that this power may give rise to irregularities on the part of the Corporation This is an unfounded apprehension. Any way, I can assure you that all endeavours will be made to preven these irregularities. We have already tried to put a check on the Corporation's activities. That is why we have brought forward this bill Incorporating certain amendments.

It is for this consideration that we had made adhoc Body. Sir I want to carify that this particular Bill has been brought not for creating the adhoc body but this Bill has been brought in only to smoothen the functioning of the Corporation. Sir, this Bill has been introduced to enable the Corporation for quick functioning of the Corporation and quick implementation

of the schemes that have been under taken. Sir, it is our esire also to hold election, there will be election as early aspossible. But Sir, that will depend upon various factors. One hon. member said that election of this Body is not yet held because some Opposition members were in the old Body and that is the reason why election was not hekd. Sir, election is a greatier Question and I do not like to dilate on that now. But I wish to say that this Bill is only meant for giving some powers over the Corporati on, to check irregularities. There was a mistake in the earlier Act; it is also to give some more power to the Commissioner of the Corporation, who is a responsible officer of the Govt. so that smaller work of the Corporation can be done more quickly; it is also to give some powers of supervision to the Government so that if anything is done wrongly the Government may intervene. So far as the other fuctious are concerned there was not so much critiesm. Now I hope that I have met the points raised and hope that Bill will be accepted.

Mr. Speaker :— Now I put the motion and the motin is that the Gauhati Municipal Corporation (Amendent) Bill, 1983 be taken into consideration.

(The motion is passed)

Mr. Speaker :— Item No. 9 (b). There is no amendment to the Bill. So, I put Clause 2 to 7 ; Clause to 7 do form pa-rt of the Bill.

Clause 2 to 7 form part of the Bill

Mr. Speaker :— Now I put clause 1, preamble, enacting formula and short title of the Bill.

Clause 1, preamble, emacting formula and short title of the Bill do form part of the Bill

Clause 1, preamble, Enacting Formula and Short Title of the Bill form part of the Bill

Now item No. 9(c). Shri Abdul Mahib Majumdar Sir I beg to move that the Gauhati Municipal Corporation (Amendment) Bill, 1983 be passed.

Mr. Speaeer :— Now Put the motion The motion is that the Gauhati Municipal Corporation (Amendment) Bill 1983 be power

(The motion is passed, the Bill is haussd)

Shri Benoy Kumar Basumatary :— Sir, before we proceed to the next item, under Rule 150 I intend to bring in a privilege motion against Shri Ranendra Narayan Basumatary, Miuister who has brought in certain

charge against us which are not true.

Mr. Speaner :— If there is anything like this, hon'ble member should give notice

Shri Benoy Kumar Basumatary :— Sir under Rule 158, sub-clause (I) . . : (interruption by Speaker)

Mr. Speaker, The hon'ble member should give notice. Now item No. 10 a).

Shri Hiteswar Saikia :— Sir, I beg to move that the Code of Criminal procedure (Assam Amendment) Bill, 1983 be taken into consideration.

Shri Benoy Kumar Basumatary :— Sir, this Bill is regarding confering, "in veiw of the extra ordinary circumstances, prevailing in the State of Assam, certain powers under the Code of Criminal procedure etc: etc. Sir this is a Bill to meet the exigencis of the situation here in this State which concernes all the law-abiding citizens of the State as well as others. This Bill is seeking to give more powers to the Executive Magistrates, and also to amend certarin provisions of the Code of Criminal procedure Act. First, it seeks to give more power to the Executive Magistrates: Sir, under Art. 237 of the Constitution of India, many

powers are there, and here Art. 237 states 'Governor may, by public notification, diract that foregoing provisions of this Chapter and any rules made there under shall with effect from such date as may be fixed by him in that behalf apply in relation to any class or classes of magistrates in the State as they apply in relation to persons appointed to the judicial service of the State.

Sir, the Constitution under Art. 237 has given power to the Governor that the Governor by his notification can give any power to any magistrate as he deems fit. Therefore, Sir, this Bill that is before us is not required. The Consitution has given ample power to the Governor and it is absolutely clear that the Governor may give any power to any magistrate or any classes of magistrates in the State. Therefore, Sir, this Bill, to me, is redundant. When something is provided in the highest law making book, that is the Constitution, I do not know why the State like Assam should bring in such a Bill defining as to how the Executive magistrates be empowered. Therefore, Sir, I believe that this Bill is a counter to Art. 237 of the Constitution. Again, Sir, if we go through many of the provisions of this Bill that is sought to be brought in here regarding

amendment of see-197 of the penal Code. there is problem. The Indian penal Code is a law passed by the parliament and now I do not know whether we will have to have some clarifications from the highest law making Body of the country ie., the prliament; while empowering the State to amend the laws. We enquire into as to how the Govt. on under what power what power or authority the State Govt. now wishes to bring in on amendment which will alter the very characeer of the Indian penal Code. Again Sir, . . . .

If we go through the same amendment of Section 197 i.e. Clause 5 (b) we find that it says" where an accused, either by himself or through a pleader, claims before a Court that he belongs to any class or category specified under sub-section (3) and that the offence alleged to have been committed by him arose out of any action taken by him while acting or purporting to act in or in connection with the discharge of his official duty, the Court shall forthwith stay further proccedings and make a reference to the State Government Sir, this is again to me a very confusing situation. Sir, Article 50 of the Constitution of India says "Separation of judiciary from executive The, State shall take steps to separate the judiciary from the executive in

the public service of the State ."Sir,the Constitution says that the judiciary will be separated and by implication it means judiciary ,will be independent of the executive. Now, this Bill seeks to make the courts subservient to the executive of the Government of the State. There, fore, a very serious situation has arisen through this amendment. Now Sir, if we go and study the Act, that is, Section 46 (1) we find it says" In making an arrest the policer or officer other person making the same shall actually touch or confine the body of the person to be arrested, unless there be submissin to the custody by word or action, "Again in (2) of Section 46 it says" If such person forcibly resists the endeavour to arrest him, or attempts to evade the arrest, such police officer or other person may use all means necessary to effect the arrest. "Again in sub-clause (3) of the same Section it is said "Nothing in this Section gives a right to cause death of a person who is not accused of an offence punishable with death or with imprisonment for life. "These are the things that this Government wishes to do, This Government wants to allter offences under the IPC or any other law for the time being in force punishable with imprisonment which extends to six months or with fine or with both. It is going to add so many new power to this Act that if we make serious of this

Act it seems to become a very frightening Act. Sir, if we go through Section 197 of the Ipc we will find this provision of the code itself is a serious matter. The original provision speaks of prosecution of judges and public servants. Sir, I draw your attention to the words "Prosecution of judges and public servants. "Now by this amendment, the Government is seeking to prosecute judges, public servants and many other persons. Government will be so much powerful that it can prosecute, apprehend, put in jail any one they like. In Clause (5) it is said "where a complaint is made to a Court against a public servant belonging to any class or category specified under sub-section (3) alleging that he has committed an offence, the Court shall postpone the issue of proceess against the accused and make a reference to the State Government "Again Sir, if the Government officers or magistrates are acting against the interest of the Government or the State, the prosecuting authority will not be able to act against it. Now what happened during the last election fiasco ? In my sub-division I undersrand that 5 officers wers discharged. To-day these officers are reinstated. Now complaint is made to the court against such officers. But while making the complaint it is likely to be made by a public representative; he may

not be always an M.L.A. He may be a Gaonburah or a social worker and so on. During this Session of the Assembly we have brought a number of complaints against so many officers. The accuselt has to make the complaint after making reference to the State Government. Now in Mangaldai Sub-division, in February last it is estimated that 500 people were murdered in Chowlkhowa chapari. This could happen because the district authority was not renderd any help by the junior officers, the E.A.C.s or the lst class magistrates who were locatted atd at Mangaldai in S.D.O.'s office and they sided with the agitationists. Now under what rule Govt. discharged these people we do not know. Sir, the officers who do not consider the lives of the citzens important, we have no way to bring any charges against them. Now as a result of this section the accuser will be exposed and the Government in its own way, take time to make enquiries whether the charges are false or true. This will . .

involve a lot of time, as a resul the effectiveness of the peace keeping process, the effectiveness of law and order of the Government will be underminod. Therefore, Sir, we have a lot of doubt for the real purpose in bringing this amendment. Then

if we refer to Clause 3 (1) "Notwithstanding anything to the contrary

contained in the Code, the Executive Magistrate may, in addition to Judicat Magistrates, exercise powers of remand under Section 167 of the Code." This Section 167 is again very powerful section, it refers to remanding of a person in Jail or wher ever may be. It says "Whenever any person is arrested and detained in custody, and it appears that the investigation cannot be completed within the period of twenty-four hours fixed by section 57, and there are grounds for believing that the accusation of information is well-founded, the officer in charge of the Pollce Station or the police Offleer making the investigation, if he is not below the rank of Sub-Inspector, shall forthwith transmit to the nearest Judicial Magistrate a copy of the entries in the diary hereinafter prescribed relating to the case, and sahll at the same time forward the accused to such Magistrate." Sir, this is a very long clause in this book which covers almost 2 pages. But it is apperent that originally and ordinarily it is the Judicial Magistrate who is given the powers. By this amendment any Executive Magistrate will have the powers to remand. Now who are these Executive Magistrates. Sir, in Assam

there si a serious shortage of Executive Magistrptes: Why this shortage ? There are atleast 200 300 S. D.Cs but they can nevea be foued in their seats in their offices.. They are always going around the country-sides. If they are asked, they say they are to report in such and such places for law and order duties. They are not at all giveg time to attend to their revenue duties and entrusted to look after the law and order situation. Therefore Sir, there is a serious shortage of these Executive Magistrates in Assam. Recently we have gone through a Gazette notification that there are a lot of vacancies of Under, secretaries Deputy Secretaries in this Janata Bhavan Secretariat and a lot of Executive Magistrates Therefore, Sir, I am afraid this conferment will spread powers thin amongst officers. With these powers conferred on them I doubt there may be hampering of work actually, the officers are entrusted to carry out I do not like to criticise the working of the Administrative Machinery but I must say that these S D Cs do not get chance to undergo their required training They are to pass certain examinations, they are to study certain penal code. But most of the S.D.Cs are not conversent with these rules. It may be stated that the State is under extraordinary circumstances but there

is definitely a danger of sedition and there is definitely a danger of terrorism, there is definitely the danger of maintaining normal law and order in the Sta:e. Even the Government Should have specified certain measures about the yard-stick of the officers to whom the powers of Executive Magistrate is going to be confered. Without the measuring yard stiek, without some experience, without some amount of knowledge about the laws, if we go to empower these officers with the powers of Executive Magistratea, I think a situation will develop in the State which will co inter the very purpose of these provisionus that this Bill has brought in, for instance Section 197. In this section there are already sub-clauses and by this amendment there will be added another 3 more sub-clauses and there will be a total of 7 sub-clausese Sir, I doubt the very character of Section 197 is going to be altered. But this alteration cannot be done. We therefore, put the question whether the Government has obtained the required authority to alter the very character of the Section 197 which is a All India Code. And in regard to power to grant bail, with reference to Section 439 of this Act, Sir, it is very interesting to note that - "A High Court or Court of Session may direct- [a] that any person accused to an offence and in custody be released on bail,

and if the offence is of the nature specified in sub-section [3] of section 437, may impose any condition which it considers necessary for the purposes mentioned in that sub-sections..................." By this what does it seek to make ? It says "Notwithstanding anything contained in this Code, no person (a) who, being accused or suspected of committing an offence under any of the following sections, namely, Section 120B, 121, 121A, 122, 124A etc. under 450 of the Indian Penal Code. Therefore, Sir, this is a Bill which is going to alter the very Character of this main act and to my humble opinion this is a very serious matter and I think we should obtain highest legal expert's opinion before we proceed on changing the very character of the main Act. With these words, Sir, I oppose the passing of this Bill.

* শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত আন্দোলনৰ ওপৰত ৰাজ্যখনত যি অশান্তি হৈছে সেই অশান্তিলৈ লক্ষ্য ৰাখি শান্তিৰ বাতাবৰণৰ কাৰণে যি আইন আনিছে সেই আইনৰ আমি বিৰোধীতা কৰিছো। এই আইনৰ বিৰোধাতা কৰাৰ কাৰণ বহুত। আমাৰ চৰকাৰৰ আজি ক্ষমতা আছে। চৰকাৰৰ হাতত বৰ্ত্তমান যিখিনি ক্ষমতা আছে সেই ক্ষমতাই যথেষ্ট। তাৰ ওপৰত আকৌ আইন পাচ কৰি স্বকীয়া ক্ষমতা অনাৰ কাৰণ উপলব্ধি কৰিব পৰা নাই। কাৰ্য্যবাহী

* Speech not Corrected

দণ্ডাধীশ বিলাকে যোৱা নিৰ্ব্বাচনৰ সময়ত কি কৰিছিল আমি ইয়াৰ আগতেও সদনতে কৈছিলো। এই সকল হাকিমেই শিক্ষকসকলক পলোৱা ৰাস্তা দেখুৱাই দিছিল যে আজি তোমালোকক নি পলিং অফিচাৰ বা প্ৰিজনইডিভ অফিচাৰ কৰিব পৰা হব পাৰে। তোমালোক পলোৱা গাওঁত সোমাই কৈছিল ৰাইজসকল আপোনালোক ওলাওক। হাইস্কুলৰ শিক্ষকসকলক বাহৰ তলীত নি ঠাই দেখুৱাই দিছিল ইয়াত থাকক বুলি। এই হাকিম সকলেই নিৰ্ব্বাচনৰ সময়ত যথেষ্ট অন্যায় কৰিছিল। নিৰ্ব্বাচনত আমি তেওঁলোকক দেখিবলৈ নাপালো। বৰং অশান্তিৰহে সৃষ্টি কৰিছিল। শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ তেওঁলোকক নিয়া হৈছিল। বৰং অপ্ৰীতিকৰ ঘটনাৰহে সৃষ্টি কৰিছিল, তেওঁলোকৰ সমুখতে দলং জ্বলাইছিল। কোনোবাই দেখি যদি কয় যে চাব অমুক ঠাইক দলং জ্বলাইছে হাকিমে কয় জ্বলাবলৈ দিয়া এওঁলোক অকল ফাষ্টক্লাচত উঠি ইকালে সিকালে ঘূৰি ফুৰে। এওঁলোককেই যদি আকৌ ক্ষমতা দিয়া হয় পৰিস্থিতি আকৌ বেয়া হব। নিৰ্ব্বাচনৰ পাচতো বহুত ঠাইত বহুত ধৰণৰ কথাই চলি আছে। ৰাজ্য চৰকাৰে শান্তিৰ বাতাবৰণ সৃষ্টি কৰিব পৰা নাই। শান্তিৰ বাতাবৰণৰ কাৰণে শাসনাধিষ্ঠিত দলে বিৰাট সভা পাতিলে। আমি ভাল পাইছিলো কাৰণ বহুত ৰাইজ উপস্থিত হৈছিল। আমি বেয়া পোৱা নাছিলো। কিন্তু শাসনাধিস্থিত দলে কৰাৰ নিচিনাকৈ বিভিন্ন ৰাজনৈতিক দলৰ লোককো মেলমিটিং কৰিবলৈ সুবিধা দিয়ক। আমি সকলোৱে লগ লাগি মিটিং কৰো। দহ হাজাৰ কিয় পঞ্চাশ হাজাৰ মানুহ গোট খুৱাওঁ। আৰু উচ্চস্বৰে কম যে দেশত শান্তি লাগে সেই সুবিধা আমাক দিয়ক। বঙিয়া মহকুমা যেতিয়া উদ্বোধন কৰা হৈছিল, পঞ্চাশ হাজাৰ লোক উপস্থিত আছিল অথচ সিদিনা বঙিয়া বন্ধ আছিল। সেইটো কেৱল বাতাবৰণৰ সুবিধা দিয়াৰ কাৰণে। অথচ আমি বিৰোধী পক্ষই এখন মিটিং নোৱাৰে কৰিব। এশ চোৱাল্লিশ ধাৰা চলি আছে। যোল্ল

তাৰিখে বিহদিয়াত গণসংগ্ৰাম পৰিষদে প্ৰকাশ্যে ভাৱে মিটিং কৰিলে তাতে এশ চোৱাল্লিশ ধাৰা আছিল। তেওঁলোকে কেনেকৈ অনুমতি লয় আমি নাজানো। প্ৰকাশ্য ভাৱে তেওঁলোকে কলে কমলপুৰ অঞ্চলৰ ৰাইজ বুৰ্ব্বক। ইয়াতকি আন্দোলন নাইনেকি ? যদি আন্দোলন আছে এম-এল-এ সকলে প্ৰকাশ্য ভাৱে কেনেকৈ ঘূৰা পকা কৰিব পাৰিছে ? এই বিলাক কথা কলে চৰকাৰ পক্ষৰ মাত নাই। আমি মিটিং কৰিবলৈ অনুমতি লাগে। কিন্তু গণসংগ্ৰাম পৰিষদে মিটিং কৰিলে অনুমতি নালাগে। অনুমতিও যদি আপুনি লবলৈ যায় কমেও ত্ৰিশটা টকা খৰচ হব। এচ-ডি-চিৰ পৰা লাগিব। থানাৰ পৰা আনিব লাগিব। হাকিমৰ ওচৰলৈ আহিব লাগিব। এনেকৈ বাগৰা বাগৰি কৰাৰ পিচত তিনি দিনৰ পিচতহে অৰ্ডাৰ হয়। গতিকে আমি মেল মিটিং কৰিবলৈ সুবিধা পাম ক'ত। কংগ্ৰেছ দলে যেনেকৈ মেল মিটিং কৰাৰ সুবিধা পাইছে। মানুহ আনিবলৈ সুবিধা পাইছে আমাক সুবিধা দিলেও আমি আনিব পাৰিম। ৰাইজ আহিব। ৰাইজ আন্দোলন কৰা নাই। আন্দোলন কৰিছে মাত্ৰ কেইজন মান নিৰ্দ্দিষ্ট ব্যক্তিয়ে। তেওঁলোকে মাত্ৰ ৰাইজক হুংকাৰ দি আছে আৰু তাৰ ভয়তে ৰাইজ ওলাব পৰা নাই। হুংকাৰো দিয়ে কেনেকৈ সিদিনাখন উত্তৰলক্ষীমপুৰত এজন মৰিছে নহয়। আৰু মাৰিব। গতিকে ৰাইজে আন্দোলনত যোগ দিয়া নাই। হুংকাৰৰ ভয়তহে আছে। গতিকে আমি সকলোৱে ওলাই আহি আকৌ নতুনকৈ হুংকাৰ দিব লাগিল। তেতিয়া নিশ্চয় আন্দোলন নাথাকে। মোৰ ঘৰত এচ-আৰ-পি বাহিনী আছে। তাৰে তিনিজনে পোচাক পিন্ধিয়েই ঘূৰা ঘূৰি কৰি আছে। লগত বন্দুক বাৰুদ অনাছিল। তেওঁলোক ফুৰা দেখি এচাম বেটেলিয়ানৰ এজন কৰ্ম্মীয়ে, নিযুক্তি পোৱা কৰ্ম্মীয়ে চুপি আছিল। দেখা পাই তিনিজাই ফায়াৰ কৰিলে। এজনৰ বুকুত, এজনৰ পিঠিত আৰু এজনৰ হাতত লাগিল। এই কথাটো সিদিনা মই

মুখ্যমন্ত্ৰী মহোদয়ক জনাইছো কিন্তু আজিলৈকে তাৰ ব্যৱস্থা হোৱা নাই। শান্তি পোৱাৰ সলনি তেওঁলোকে টিমিলঘিলাই আছে। অৰ্থাৎ কাম কৰি আছে। গতিকে চৰকাৰে যিমানে আইন নকৰক কিয় চৰকাৰৰ কাৰা নজৰ নাথাকিলে এই বিলাক ফলৱতী নহয়। অধ্যক্ষ মহোদয়, আমি এতিয়া ৰিপোৰ্ট পাইছো যে বহুত আন্দোলনকাৰী যে এতিয়া এম-এল-এৰ লগত ঘূৰি ফুৰে। তেওঁলোকে এম-এল-এ সকলৰ ঘৰতে আশ্ৰয় লয়। আইন কৰিলে কি হব ? আন্দোলনকাৰী সকলক পুলিচেও এতিয় ধৰিব নোৱাৰে কিয়নো এম-এল-এৰ লগত ঘূৰি ফুৰে। গতিকে ইয়াত এম-এল-এ সকলে আন্দোলনৰ বিৰুদ্ধে কৈ আকৌ আন্দোলনকাৰীৰ লগতে লগ লাগি থকাৰ কি যুক্তি থাকিব পাৰে। ইয়াৰ ফলত এতিয়া পুলিচ সকলো নিৰুপায়ত পৰিছে। তেওঁলোকে কয় ধৰিম কাক ? বৰ বৰ লীডাৰ সকলৰ লগত আন্দোলনকাৰী সকল ঘূৰি ফুৰে। মাৰ্ডাৰ কেচৰ ইনভল্ড থকা সকলে নেতা সকলৰ লগত ঘূৰি ফুৰে। গতিকে আমি কাক ধৰিম। বিদেশী বহিস্কাৰৰ কাৰণে যি আন্দোলন চলিছিল সেই আন্দোলনৰ পৰিপ্ৰেক্ষিতত আমি বামপন্থী দলসমূহে নিৰ্ব্বাচনক সমৰ্থন জনাইছিলো।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ লগত, গৰ্ভনৰৰ লগত চুক্তি-বদ্ধ হৈ নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰিছিলো সঁচা। আমি ভাবিছিলোঁ আন্দোলন দমন কৰিব পাৰিম। কিন্তু আজি এনেকুৱা এটা অৱস্থা হৈছে যে কৰ্ম্মচাৰী সকলৰ নিৰাপত্তা নোহোৱা হৈ গৈছে অৰুল তেওঁলোকৰ হুংকাৰৰ কাৰণে মানুহে ভয় খাইছে। সিদিনা পঞ্চায়তৰ শপত গ্ৰহণ অনুষ্ঠান আছিল তাত আন্দোলনকাৰী কেইজনমান লৰাই লাঠী, জোং লৈ আক্ৰমন কৰিলে, মাৰধৰ অৱশ্যে কৰা নাই। মই নিজেই এখন এজাহাৰ লৈ থানালৈ গৈছিলোঁ। থানাৰ অ', চিয়ে কলে এজাহাৰ দিব নালাগে যাওক, মই তেওঁলোকক চিনি পাওঁ, চাম বাৰু"। পৰহি

ক্ষুটাৰে মমতাজ আলী বুলি এজন মানুহ ঘৰৰ পৰা আহি থাকোতে কেইজন মান লৰাই মুৰতে কোবালে। থানাৰ অ'চিক জনোৱাত তেওঁ কলে "চাল বাক"। কিন্তু আজিলৈকে কোনো বিচাৰ হোৱা আমি দেখা নাই। সিদিনা অসম বন্ধ হৈ গল। সেই বন্ধ শুক্লা প্ৰজেশ্বৰ ত্ৰজন ইঞ্জিনীয়াৰে দোকান বন্ধ কৰাত লাগি গল। পুলিচে এজনক কোনোমতে ধৰিলে কিন্তু ইজন পলাই গল। কিন্তু আজিলৈকে তেওঁলোকৰ কোনো বিচাৰৰ ব্যৱস্থা আমি দেখা নাই। অধ্যক্ষ মহোদয়, আন্দোলন যদি বন্ধ কৰিব লাগে আমি কৰিম। আমাক সুবিধা দিয়ক। আমাৰ বামপন্থী দলক মেল মিটিং কৰাৰ সুবিধা দিয়ক। আপোনালোকে বহুত পেট্ৰল, ডিজেল পুৰিলে, বহুত খৰছ কৰিলে। আমাক মাত্ৰ সুবিধা দিয়ক শদিয়াৰ পৰা ধুবুৰী-লৈকে মানুহ আনি আমি দেখুৱাম। গুৱাহাটী মানুহ আৰু লাল নিচানেৰে ভৰাই দিম। লাগে লাল কৰি দিম এই গুৱাহাটী চহৰ।

অধ্যক্ষ মহোদয়, আমাৰ বহুত মানুহৰ হাত কাটিলে, ভৰি কাটিলে, আৰু বহুতক হত্যা কৰা হল, কিন্তু তথাপিতো আমি পৰাজয় মনা নাই। আমি এজন মৰিম হাজাৰ হাজাৰ জন ওলাব। আমি কাকো কেয়াৰ নকৰোঁ। ১৯৩৮ চনৰে পৰা যুঁজি আহিছোঁ, যুঁজি থাকিম। সেই সময়ত মই জেলতো সোমালো কিন্তু কংগ্ৰেছ চৰকাৰৰ দিনত লিষ্টত মোৰ নামটো নোলাল। জেলত মই ঠিকেই সোমালো কিন্তু লিষ্টত নাম নাই। কিন্তু আমি আন্দোলন দমন কৰিবই লাগিব। সেইবাবে আমি পুলিচৰ ওপৰত কাঢ়া নজৰ ৰাখিব লাগিব। তেওঁলোকৰ এটা অন্যাই ডাঙৰ হৈছে। কাৰণ গাওঁত যিবিলাক চুৰিটাৰী কেচ হয় সেইবিলাক তেওঁ-লোকে এতিয়া লব নোৱাৰা হয়। সেয়ে তেওঁলোকৰ লোকচান হৈছে। আগেয়ে এজন ডাৰোগা বা এছ, আই, এ এই বিলাক কৰে। কিন্তু এতিয়া তেনে কৰিব নোৱাৰে। কাৰণ তেওঁলোকৰ প্ৰাণৰ ভয়। কেচ

বিলাক লব নোৱাৰা কাৰণে তেওঁলোকৰ বাহিৰা আয়ৰ পথ বন্ধ হৈছে। সেয়ে তেওঁলোক এইবিলাকত কোনো আস্থা নেদেখুৱায়।

অধ্যক্ষ মহোদয়, আমাৰ বহুতো কৰ্ম্মচাৰীক বৰ্খাস্ত কৰা হৈছে আকৌ পুনৰনিয়োগ কৰা হৈছে। বদলিৰ আদেশ দিয়া হয় আকৌ কিবা কাৰণত স্থগিত কৰা হয়। এইটো কি বেমাৰ? এই বেমাৰ ভাল কৰিব নোৱাৰিলে আন্দোলন দমন কৰিব নোৱাৰি। বদলি যদি কৰা হয় তেনেহলে সেই আদেশ সম্পূৰ্ণ কৰিব লাগে — লাগে ভুলেই হওঁক। প্ৰয়োজন হলে পিচত আকৌ স্থগিতকৰণ পিচত কৰিব পাৰে। কিন্তু লগে লগে স্থগিত হোৱাৰ কাৰণে কি? মই ভাবো এইবিলাক সকলো টকাৰ কাৰবাৰ। (সদনত হাহিৰ ৰোল) মোৰ আকৌ মুখত টকাৰ কথাহে আছে।

মুখ্য মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যাতে এখাৰ বদলি হলে সেই বদলিৰ বিৰুদ্ধে যিমান বিধায়ক বা ডাঙৰ নেতাই নাহক কিয় তাক স্থগিতকৰণ কৰিব নালাগে। এই কৰ্ম্মচাৰীসকলেই আন্দোলনকাৰী। তেওঁলোকৰ পক্ষে ইমানকৈ লাগে কিয় মই বুজিব পৰা নাই। আজি দিশপুৰলৈ হাজাৰ হাজাৰ মানুহ আছে। এই মানুহ বিলাক ভিতৰৰে আনকি নৰহত্যাকাৰী পৰ্য্যন্ত আছে। অথচ তেওঁলোকে চিমেণ্টৰ ব্যৱসায় কৰিছে আনকি চাকৰিও পাইছে। ছা আন্দোলন কৰিলে যে চাকৰি পাব নালাগে মই সেইটো কোৱা নাই। কিন্তু যিসকলৰ ওপৰত অভি-যোগ আছিল সেইবিলাকৰ ওপৰত বিচাৰ নহয় কিয়? চৰকাৰেই যেতিয়া সকলো ঢোলক কৰ্ম্মচাৰী সকল তেনে হবই। গুৱাহাটী উপা-আয়ুক্তৰ বিৰুদ্ধে বহুতেই বহুত কয় কথা। মই অৱশ্যে বেয়া নাপাও। বহুতে কয় কিয় খেদাব পৰা নাই? আজি বাৰ সন্থাই কিয় ষ্ট্ৰাইক নকৰে? তাৰ কাৰণ আছে। কাৰণ উপায়ুক্তই বহু ঠাইত নানা ৰকমৰ ঘটনা

ঘটাই আছে। গতিকে ধাক্কনাৰ কেচ আহি বহুতো উকীলৰ হাতত পৰিছে আৰু তেওঁলোকৰ আয় বাঢ়িছে। সেয়ে আজি বাৰ সন্থাই অগ্নিহোত্ৰীক খেদিবৰ কাৰণে আন্দোলন নকৰে। অগ্নিহোত্ৰী থাকিলে তেওঁলোকে ভাল পায়, কাৰণ ব্যৱসায় বাঢ়ে।

আজি সমবায় বিভাগৰ কৰ্ম্মচাৰী সকলক আমি দৰমহা দিছো। প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলক দৰমহা দিছো। ভাবিছো তেওঁলোক আমাৰ লগত আছে। কিন্তু নাই। কলেজৰ প্ৰফেচাৰ সকলোকো দৰমহা দিছো। তেওঁলোকো আমাৰ লগত নাই।

মাননীয় অধ্যক্ষ :— আপুনি অকনমান বিলখনৰ বিষয়লৈ আহক।

শ্ৰীমথুৰা ডেকা :— আইনৰ কথাত কবলৈ গলে বহুত ব্যাখ্যা ওলায়। অধ্যক্ষ মহোদয় আজি নৰহত্যাকাৰী সকলকো এঘণ্টাৰ পিচতে খালাচ দিয়া হয়। বহু ঠাইত বোমা ফুটিল বহু মানুহ মৰিল কিন্তু একো বিচাৰ নহল। পুলিচ বিভাগটো মই ভাবো আমাৰ হকে আছে। কিন্তু আচলতে তেওঁলোক আমাৰ লগত নাই। পুলিচ কতৃপক্ষ সজাগ থাকিলে দেশত এই উৎপাতবোৰ চলিব নোৱাৰে। ১৯৪৮ চনত আমি আন্দোলন কৰিছিলো চৰকাৰৰ বিৰুদ্ধে। কিন্তু তেতিয়া আমি পৰ্ব্বতে পাহাৰে, পাক-ঘৰত চাঙত লুকাইও সাৰিব নোৱাৰিছিলো। ভাত খাই থকা অৱস্থাত ধৰি নিও আমাক পিটিছিল। কমিউনিষ্ট মানুহ পালেই ধৰি নি পিটিছিল। তেতিয়া কেনেকৈ তেওঁলোকে আমাৰ অনুসন্ধান পাইছিল? কিন্তু আজি যে পুলিচ বিভাগে একো অনুসন্ধান নেপায়, ইয়াত কিবা এটা দোষ নিশ্চই আছে।

(হাহি)

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশাসনত যি সকল লোক

আছে তেওঁলোকৰ কথাবোৰো মন কৰিব লগীয়া। তেওঁলোকক যেতিয়া কিবা এটা অভিযোগৰ কথা সোধা হয় তেতিয়া তেওঁলোকে সৰু লৰাই মুৰ খজুৱাই একেবাৰে নিৰ্দ্দষী লৰাৰ দৰে যি ধৰণে উত্তৰ দিয়ে আমাৰ এই বিষয়া কৰ্ম্মচাৰী সকলেও একেবাৰে নিৰ্দ্দোষী মানুহৰ দৰে কথা কয়। কিন্তু তেওঁলোকৰ এনে ধৰণৰ কথাক যদি আমি বিশ্বাস কৰো তেনেহলে আমি ভুল কৰা হব। কাৰণ তেওঁলোকে কথা কয় এটা আৰু কাম কৰে এটা। সেইকাৰণে এই বিষয়া-কৰ্ম্মচাৰী সকলৰ কাম কাজৰ গতি বিধি লক্ষ্য কৰিব লাগে আৰু সেইমতে চৰকাৰে ব্যৱস্থা লব লাগে।

আজি আমি কেৱল আন্দোলনৰ কথা কৈ থাকিলেই নহব। তাৰ লগে লগে আমাৰ স্থিবোৰ কৰিবলগীয়া কাম সেই কামবোৰতো আমি মনোযোগ দিব লাগিব। আজি গুৱাহাটী পৌৰ নিগমৰ নিৰ্ব্বাচন নেপাতি তাক চৰকাৰীকৰণ কৰিবলৈ বিচৰা হৈছে। কিন্তু তাকে নকৰি যদি নিৰ্বাচন পতা হলহেতেন তেতিয়া হলে ইয়াৰ নিৰ্বাচন শুকলমে হৈ গলহেতেন। গুৱাহাটীৰ লৰা-ছোৱালীয়ে নামতহে আন্দোলন কৰে হাতে কামে নকৰে। ইয়াৰ অভিভাবকবোৰ অতি চতুৰ। তেওঁলোকৰ লৰা-ছোৱালী কেতিয়াও আন্দোলনলৈ যাবলৈ নিদিয়ে। কিন্তু তাকে নকৰি আমাৰ চৰকাৰে অযথা ভয়ৰ সন্দিহাদ হৈ এই ব্যৱস্থা হাতত লব খুজিছে। আমি যদি আজি সকলো কথাতে ভয়ৰ বসৱৰ্তী হৈ থাকো তেনেহলে গণতান্ত্ৰিক পদ্ধতিৰেকাম কৰিবলৈ আগুৱাই যাম কেনেকৈ? কেইদিন মান আগতে মই মোৰ ঘৰৰ ওচৰত বিজুলি টেন্সফৰমাৰ এটাই মাজে মাজে হিলৈ মৰাৰ কাহিনী এটা কৈছিলো। আছলতে তাত বিজুলিসৰবাহৰ বিজুতি ঘটাৰ ফলতহেনেকৈ হিলৈ মাৰে কিন্তু সেইটো ছাত্ৰ সন্থাৰ বোমা বুলি আমি ভয়তে পেপুৱা লাগিছিলো। আৰু কোন কেনি পলাই ফাট মাৰিছিলো তাৰো দিহা নেপাইছিলো। সেইদৰে কঁৰত কিবা

এটা কাৰণত যদি ২-১ জন মানুহৰ দৌৰাদৌৰি হয় তেতিয়া ছাত্ৰ সন্থাৰ লৰাই মাৰিবলৈ খেদি আহিছে বুলি আমি পলাওঁ। গতিকে এনেবোৰ মনোভাব আমি অতি সোনকালে ত্যাগ কৰিব লাগিব। আজি আমাৰ চৰকাৰে পঞ্চায়ত আৰু সমবায়ৰ নিৰ্বাচন স্থগিত কৰি সেইবোৰত এডহক কমিটি কৰিছে তাৰ পিচত আমাৰ মন্ত্ৰী মহোদয়ে চিন্তা কৰিলে যে এতিয়া শান্ত পৰিবেশ ঘূৰি আহিছে গতিকে অতি কম দিনৰ ভিতৰতে এইবোৰৰ নিৰ্বাচন অনুস্থিত কৰা হব। এইবোৰ শুনি আমিও ভাল পাইছিলো। কিন্তু তাৰ মাজতে আকৌ কোনে বুদ্ধি দিলে আৰু ভয় দেখালে নিৰ্ব্বাচন পত্তাটো বন্ধ হল আকৌ এডহক কথাটো আহিল। গতিকে এনেবোৰ ওলট পালট আৰু পৌৰ নিগমৰ যি খন বিল সেইখন আমি মানি লব নোৱাৰো আৰু আগৰ যিখন আইন সেইখনকে বাহাল ৰাখক।

অধ্যক্ষ মহোদয়, মোৰ আৰু কিছু কথা কবলগীয়া আছিল কিন্তু আপুনি বাৰে বাৰে আপত্তি কৰাৰ কাৰণে মই তুষাৰমান কৈয়ে সামৰণি মাৰিম। আমি জানিবলৈ পাইছো যে চৰকাৰে অহা অক্টোবৰ মাহৰ পৰা বিদেশী বহিস্কৰণৰ কাৰণে কাম হাতত লব। বিদেশী বহিস্কৰণৰ নামত চৰকাৰে যিবোৰ ব্যৱস্থা হাতত লব খুজিছে সেইবোৰ যদি সচাকৈয়ে কাৰ্য্যত ৰূপায়িত কৰিব পৰা হয় তেন্তে মই ভাবো অসমত বিদেশী নোহোৱা হব এই ক্ষেত্ৰত চৰকাৰে বিদেশী অনুপ্ৰবেশ নোহোৱাৰ কাৰণে আমাৰ সীমান্তত তাৰ কাটাৰ বেৰদিয়াৰ কথা ভাবিছে কিন্তু এই তাৰ-কাটাৰ বেৰে কিমান বিদেশীক ৰোধ কৰে সেইটো চিন্তা কৰিবলগীয়া কথা। তেওঁলোকে তাৰ কাটা বেৰ পাৰ হৈ নাহিব পাৰে কিন্তু ওপৰেৰে এৰোপ্লেনেৰে আহিলে তেওঁলোকক কোনে বাধা দিব ?

(সদনত হাহিৰ ৰোল)

যদি আমাৰ ব্যৱস্থাবোৰ এনেকুৱাই হয় তেনেহলে আমি বিদেশীৰোধ

কনেকৈ কৰিম ? আৰু ছাত্ৰ সন্থাই বা আন্দোলন ত্যাগ কৰে কেনেকৈ ? সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰো আজি আমাৰ আগত যিবোৰ কাম সেই বোৰ উচিত মনোযোগ দি কাম কৰিবলৈ ললে আৰু বিদেশী বিতৰণৰ নামত যিবোৰ ব্যৱস্থা হাতত লব খুজিছে সেইবোৰ সুচিন্তিত ভাবে হাতত লৈ যদি প্ৰকৃত বিদেশীক বহিস্কাৰ কৰিব পৰা হয় তেনেহলে দেখিব আজি ছাত্ৰ সন্থা আৰু গণসংগ্ৰাম পৰিষদে যি আন্দোলন কৰিছে সি এনেয়েই নাইকীয়া হব আৰু চৰকাৰৰো ভয় নোহোৱা হব ।

মাননীয় অধক্ষ্য :— এখনৰ ওপৰতে ইমান আলোচনা হলে কি হব ?

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, এই আইন খন অনাৰ ক্ষেত্ৰত কিয় এনে হবলৈ পালে ? কিয় আজিও নিস্পত্তি হোৱা নাই ? চৰকাৰৰ যি হয় হব কিন্তু সেই সকলক খালাচ দি দিয়ে। শিৱসাগৰত ৬ জন বিয়া যাত্ৰাক হত্যাকৰিলে কিন্তু কত্তা এজনকোটো ধৰিব নোৱাৰিলে । পাৰ্থ সাৰথীৰ হত্যাকাৰীকো ধৰিব নোৱাৰিলে । আজিলৈকে গুৱাহাটীতেই আছে । এনেধৰণৰ হত্যাকাৰী সকলক ধৰাৰ ব্যৱস্থা কৰক । পুলিচক পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰক । বিষয়া সকলক সুবিধা দিলে আন্দোলন সাম কাটিব । ইয়াৰ কাৰণে আৰু এখন নুকীয়া আইন কৰাৰ কোনো প্ৰয়োজন নহব । একজি কিউটিভ মেজিষ্ট্ৰেট সকলৰ অৱস্থা আকৌ সেই আগৰ দৰেই হব । যোৱা নিৰ্ব্বাচনৰ সময়ত আমি এই বিলাক দেখা পালোৱেই । আমাৰ ভয় লাগে সেইকাৰণেই মই এই বিলাক কথা কৈছো ।

মাননীয় অধ্যক্ষ :— মাননীয় সদস্য জনে একেটা কথাকেই কৈ আছে । একেটা বক্তব্যকে ৰিপিট কৰি থাকিলে কিমান অন্যায় কৰা হব আপোনিয়েই ভাৰি চাওকচোন ।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়ে কলে যেতিয়া মই সামৰিলো আৰু।

*শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন উৎথাপন কৰাৰ লগত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো বিবৃতি দিছে এই আন্দোলন সংক্ৰান্তৰ ঘটনাৱলীয়েই হৈছে এই খন বিল উৎথাপনৰ প্ৰথম ও প্ৰধান কাৰণ। এই আন্দোলন সম্পৰ্কে মূল্যায়ণ এতিয়াও আমাৰ শেষ হোৱা নাই। মই আগতেও কৈছো যে, এই আন্দোলন অসমীয়া জাতিৰ কল্যাণৰ কাৰণেও নহয়, অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ কাৰণেও নহয়। অসমীয়াৰ উন্নয়ণৰ কাৰণেও নহয় লাহে লাহে প্ৰমাণিত হৈ আহিব এইআন্দোলন বিদেশী খেদাৰ কাৰণেও নহয়। কেইদিন মানৰ আগেয়ে আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰণৰ কাৰণে 'ট্ৰিবুনেল' গঠন কৰাৰ ঘোষনা দিলে। লগে লগেই আন্দোলন কাৰী সকলৰ পৰা ঘোষনা দিয়া হল যে, এই 'ট্ৰিবুনেল' পাতিবলৈ দিয়া নহব। ইয়াৰ উদ্দেশ্য কি আছিল? বিদেশীৰ চিনাক্তকৰণ! বিদেশী চিনাক্তকৰণ হব নিদিয়ে। বিদেশী বিতাৰণ আন্দোলনটোৰ যে মুখৰ কথা সেইটো প্ৰমাণিত হৈ আহিছে। বিদেশী বিতাৰণ আন্দোলন বুলি কৈ কোনোবাই যদি এই বিদেশী বিতাৰণ কৰিবলৈ ওলায় তেতিয়া হলে, তাক বাধা দিছে। কিন্তু এই আন্দোলনটো আৰম্ভ হৈছে বিদেশী বিতাৰণৰ নামত হৈ সচাকৈয়ে এই ৰাজ্যখনৰ আইন শৃংখলাৰ নামত এটা বিৰাট সমস্যাই দেখা দিছে।

এইটো অত্যন্ত সচা কথা। গোটেই ৰাজ্যখনতে কিছুমান কথা হয়তো ইয়াত কবনোৱাৰি, কলে বিচাৰ বিভাগৰ বিৰোদ্ধে যোৱা বুলি কব। কিন্তু বিচাৰ বিভাগ এটা সমালোচনাৰ বাহিৰত থাকিব নোৱাৰে।

* Speech not Corrected

সংবিধানৰ তিনিটা ধাৰা, --- ন্যায় পালিকা, কাৰ্য্যবাহী আৰু আইন প্ৰণয়ণ --- এই তিনিটা বিভাগৰ ওপৰত সমালোচনা কৰাৰ অধিকাৰ সদনৰ নিশ্চয় আছে। বিচাৰ বিভাগৰ সম্পৰ্কে এনেধৰণৰ প্ৰশ্ন উঠে। যিকোনো বিভাগেই হওক, সি শ্ৰেণী স্বাৰ্থৰ লগত সঙ্গতিপূৰ্ণ। শ্ৰেণী স্বাৰ্থটোকেনেকৈ ৰক্ষা কৰিব পাৰি সেই প্ৰশ্নটোৱেই আজি প্ৰথম ও প্ৰধান প্ৰশ্ন হৈ দেখা দিছে। তাৰ কাৰণেই সেই কামটো কৰি থাকিব। আজি অশান্তি অৱস্থাৰ সৃষ্টি হৈছে, কাৰ ক্ষতি হৈছে? যি সকল শান্তিপ্ৰিয় মানুহ, যি সকল গণতন্ত্ৰত বিশ্বাস কৰা লোক আৰু যি সকলে প্ৰগতি বিচাৰে, যি সকল প্ৰগতি বাদীলোক এই সকলৰ। এই শ্ৰেণী কেইটাৰ ক্ষতি হলে এই চিষ্টেম কেইটাই বৰ বেছি ভয় নকৰে। এই বিভাগে কি বিচাৰে? কাৰ স্বাৰ্থত এই বিভাগ গঠিত হৈছে? শ্ৰেণী স্বৰ্থাৰ কাৰণে। অসমত শ্ৰেণীস্বাৰ্থ ক্ষুন্ন হোৱা নাই। চাহবাগান বিলাক এদিনো বন্ধহোৱা নাই। কোনো দিনে বন্ধ হোৱা নাই। আজি চাৰিওটা বছৰে চাহবাগান বিলাকৰ এপছাও ক্ষতি হোৱা নাই। অসমত থকা ১০৪ খন চাহবাগানৰ এখনৰো ক্ষতি হোৱা নাই। তেওঁবিলাকৰ স্বাৰ্থ ৰক্ষাই হৈ আছে। আজি ক্ষতি কাৰ হৈছে? সাধাৰণ মানুহৰ হৈছে। আন্দোলনকাৰী সকলৰ লগত জড়িত থকা সকলৰ ক্ষতি হৈছে। ডাঙৰ সকল হত্যাৰ কেছত পৰা নাই আন্দোলনৰ নেতৃবৃন্দ। পৰিল কোন?--- পাৰিলে লক্ষীম পুৰৰ, সৰভোগৰ, কৈঠালকুছিৰ লৰা কেইটামান। সাধাৰণ শ্ৰেণীবোৰ সকলো ফালৰ পৰাই বঞ্চিত হৈ আছে।

আজি বিচাৰ বিভাগটোৰ অলপ ইফাল সিফাল কৰি ৰক্ষা কৰিব পাৰিমনেকি? শান্তি-শৃংখলাৰ লগত জড়িত থকা সকলে কি কয়? দুস্কৃতিকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ কয়, ৰাতিটো ঘূৰি ঘূৰি তিনিটামান বজাত দোষীক গ্ৰেপ্তাৰ কৰিলো, ১০ বজাত কৰ্টত হাজিৰ কৰিলে আৰু তাৰ

পিছত দেখা পাম যে, ১২ বজাত আমাৰ চকুৰ আগেদিয়েই বুকু ফিন্দাই গপ-গপকৈ গুছি যায়।'

হত্যাকাৰীক জেলত সোমালেও কেতিয়াবা শুনিম যে, হত্যাকাৰী জেলৰ পৰা পলাল। আজি যি খন আইনৰ সংশোধন আনিব বিছৰা হৈছে তাৰ দ্বাৰা কেৱল জামিন দিয়া ব্যৱস্থাটো ইফাল-সিফাল কৰিব বিছৰা হৈছে মাথোন।

Mr. Speaker :— The hon. member will resume his speech tomorrow. The House stands adjourned till 10 a.m. tomorrow the 22nd September, 1983.

## ADJOURNMNT

The Hous this rose at 5 P.M. and stood adjourned till 10 AM on Tharsday the 22nd Sepleuaher 1983.

Dated Dispur: P. D. Barua

the 21st September, 1983. Secretary,

Assam Legislatsve Assembly,